# CONTENTS

BUDGET SESSION
VOLUME II NO 19
Dated, the 29th June 1992


| | | |
|---|---|---|
| 1. | Starred Questions and Answers. | 1—19 |
| 2. | Calling Attention | 20—21 |
| 3. | Government Bill | 22—75 |
| 4. | Motion Under Rule 130 A | 76—113 |
| 5. | Adjournment | —114 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Thurs day, June 29, 1972

The House met at 10 of the Clock in the Assembly Chamber, Shillong with Mr. Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

### Re : Government directions not to honour any Cheque

Sreemati Renuka Devi Barkataki asked :

*205. Will the Chief Minister be pleased to state :

(a) Whether it is a fact that Treasuries in the state have been directed by the Government not to honour any cheque until further orders ?

(b) Whether it is a fact because of the order of the State Government Salaries of the members of the Assembly are also held up ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

205. (a) Payment of all Cheques other then those for Salaries was restricted by Government in May, 1972. In the meantime Government have however, relaxed many of the restrictions so imposed.

(b) Does note arise.

Shrimati Renuka Devi Barkataki : May I know from the hon'ble Chief Minister whether a circular was sent to the Treasury Officers not to honour any of the Government cheques ? Does it mean lack of confidence on the Officials ?

Shri Sarat Chandra Sinha ( Chief Minister ) : No Sir,

Shrimati Renuka Devi Borkotoki : Is it a fact that because of this circulars many of the low paid employees specially Grade IV staff are not getting their pay for the last 2 or 3 monihs ?

Shri Sarat Chandra Sinha (Chief Minister ) : No Sir.

Shri Dulal Chandra Barua : May I know from the Chief Minister whether by issuing such a circular the Government propose to cut the expenditure in all heads ?

Shri Sarat Chandra Sinha ( Chief Minister ) : Sir, these was a special circumstance in the first week of May. In April our overdraft rose to about 68 crores and on 1st May the Reserve Bank of India imposed restrictions on us with regard to the over-draft the State Government

was not allowed to be in over-draft for more than 45 days. The maximum limit of over-darft was fixed at 5 crores. And, our shares from the centre on account of taxes and other dues were adjusted against this over-draft. Therefore we had a very difficult time. We had to issue that circular to the Treasury. But now we have relaxed it.

Shri Gaurisankar Bhattacharyya : In answering question (a) the Chief Minister was pleased to state that some of the restrictions were relaxed and others are yet to be relaxed, may we know what are the restrictions relaxed and what are the restrictions yet to be relaxed ?

Shri Sarat Chandra Sinha ( Chief Minister ) : Sir, on 10th may our order was like this ; the payment of all cheques of the State Government to be stopped forthwith except cheques of payment of salaries. Then subsequently we said Sir, that the State Bank might be advised locally to release and refund all enrnest money and security deposit, withdrawal through revenue deposit, withdrawal from P.L.A. of Municipalities, Town Committees and District Councils, stipends, scholarship bills, house rent, telephone bills, electricity bills, municipal tax, petrol bills of police, public health Deptt. and pool transport organisation, ration supplied to hospitals, jails and police, supply of stores to the police, supply of medicines and drugs to health Deptt., planning works of forest Deptt., expenditure on the famine relief, expenditure relating to R & B High Court and Legislative Assembly, witness money for appearing in court, payment of all cheques and bank drafts issued prior to 1.5.72. This was issued on May 24th. Then Sir subsequently on 30th May we further relaxed and issued the order to accept bills and cheques for payment of all types of essential and unavoidable expenditure on contingency except for purchase of machinery, books, maps, typewriters, computers and advertisement charges. Then we further relaxed on 31st May the restriction on expenditure planning works of forest deptt. including expenditure on timber marking. These are the restrictions which have been relaxed. Sir it is very difficult for me to give the details of expenditures on which the restriction is yet to be relaxed.

Shri Gaurisankar Bhattacharyya : So far as payment to those people who have given goods and services to the Government are concerned whether

অৰ্থৰ সাহাৰ্য্য খাদ্য নিগমৰ মূখ্যদপ্তৰৰ পৰা দিয়া হয়।

শ্ৰীসোনেশ্বৰ বৰা : মন্ত্ৰী মহোদয়ে কোৱা মতে ধান কিনি বিক্ৰী নকৰে নেকি ?

শ্ৰীমহীতোষ পুৰকায়স্থ ( মন্ত্ৰী ) : ইয়াতে (গ) প্ৰশ্নৰ উত্তৰত কোৱা হৈছে যে ভাৰতীয় খাদ্য নিগমে খেতিয়কৰ পৰা, প্ৰাথমিক মাৰ্কেটিং সমবায় সমিতিৰ যোগে অথবা ইয়াৰ অবিহনে ধান চাউলৰ ব্যৱসায়ী নিয়োগ কৰি ধান সংগ্ৰহ কৰে। এই ধান খাদ্য নিগমৰ নিজৰ ভড়ালত আৰু ষ্টেট ওৱেৰ হাউচিঙৰ ভড়ালত আৰু ভাড়াতীয়াৰ ভড়ালত মজুত ৰখা হয়।

শ্ৰীসোনেশ্বৰ বৰা : ফুড কৰপোৰেচনে ধান কিনি লৈ ধান কৰি বেচেনে চাউল কৰি বেচে ?

শ্ৰীমহীতোষ পুৰকায়স্থ (মন্ত্ৰী) : কোনো সময়ত ধান কৈয়ে বেচে আৰু কোনো সময়ত চাউল কৰি বেচে।

শ্ৰীসোনেশ্বৰ বৰা : কিনা ধান আৰু চাউল কৰি বেচাৰ ৰেট কেনে ধৰণৰ ?

শ্ৰীমহীতোষ পুৰকায়স্থ ( মন্ত্ৰী ) : চৰকাৰৰ দ্বাৰা সময়ে সময়ে ঠিক কৰি দিয়া হয়।

অধ্যক্ষ : আপুনি কিনা দাম বিচাৰিছে নে বেচা দাম বিচাৰিছে ?

শ্ৰীসোনেশ্বৰ বৰা : কিনা দাম আৰু বেচা দামৰ ৰেট আৰু ধান কৰি বিক্ৰী কৰা দামৰ লগত ধানৰ পৰা চাউল কৰি বিক্ৰী কৰাৰ ৰেটৰ ব্যৱধান বিচাৰিছো।

শ্ৰীমহীতোষ পুৰকায়স্থ ( মন্ত্ৰী ) : প্ৰকিউৰমেণ্ট ৰেট টো দিব পাৰিম কিন্তু বিক্ৰী ৰেটৰ কথা এতিয়া দিব নোৱাৰো কিনা ৰেটটো হ'ল procurement Price of the kharif year 1971-72 sali Rs 91.00 winter Red 86.50 and winter fine Rs 98.92 per quintal.

শ্ৰীসোনেশ্বৰ বৰা : মহোদয়ে ধান কিনা ৰেট সদনত দিলে কিন্তু চাউলৰ ৰেটটো সদনত জনোৱা নাই , এতিয়া কথা হ'ল ফুড কৰপোৰেচনে কিনে বেচে আৰু লাভ কৰে ফলত বছৰেকত খেতিয়কে খেতিৰ উৎপাদনৰ ওপৰত পাবলগীয়া লাভ খিনি নাপায়, এইটোত এটা ৰহস্যজনক কথা সোমাই আছে সেই বিষয়টো চালিজাৰি চাই মন্ত্ৰী মহোদয়ে সদনত জনাব বুলি আশাকৰিলো।

শ্ৰীবিজয় শৰ্ম্মা : আমাৰ মাৰ্কেটিং চোচাইটিয়ে পহিলা নবেম্বৰ পৰা একত্ৰিশ অক্টোবৰলৈ ধান লয় আৰু ফুড কৰপোৰেচনে লয় জানুৱাৰী মাহৰ পৰা ডিচেম্বৰলৈ।

শ্ৰীমহীতোষ পুৰকায়স্থ ( মন্ত্ৰী ) : বুজা নাই।

শ্ৰীবিজয় শৰ্ম্মা : মই এইটো কব খুজিছো যে নবেম্বৰ মাহৰ এক তাৰিখৰ পৰা

অক্টোবৰ মাহৰ একত্ৰিশ তাৰিখলৈ মাৰ্কেটিং চোচাইটিয়ে ধান লয় কিন্তু ফুড কৰপোৰেচনে নবেম্বৰ ডিচেম্বৰ এই দুই মাহত ধান নলৈ জানুৱাৰীৰ পৰা হে ধান লোৱাৰ ব্যৱস্থা কৰে। ফুড কৰপোৰেচনে কম দামত ধান লোৱাৰ কাৰণে খেতিয়ক বিলাকে ৫-৬-৭ টকাত ধান বিক্ৰী কৰিবলগীয়া হয় আৰু তেওঁলোকে উপযুক্ত দাম নাপায়ে লোকচান ভৰিবলগীয়া হয় ফুড কৰপোৰেচনে নবেম্বৰ ডিচেম্বৰ মাহত ধান নোলোৱাৰ কাৰনে ইয়াৰ কাৰনে কিবা ব্যৱস্থা মন্ত্ৰীমহোদয়ে লব নে যাতে খেতিয়ক সকলে উৎপন্ন বস্তুৰ ওপৰত লাভ কৰিব পাৰে।

শ্ৰীমহীতোষ পুৰকায়স্থ (মন্ত্ৰী): তেনেকুৱা আপত্তি আমি পোৱা নাই। পালে চাম।

Shri Suvankar Sinha: In the district of Cachar the Food Corporation procures paddy every year. But due to shortage of warehousing facility they do not procure the whole amount of surplus Paddy. Will the Minister be pleased to state if there is any proposal for construction of warehouses in each subdivision of the Cachar district?

Shri Mahitosh Purkayastha (Minister): The F.C.I. has taken in hand the construction of one warehouse at Silchar. There is also a proposal for construction of two more warehouses one at Lala bazar and another at Badarpur.

Shri Dulal Chandra Barua: The Minister has stated that the procurement price of paddy is fixed by the Government and F.C.I. procures paddy at that rate. Is it not a fact that as the margin of profit has not been fixed by the Government the F.C.I. is earning maximum profit without carrying the lot of the consumers? Whether Government is going to curb this?

Shri Mahitosh Purkayastha (Minister): Government will look into it.

শ্ৰীমৌলানা আব্দুল জেলিল চৌধুরী: স্যার এই F. C. I. কিছু মিলওয়ালা ও কিছু গ্রামের দালাল গ্রাম থেকে চাউল ক্রয় করে। এই সত্য সরকার জানেন কি? গ্রামের কৃষক F. C. I. থেকে কোন সাহার্য্য পায়না। সরকার তদন্ত করে তার বিহিত ব্যবস্থা গ্রহন করবেন কি?

শ্ৰীমহীতোষ পুরকায়স্থ (মন্ত্ৰী): সরকার এই সম্পর্কে বিহিত ব্যবস্থা গ্রহন করবেন।

শ্ৰীআব্দুল হুছেইন মীৰ: ফুড কৰপোৰেচনক একচেতিয়া ভাৱে ধান কিনাৰ

অধিকাৰ দিয়া হৈছে। সেই মতে ফুড কৰপোৰেচনে ২০-২২ টকাতে ধান কিনিব পাৰে, কিন্তু বজাৰত যেতিয়া ধানৰ দাম ৩০-৪০ টকা হয়গৈ তেতিয়া খেতিয়কক ধান দিয়াৰ বন্দবস্তি কৰিব নোৱাৰিবনে ?

শ্ৰীমহীতোষ পুৰকায়স্থ ( মন্ত্ৰী ) : তেতিয়াহলে আমাৰ হ'ল পলিচি ৰিভাইচড্ কৰিব লাগিব।

Shri Giasuddin Ahmed : Whether Government is aware that the procurement authorities exchange good quality of rice with bad quality of rice with blackmarketeers or wholesalers before they distribute the same to the consumers, and the consumers are compelled, rather forced to take bad quality of rice ?

Shri Mahitosh Purkayastha (Minister) : Government has no such information. If specific cases are brought to the notice of the Government they will be enquired into.

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড ( মন্ত্ৰী) : মহোদয়ে জনাবনে, আমাৰ মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহমেদ ডাঙৰীয়াই সোধা প্ৰশ্নৰ দৰে যে যোৰহাটত এফ চি আইএ একেবাৰে খোৱাৰ অনুপযুক্ত চাউল দিছিল আৰু তাৰ নমুনা মাননীয় মুখ্যমন্ত্ৰী মহোদয়কো দিয়া হৈছিল।

শ্ৰীমহীতোষ পুৰকায়স্থ ( মন্ত্ৰী ) : হয় জানো।

শ্ৰীমতী ৰেৱতী দাস : মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে এফ চি আইএ আৰু এপেক্স মাৰ্কেটিংয়ে যি ধান কিনে সেই ধানৰ দাম বেলেগ বেলেগ নেকি ?

শ্ৰীমহীতোষ পুৰকায়স্থ ( মন্ত্ৰী ) : প্ৰাইচ চেম।

শ্ৰীমতী ৰেনুকা দেৱী বৰকটকী : মাননীয় মন্ত্ৰী মহোদয়ে এই কথা জনাব পাৰে নে যে এফ চি আই এ প্ৰাইমাৰী মাৰ্কেটিং চচাইটিৰ যোগে ধান কিনাৰ বাহিৰেও কিছুমান বিষয়াৰ নিজা নিজা এজেন্টৰ পৰাও ধান কিনে ?

শ্ৰীমহীতোষ পুৰকায়স্থ (মন্ত্ৰী ) : নাজানো দৃষ্টিগোচৰ কৰিলে সেইমতে ব্যৱস্থা কৰিম।

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী : আমাৰ ধানৰ উৎপন্নকাৰী হ'ল খেতিয়ক ৰাইজ। এই খেতিয়কৰ পৰা এফ চি আইয়ে যে ধান লয় সেই ধান অনা খেতিয়কৰ কাৰণে লোৱা হয়নে খেতিয়কে নাৰ্য্য মূল্য পোৱাৰ কাৰণে লোৱা হয় ?

শ্ৰীমহীতোষ পুৰকায়স্থ ( মন্ত্ৰী ) : আমাৰ সংগ্ৰহ নিতীটো দুয়োটা উদ্দেশ্যৰ কাৰণে।

শ্ৰীগিয়াচুদ্দিন আহমেদ : আমাৰ অভিযোগ হ'ল F.C.I. য়ে চোৰাং

কাৰবাৰীক ভাল চাউল দিয়ে আৰু তাৰ সলনি পচা চাউল লৈ ৰাইজক খোৱাৰ কাৰণে দিয়ে। এইটো প্ৰমান ও হৈছে আৰু মুখ্য মন্ত্ৰীক ইয়াৰ নমুনা দিয়াও হৈছে। গতিকে এই কথাত চৰকাৰে প্ৰতিশ্ৰুতি দিব নেকি ?..........................

( অধ্যক্ষ : প্ৰতিশ্ৰুতি দিব নোৱাৰে )

এই কাৰবাৰ বোৰ যাতে নহয় তাৰ কিবা ব্যৱস্থা কৰিবনেকি ?

Shri Mahitosh Purkayastha (Minister) : Sir, Government has already given instructions to the dealers of the Fair-price-shops not to accept bad quality of rice. Whenever they find that bad quality of rice is supplied to them by the F.C.I., they may refuse to accept it.

সুৰঞ্জন নন্দী : অধ্যক্ষ মহোদয়, সরবরাহ মন্ত্রী মহোদয়ের নিকট থেকে জানতে চাই যে কাছারে বর্ত্তমানে F. C. I. তে যে ধান মজুত আছে তা কতটুকু আছে ? কারণ কাছারে জুলাই মাসে চালের দাম দুইটাকা Per K. G. হয়েছে। আমি পরশু সেখান থেকে এসেছি। চাল ও ধানের দাম কমাবার জন্য সরকার সেই সব অঞ্চলে কি ব্যবস্থা অবলম্বন করছেন ? আমার ২য় প্রশ্ন হলো, করিমগঞ্জে Fair Price Shop গুলিতে যে আটা দেওয়া হচ্ছে, S. D. O. নিজে তদন্ত করে গুলিকে "Unfit for human Consumption বলেছেন আমি মন্ত্রীমহোদয়ের নিকট থেকে জানতে চাই ( গোলমাল ) কাজেই এই যে Fair Price Shop এর Through যে আটা দেওয়া হচ্ছে, মন্ত্রী মহোদয় সেই সব সরবরাহকারীদের বিরুদ্ধে তদন্ত করে কি ব্যবস্থা অবলম্বন করবেন ?

শ্রীমহীতোষ পুরকায়স্থ ( মন্ত্রী ) : Fair Price shop যদি এই রকম আটা দেয় তাহলে তদন্ত করে তার বিহিত ব্যবস্থা অবলম্বন করা হবে। আমাদের কাছে যে information তা হলো, কাছার জেলায় যে আটা দেওয়া হয়েছিল তা আর ৩১ শে মে থেকে দেওয়া হচ্ছেনা।

শ্রীবলভদ্র দাস : এফ চি আই য়ে ধান বিলাক লৈছে এই বিলাক বিধবা সকলক বানিবলৈ দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

( উত্তৰ নাই )

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : চৰকাৰে এফ চি আইক দাম বান্ধি দিয়া স্বত্বেও সেই দামত খেতিয়কৰ পৰা ধান নিকিনি এটা থাৰ্ড পাৰ্টিৰ পৰা লেভেগ নিৰিখত ধান কিনা কথাটো চৰকাৰে জানেনে ? যদি জানে বিহিত ব্যৱস্থা লবনে ?

শ্ৰীমহীতোষ পুৰকায়স্থ ( মন্ত্ৰী ) : আমাৰ ধান সংগ্ৰহ নীতি মতে মাৰ্কেটিং গোচাইটিৰ

যোগে ধান কিনিব লাগে আৰু কেতিয়াবা নাপালে প্ৰাইভেটকৈও কিনিবলগীয়া হয়, কিন্তু মিনিমাম ৰেটটোহে ধৰে।

শ্ৰীউপেন সনাতন : চৰকাৰে ইমান বিলাক ধান সংগ্ৰহ কৰা স্বত্তেও যোগান বিভাগে চাহ বাগিছা বিলাকত বেচি দামত বেয়া চাউল বিক্ৰী কৰা কথাটো মন্ত্ৰী মহোদয়ে জানে নে?

শ্ৰীমহীতোষ পুৰকায়স্থ (মন্ত্ৰী) : মই আগতে কৈছো যে তেনেকুৱা কমপ্লেইন পাইছো আৰু আমি এফ চি আইক ইনষ্ট্ৰাকচন দিছো যাতে উচিত মূল্যত ভাল বস্তু যোগান দিয়ে। এই বস্তু বিলাক পাবলিক এনালাইচিচৰ দ্বাৰা পৰীক্ষা কৰি চোৱা হয়।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড : আজি কেইদিনমান আগতে চেম্পুল সহ অভিযোগ দিছিলো, কি ব্যৱস্থা লৈছে জানিব পাৰো নে?

শ্ৰীমহীতোষ পুৰকায়স্থ (মন্ত্ৰী) : বেয়া চাউলৰ ঠাইত ভাল চাউল দিবলৈ ইনষ্ট্ৰাকচন দিয়া হৈছে।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড : এফ চি আইয়ে পোনপটীয়া ভাৱে ফেয়াৰ প্ৰাইচ শ্বপ আৰু কনজিউমাৰ ষ্টোৰত চাউল বিক্ৰী নকৰি এফ চি আইয়ে হোল চেলাৰ হিচাবে চাউল বিক্ৰী কৰে এই কথা মন্ত্ৰী মহোদয়ে জানে নে?

শ্ৰীমহীতোষ পুৰকায়স্থ (মন্ত্ৰী) : হয়, জনো।

শ্ৰীলীলা কান্ত দাস : মাননীয় মন্ত্ৰী মহোদয়ে জনাব নে লক্ষীমপুৰ মহকুমাৰ যি বিলাক মাৰ্কেটিং চচাইটি আছিল সেই বিলাকে ধান সংগ্ৰহ কৰাৰ পাচত মাৰ্চ মাহৰ পাচৰ পৰা ধানৰ দাম বৃদ্ধি কৰিবৰ কাৰনে আপত্তি কৰিছিল নেকি, আৰু কি কাৰণত তেওঁলোকে ধানৰ দাম বৃদ্ধি কৰিব বিচাৰিছিল তাক জনাবনে?

শ্ৰীমহীতোষ পুৰকায়স্থ (মন্ত্ৰী) : মোৰ ওচৰত কোনো আপত্তি অহা নাই।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : এই ধান বিলাক কিনা সময়ত 'মিদিল মেন'ৰ ব্যৱস্থা উঠোৱাৰ দিহা কৰিব নে?

শ্ৰীমহীতোষ পুৰকায়স্থ (মন্ত্ৰী) : নিয়মমতে প্ৰাইমাৰী মাৰ্কেটিং চচাইটিৰ পৰা কিনিব লাগে আৰু তেওঁলোকৰ চাৰ্ফিচিয়েন নহলে প্ৰাইভেটৰ পৰা লবলগীয়া হয়।

শ্ৰীউপেন্দ্ৰ নাথ সনাতন : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে দয়া কৰি জনাবনে যে চাহ বাগানত যি বিলাক ইমান বেয়া চাউল দিছে সেই বিলাক অসম চৰকাৰৰ গোদামৰ পৰা দিছেনে নাই বাহিৰৰ পৰা দিছে?

শ্ৰী মহীতোষ পুৰকায়স্থ (মন্ত্ৰী) : চাহবাগিচা বিলাকত সাধাৰনতে আমি পেডী

চাপ্লাই কৰো। চাউল তেওঁলোকে বনায় লয়।

শ্ৰীআবুল হোচেইন মীৰঃ অসমৰ চেনট্ৰেল গোডাউনবিলাকৰ যিবিলাক চাউল আছে সেই বিলাক ফেয়াৰ প্ৰাইচ চপ বিলাকে লবলৈ নিবিচাৰে, কিন্তু কিয় লবলৈ নিবিচাৰে সেই কথা মন্ত্ৰী মহোদয়ে জনাবনে ?

মিঃ স্পীকাৰঃ এইটো এটা বেলেগ প্ৰশ্ন।

শ্ৰীমহীতোষ পুৰকায়স্থ (মন্ত্ৰী): এইটো বেলেগে সুধিলেহে উত্তৰ দিব পৰা হব।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড: চাহ বাগানৰ ফেয়াৰ প্ৰাইচ চপ বিলাকত এফ চি আইয়ে যি বিলাক বেয়া চাউল দিছে সেই বিলাক বন্ধ কৰিবলৈ আমাৰ চৰকাৰৰ একো কন্ট্ৰোল নাইনেকি ? অসম চৰকাৰৰ মিল আৰু এফ-চি আইৰ ওপৰত একো কন্ট্ৰোল নাই নেকি ?

শ্ৰীমহীতোষ পুৰকায়স্থ (মন্ত্ৰী): আমাৰ চৰকাৰৰ কনট্ৰোল আছে।

## Re: Pension case of late Dr. Nabiullah

Shri Promode Chandra Gogoi asked:

* 209. Will the Minister in-charge of Health be pleased to state:

(a) Why the pension case and gratuity of late Dr. Nabiullah, Jamuna Road, P. O. Sibsagar, has not yet been finalised by the department in spite and representations from the dependent?

(b) How long it will take to finalise the pension case and to sanction the gratuity?

Shri Chatrasing Teron (Minister, Health) replied:

(a)—The pension case of late Dr. Nabiullah was submitted to the Accountant General, Assam by the Director of Health Services, Assam on 2nd August 1971. But the Accountant General has returned the pension papers for re-submission of the same along with certain particulars/information. The required particulars/information are being obtained from the Civil Surgeon, Darrang.

(b)—Every effort is being made to expedite the case and it is expected that it will be settled shortly.

## Re: Monorail inside the Zoo premises

Sreemati Renuka Devi Barkataki asked:

* 210. Will the Minister in-charge of Forests be pleased to state:

(a) Whether the State Zoo accepted an offer of the N. E. F. Railway for a Monorail inside the Zoo premises ?

(b) If so, when the work is going to start ?

Shri Paramananda Gogoi ( Minister, Forests ) replied :

(a) & (b)—No offer of the N. E. F. Railways for a Monorail inside the Zoo premises was received by the State Zoo and so the question of starting the work does not arise.

Shrimati Renuka Devi Barkotoki - May I know from the Minister whether Government is aware of the fact that on the request of some of voluntary organisation of Gauhati the N. F. Railway agreed to provide a Monorail inside the State zoo for the children and inspite of that the authority failed to give land for which the project failed ?

Shri Parama Nanda Gogoi (Minister) : No Sir. The Hon'ble questioner is mistaken. The offer was for a Mini-rail.

Shrimati Renuka Devi Barkotoki : Whether any action has been taken on the offer ?

Shri Parama Nanda Gogoi (Minister) : Sir, the proposal was made to zoo authority sometime in the middle of 1970. Due to financial stringency we could not take up the project finally.

Shrimati Renuka Devi Barkataki : How long it will take to make final decision ?

Shri Parama Nanda Gogoi (Minister) : When the States financial position will improve.

Shrimati Renuka Devi Barkataki : What is the amount of money involved in the project ?

Shri Parama Nanda Gogoi (Minister) : About 4 lakhs.

## Re : Construction of Dispensary at Makalmua

* 211. Will the Minister in-charge of Health be pleased to state :

Sreemoti Renuka Devi Barkotoki asked :

( a ) Whether it is a fact that a sum of Rs. 42,000 was sanctioned by the Government to construct the Dispensary building at Makalmua in the year 1970 ?

( b ) If so, the reasons as to why the Public Health Centre is still functioning in a rented house at Makalmua.

Shri Chatrasing Teron ( Minister, Health ) replied :

( a )—No.

( b )—The Makalmua Primary Health Centre is functioning in the old building of the Makalmua Dispensary—

Shrimati Renuka Devi Barkotoki : May I know from the Minister what is the present condition of the dispensary building ?

Shri Chatra Sing Teron (Minister) : Sir, it is not up to the mark that a Primary Health Centre requires to be and therefore, we are anxious to construct the buildings of the Primary Health Centre and accordingly we have issued administrative approval to the P.W. D. on 21. 6. 71 for an amount of Rs. 1, 77, 000/ and from the current year's budget, we have provided Rs. 50, 000/- so that the construction can be completed.

Shrimati Renuka Devi Barkotoki : How long it will take to complete the construction work ?

Shri Chatra Sing Teron (Minister) : That I cannot say Sir. The hon'ble questioner may put another question to the Minister, P. W. D.

Shrimati Renuka Devi Barkotoki : P. W. D. Minister is a part of the Cabinet. So, may I know from the Chief Minister why it took so much time for preparation of blue-print and estimate for this project?

Shri Sarat Chandra Sinha (Chief Minister) : That is a new question Sir.

Shri Bijoy Krishna Handique : Sir, whether Shri Bishnu prasad has resigned ? Resignation indicates a positive attitude towards that Organisation with which he has associated.

Shri Sarat Chandra Sinha (Chief Minister) : Sir, the papers are not here; I think, he has resigned.

## Re:—World University Service

Shri Promode Chandra Gogoi-asked :

212—Will the Chief Minister be pleased to state—

(a) whether the Government is aware of the fact that the organisation Under the name of World University Service is financed by the C. I. A. ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

212 ( a ) Government have no information to this effect.

( b ) The following were the office bearers of the 'World University Service" Gauhati during the year 1971—

1. President—Shri Suresh Chandra Rajkhowa, Vice Chancellor,—Gauhati University,—

2. Working President—Shri Anil Ratan Barthakur, Advocate, Gauhati

3. General Secretary—Shri Purnananda Hazarika, Lecturer, Department of Commerce, Gauhati University—

Treasurer—Shri Kailash Chandra Bhattacharjee Treasurer, Gauhati University—

Shri Dulal Chandra Barua : May I know from the Chief Minister whether it is a fact that once an enquiry was instituted by the Gauhati University Executive Council to go in to the working of the organisation and that enquiry committee while submitting their report they mentioned in their findings that this organisation was being financed by the C. I. A and they also pointed out the names of the persons who were involved ? If so, whether Government, Proposeto take any action against those persons ?

Shri Sarat Chandra Sinha ( Chief Minister ) : I am yet to look in to the report and if necessary, action will be taken .

Shri Gaurisankar Bhattacahryya : Who constituted the earliar committees ? This is the latest committee . The committee before this, when shri S. C. Rajkhowa was not the Vice-Chancellor, was constituted of whom ?

Shri Sarat Chandra Sinha ( Chief Minister ) : Sir, from the papers supplied by the Gauhati University it appears that in 1950 the Gauhati University committee of world University service was started and the then principal Hem Borua was the president . Then from 1951-61, late Dr. B K. Barua and then prof ; V.D. Thawani ; 1966-1970, Dr. M. N. Goswami, Vice-Chancellor and 1971- Shri S.C Rajkhowa. The working president was prof ; Anil Ratan Barthakur, from 1964 till date ; General secretary, Shri prafulla Barua- 1950 and Shri Anil Ratan Barthakur till 1957 and Shri Bishnu prasad from 1965-70. Treasurer-Shri K C Bhattacharjee-1964-till date.

Shri Gaurisankar Bhattacharyya : During the period from 1965-70, that is to say, in the period when Shri M. N. Goswami was the president and prof; Anil Ratan Barthakur was the working president and the present Minister of State was the General Secretary, whether in that period there was

instituted a committee of enquiry by the Gauhati University Executive Council and whether that Committee of enquiry found that this world University Service is a C. I. A.—financed organisation ?

Shri Sarat Chandra Sinha ( Chief Minister ) : I have already said that I shall have to look in to the report .

Shri Kandarpa Kumar Das : Will the Chief Minister be pleased to state what is the working of the world University Service ?

Shri Sarat Chandra Sinha ( Chief Minister ) : The World University with its Headquarters in Geneva is an international Non-political service organisation devoted to the cause of welfare of the University Community World University Service works in close cooperation with the UNESCO and the representatives of the W. U. S get the privilege of attending of the UNESCO when matters concerning the welfare of the University Community are taken up. Students and professors all over the world collect through W U. S. funds, books, hospital equipments and such other materials for use of the poor and needy students and teachers. W. U. S. and its welfare activities extends all over the world ever since it was inaugurated after the World War-I Dr. Zakir Hussain the then Vice-Chancellor was the first national Chairman of the India W. U.S. He left the office when he was appointed Governor of Bihar. Prof. N. K. Siddhanta, Vice-Chancellor of the Calcutta University then took over from Dr. Hussain and he was the Chairman of the Indian National Committee of the W. U. S till his death. Dr. C. D. Deshmukh was the Chairman of the Indian National Committee till recently.

Shri Dulal Chandra Khound : Do the government know that in May, 1968 the Minister concerned placed a list of organisation receiving money from the CIA through the Asian Foundation on the table of Lok Sobha ?

Shri Sarat Chandra Sinha (Chief Minister) : Sir, I have no knowledge about it.

Shri Dulal Chandra Barua : Sir, is the government aware that after the enquiry conducted about this by the University during 1965-70, some persons have been made responsible for misappropriation of money, and responsibility had been fixed. On that, will the government be pleased to produce that report before the House ?

Shri Sarat Chandra Sinha (Chief Minister) : Not until I have looked into it.

Smti. Renuka Devi Barkataky : Sir, the Executive Council of the Gauhati University had made an enquiry on this matter and it was found that the World University Service is one of the Organisations financed by the CIA. Is it not ?

Shri Sarat Chandra Sinha (Chief Minister): Rs. 13,750/- was given under Health Scheme.

Shri Gaurishankar Bhattacherjee: Rs, 35,000/- was the price of the ambulance van.

Shri Sarat Chandra Sinha ( Chief Minister ): It is a mutual Asistance scheme; with regard to fund 50% is to be collected locally by the local committees and the 50% is to be paid from the International Organisation.

Shri Bijoy Krishna Handique : Whether Shri Bishnu prasad resigned from the world University Service ?

Shri Sarat Chandra Sinha (Chief Minister) : It seems so Sir, But it is not with me.

Shri Bijoy Krishna Handique : Did he resign ?

Shri Sarat Chandra Sinha (Chief Minister): The papers are not with me now; it seems that he is not on the Committee. He was there previously, when he was the Law student.

Shri Gaurishankar Bhattacherjee : He was there and was allevated to the position of the Vice-President of the All India Organisation after he ceased to be a Law student.

Shri Sarat Chandra Sinha (Chief Minister): That is not.........

Shri Dulal Chandra Khound : Sir, in the magazine 'Link' published from Delhi and also in 'Nilachal' articles have been published analysing and explaining the activities of the world University Service of Gauhati University Unit as an agent of CIA in Assam.

Shri Sarat Chandra Sinha (Chief Minister): Sir, I have already said that we have no information about this.

Shri Dulal Chandra Barua : Sir, may I know from the Chief Minister as to what is the amount of grant received from the world University Service by their Unit at Gauhati University whether any contribution or any amount has been raised by thts local Committee during the period

mentioned by the Chief Minister ?

Shri Sarat Chandra Sinha (Chief Minister) : I will have to collect information about this.

Mr. Speaker—Shri Jagadish Das.

শ্ৰীজগদীশ দাস : অধ্যক্ষ মহোদয়, কালিৰ খবৰ কাগজত এটা খবৰ পঢ়িলো। তেওঁলোকৰ চুক্তি কতৃপক্ষই মানিলোৱাৰ কাৰণে তেওঁলোকে ষ্ট্ৰাইক নকৰে। গতিকে মই সেইটো উঠাই ললো।

## CALLING ATTENTION.

Mr. Speaker—Item No. 2, Shrimati Renuka Devi.

Shrimati Renuka Devi Barkataki: Mr.Speaker, Sir, under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly I beg to call the atttention of the Minister, Relief and Rehabilitation to the news item appearing in the "Assam Tribune" dated the 28th May, 1972, under the caption, "Nearly 10, 000 Bangla Desh Evacuees overstaying in Tangla-Goreswar Area".

Along with this, Sir, I beg to draw the Hon. Minister's attention to the fact that many of these Bangla Desh evacuees are overstaying not only in Tangla-Goreswar area but in other areas of the State as well. Not only are they over-staying, but have already purchased lands and arranged to settle down permanently. So I want to draw the attention of Hon. Minister, Relief and Rehabilitation to this matter also. Shri Syed Ahmed Ali (Minister) Sir, there is a corrigendum. Although the Calling Attention Motion is addressed to the Relief and Rehabilitation Minister in the order papers, it will be replied to by the Chief Minister and not by me. Shri Sarat Chandra Sinha (Chief Minister) Mr. Speaker, Sir, the attention of the Government has been drawn to the news-item appearing in the Assam Tribune of May 28, 1972 under the caption "Nearly 10, 000 Bangladesh Evecuees overstaying in Tangla Goreswar areas."

In the wake of the happenings in erstwhile East Pakistan, traffic, restrictions that existed at the border had to be relaxed and our borders had to be thrown open to a large body of suffering humanity to ensure security of their lives, honour and property. The influx was unprecedented and

within a short time as many as 9, 55, 854 helpless evacuees including 6, 27, 507 in Meghalaya had to be provided shelter and relief. I had mentioned in my Budget Speech on June 5, 1972 that all the camp refugees had completely been repatriated to Bangladesh and out of the total of 66, 265 evacuees who stayed with their friends and relations in Assam 58, 566 evacuees repatriated. A large number of the remaining evacuees have since been repatriated and a relatively small number of such evacuees are yet to go back.

Enquiries made at Goreswar area resulted in detection of 333 Bangladesh nationals upto June 2, 1972 and all were sent back to bangladesh. 506 Bangladesh nationals staying illegally in Mongaldoi Subdivision were detected till June 15, 1972. of them, 67 persons have already been sent back and the remaining 439 persons are under the process of repatriation.

In Starred Question No. 168 put by the Hon'ble Member, the attention was drawn to a news-item under the caption "Refugees bid to encroach Forest land at Lakhimpur" and I replied that no encroachment of the forest land at Lakhimpur district could be found. It was learnt from the district authorities that there was no fresh influx of refugees as reported in the news-item.

Enquiries were also made in Lonka and Hojai areas of Nowgong district but no sizeable number of evacuees staying illegally could be detected.

Some people coming from Bangladesh possessed travel documents issued by the Bangladesh authorities and reported their entry into the States at the Checkposts while others entered through various routes without any travel document.

Strict instructions have been issued to further intensify our vigilance at the border and prevent unauthorised entry from Bangladesh and also to send back those who are found to have entered the State without travel documents.

Shri Dulal Chandra Barua : Since the Chief Minister is speaking from the brief supplied to him by the Government officers, may I ask him whether it is not a fact some Police personnel in different thanas in collaboration with some others having their base in Shillong convey all

the official information to those persons, I mean these unauthorised Persons taking advantage of which avoid detection ?

Shri Sarat Chandra Sinha (Chief Minister)-Sir, that is not correct.

## GOVERNMENT BILL

Mr. Speaker, Now item no 3 of the Agenda. Mr. Gogoi.

Shri Paramananda Gogoi (Minister; Revenue): Mr. Speaker, Sir, I beg to move that the Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 1972 be taken into consideration.

Mr. Speaker I have got a Message from the Governor :

Message

RAJ BHAVAN
Shillong
June 3rd, 1972.

I recommend under the provision of Article 207 (3) of the Constitution of india, the consideration of the Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 1972 by the Assam Legislative Assembly.

Sd/-B. K. Nehru
Governor of Assam

* শ্ৰীগৌৰী শঙ্কৰ ভট্টাচাৰ্য্য : মাননীয় অধ্যক্ষ মহোদয় আমাৰ দেশৰ ভূ-সামীত্ব সমীকৰণৰ বিষয়ে কৰা আইন এইয়ে প্ৰথম নহয়। ১৯৫৬ চনতো এনেকুৱা এখন আইন এই সদনত পাচ কৰিছে। যি আইনৰ নামাকৰন হৈছে 'আসাম এক্ট, ওৱান, ১৯৫৬। তাৰ পিছৰ বছৰতেই ১৯৫৭ চনত এই আইনৰ সংশোধিত হয়। তাৰ পাছত আকৌ এবাৰ ১৯৬3 চনত সংশোধিত হয়। ইয়াৰ পিচত আকৌ এবাৰ ১৯৭০ চমত সংশোধন ৰুৰা হয়। আৰু বৰ্ত্তমান এইখন আহিছে চতুৰ্থ সংশোধনী হিচাবে। গতিকে দেখা যায় যে ভূ-স্বামীত্ব সমীকৰণ কৰাৰ বিষয়ে আজি কেৱল এই সদনত বা আমাৰ দেশ ব.সীয়ে চিন্তা কৰা নাই। যি দিনাৰে পৰা কংগ্ৰেছৰ লেণ্ড ৰিফৰ্ম :পেনাল হৈছিল, ১৯৪৮ চনত, সেই দিনাৰে পৰা এইটো চলি আহিছে। এই প্ৰসংগত মই মোৰ সীমিত বিদ্যা বুদ্ধি আৰু জ্ঞানৰ ভিতৰেদি মই যিখিনি বুজিব পাৰিব বা ধৰিব পাৰিছো, সেই সম্পৰ্কে মই মাত্ৰ দু-আষাৰমান উত্থাপন কৰিব খুজিছো।

* Speech not Corrected

উপাধ্যক্ষ মহোদয়, এটা কথা আমি প্ৰথমতেই জানি লোৱা দৰকাৰ আৰু বুজি লোৱা দৰকাৰ যে, ভূ-স্বামীত্ব সমীকৰণ সমাজতন্ত্ৰ নহয়। ই পুঁজিবাদী গনতন্ত্ৰৰ যি কাৰ্য্য ক্ৰম তাৰেই অংশ বিশেষ। ইতিহাসৰ গতি কোনেও ৰোধ কৰিব নোৱাৰে। কিন্তু সংগঠিত মানুহে সেই ইতিহাসৰ গতি ক্ষিপ্ৰতাৰে সহজ কৰিব পাৰে নাইবা তাৰ মন্থৰতাৰ কোনো কোনো সময়ত স্থবিৰ কৰিব পাৰে সাময়িক ভাবে।

মানৱ সমাজৰ ইতিহাসৰ উৎপাদন ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন ৰকমৰ শাসনতন্ত্ৰ প্ৰতিষ্ঠিত হয় আৰু বিভিন্ন ৰকমৰ শাসন তন্ত্ৰত বিভিন্ন ৰকমৰ শ্ৰেণীয়ে আধিপত্য কৰে। এই মানৱ ইতিহাসৰ এটা স্তৰ আছিল যেতিয়া দাস প্ৰথা চলিছিল আৰু তাৰ পিচৰ স্তৰত আহি পৰিল সামন্তবাদী প্ৰথা। তেতিয়া মানুহ বিলাকক ব্যক্তিগত ভাবে কামত সুমুৱাই লোৱা হল, কিন্তু অৰ্থনৈতিক ভাবে তেওঁলোকক এনে ভাবে মাটিৰ লগত সাঙ্গুৰী বান্ধি ৰখা হল যে তেওঁলোক কাৰ্য্যত: যি সকল ভূ স্বামী সেই সকলৰ ভূমি দাসত পৰিণত হল। এই যে সামন্তবাদী প্ৰথা এই সামন্তবাদী প্ৰথাকেই বৃটিছ সাম্ৰাজ্যবাদৰ দাসে সমৰ্থন জনাইছিল আৰু ভাৰতৰ যি সকল সামন্তবাদী সেই সকলৰ কিছুমানক তেওঁলোকে চিৰস্থায়ী বন্দবস্তীও দিছিল। আমাৰ অসমৰ দুখন জিলাত এই চিৰস্থায়ী বন্দবস্তীৰ ভিতৰত পৰিছিল এখন হৈছে গোৱালপাৰা আৰু এখন চিলেট। যেতিয়া চিলেটৰ পাঁচখন মহকুমাৰ ভিতৰত চাৰিখন পাকিস্থানী হৈ গল তেতিয়াও কৰিমগঞ্জ অসমতে থাকি গল আৰু কৰিমগঞ্জত সেইকাৰনে সামন্তবাদী ভূ-স্বামীত্ব থাকিল আৰু গোৱালপাৰাতো থাকিল। আমাৰ এই সদনতে জমীদাৰীপ্ৰথা অধিগ্ৰহণ আইন পাচ কৰি গোৱালপাৰা আৰু কৰিমগঞ্জত জমীদাৰী প্ৰথা চৰকাৰে লৈ ললে। কিন্তু জমিদাৰৰ শোষণ বা সামন্তবাদীৰ অত্যাচাৰৰ ওৰ নপৰিল, কাৰণ ভাৰতবৰ্ষ যি সময়ত স্বাধীন হয় সেই সময়ত সামন্তবাদী আৰু পুঁজিবাদী দুয়োটা শ্ৰেণীয়ে যুটীয়া ভাবে নতুনকৈ স্বাধীন হোৱা ভাৰতবৰ্ষৰ ওপৰত তেওঁলোকৰ আধিপত্য ৰক্ষা কৰিছে আৰু এই দুয়োটা শ্ৰেণীৰ ভিতৰত পাৰস্পৰিক প্ৰতিযোগীতাও চলিছিল যে কোনে নেতৃত্ব দিব পাৰে' নতুনকৈ গঢ়ি উঠা ভাৰত ৰাষ্ট্ৰ ক্ৰমে ক্ৰমে যিমানেই দিন গৈছে সিমানেই ভাৰতবৰ্ষত পুঁজিবাদীৰ শক্তি বৃধি হৈ গৈছে আৰু সাম্ৰাজ্যবাদী শক্তি বিলাক সংকোচিত হৈ গৈছে। এই যে ভূ-স্বামীত্ব সীমিতকৰণ যি সকল সাম্ৰাজ্যবাদী ভূ-স্বামী ক্ৰমে ক্ৰমে তেওঁলোক সংকোচিত হৈ গৈছে আৰু পুঁজিবাদীৰ যিটো শ্ৰেণী সেইটো যে বৃদ্ধি হৈ গৈছে তাৰেই অন্যতম নিদৰ্শন।

গতিকে যদি কোনোবাই এক মূহূৰ্তৰ কাৰণেও অনুভৱ কৰে যে এই ভূমি সীমিত্ত কৰণৰ পৰা সমাজ তান্ত্ৰিকতা প্ৰতিষ্ঠা হ'ব, কিন্তু যদিও ই এটা সমাজবাদী প্ৰগ্ৰেস নহয় তথাপি সমাজতন্ত্ৰ গঢ়ি তোলাৰ কাৰণে যি যাত্ৰা কৰিব লাগিব সেই যাত্ৰাৰ যিটো পুঁজিবাদী গনতান্ত্ৰিক বিপ্লব সেই বিপ্লবৰ যিবিলাক কাম বা কৰ্ত্তব্য সেই খিনি সম্পুৰ্ণ ৰূপে সমাধান কৰি চাব লাগিব। সেই খিনি অতিক্ৰম কৰিলেহে সমাজতন্ত্ৰ গঠণ কৰা সম্ভৱপৰ।

সেই কাৰণে এটা সীমা ৰেখা আহি পৰে, যি সীমা ৰেখাৰে ধনতান্ত্ৰিকতাৰ পৰা সমাজতান্ত্ৰিকতা উত্তৰণ কৰাৰ ভিত্তি হয়। এই সীমাৰেখা হবলৈ হ'লে জমি অৰ্থাত ভূমি জাতিয়কৰণ কৰাৰ প্ৰয়োজন হয়। যেতিয়া ভূমিৰ ওপৰত কোনো ৰকমৰ ব্যক্তিগত মালিকানা নাথাকিব, যেতিয়া সম্পত্তিৰ ওপৰত, ভূমিৰ ওপৰত জাতীয়-কৰণৰ নীতি অবলম্বন কৰা হব তেতিয়াহে ধনতান্ত্ৰিক, গনতান্ত্ৰিক বিপ্লবৰ শেষ স্তৰ হব আৰু সমাজতন্ত্ৰলৈ উত্তৰণ হোৱাৰ প্ৰথম পদক্ষেপ হব যদিও এতিয়াও সেই স্তৰ পাবলৈ বহু বাকী আছে। আমি কেতিয়াও ভাবিব নোৱাৰো যে ভাৰতত বৰ্ত্তমান যিটো পুজীবাদী শ্ৰেণী সেই শ্ৰেণীটোৰ আধিপত্য যেতিয়া চলিয়েই আছে সেই পুজীবাদী শ্ৰেণীটোৱে সমাজ তন্ত্ৰ তৈয়াৰ কৰিব বা ভাৰতবৰ্ষ সমাজতন্ত্ৰৰ পথত আগবাঢ়িব। তেনে অৱস্থাত আমি কেনেকৈ বুজিম যে পুজীবাদী শ্ৰেণীটোৱে এই ধৰণেৰে সংস্কাৰ মূলক ব্যৱস্থা বিলাক হাতত লৈছে? কেৱল এই একেটা বিষয়তে ই নহয় অনেক বেংক জাতীয়কৰণৰ ক্ষেত্ৰতো এই পুজীবাদী বা ধনতান্ত্ৰিক শ্ৰেণীটোৱেই এটা গোটেই নহয়, তাৰ ভিতৰতো নানা ৰকমৰ স্তৰ আছে আৰু নানা ৰকমৰ ভাগ আছে, বৃহত পুজীপতি আছে, মজলীয়া পুজীপতি আছে আৰু সৰু পুজীপতি আছে। অকল এয়াই নহয়, তেওঁলোকৰ মাজতো নানা অন্তৰ্দন্দ আছেই। আমি যিসময়ত বৈজ্ঞানিক সমাজতন্ত্ৰক বিশ্বাস কৰো সেই সময়ত পুজীপতি সকলৰ ভিতৰত অন্তৰ্দন্দ চলি থাকে। সেই সম্পৰ্কে আমি আওকান কৰিব নোৱাৰো, সেই কাৰণে এই ধৰণৰ কিছুমান সংস্কাৰমূলক অৱস্থা আছে যিবিলাকক আজি আমি বাস্তৱ দৃষ্টি-ভঙ্গীৰে চোৱাৰ আৱশ্যক হৈ পৰে আৰু কোনো কোনো ক্ষেত্ৰত আমি সেই ব্যৱস্থাক স্বাগত কৰাবো দৰকাৰ হৈ পৰিছে। সেই অৰ্থে ভূমি সীমিত কৰাৰ আইনৰ যিখন পাণ্ডুলিপি উত্থাপন কৰা হৈছে তাক আমি সমৰ্থন জনাইছো আৰু স্বাগত জনাইছো; কিন্তু আমি এই কথা কোৱা নাই যে ভূমি সীমিত কৰণ কৰিয়েই আমাৰ সমস্যা সমাধান কৰিব পৰা যাব।

এতিয়া আমি চাব পাৰোযে ভূমি সীমিত কৰাৰ কাৰণে যি প্ৰস্তাৱ আগবঢ়োৱা হৈছে কিন্তু যিহেতুকে ইয়াৰ দ্বাৰা একেবাৰেই সমাধান নহয় সেই কাৰণে আমি কেনেকৈ ইয়াৰ পৰবৰ্ত্তী স্তৰলৈ যাম ? গতিকে এই আইন খন কি ভাবে বিবেচনা কৰিব পৰা যাব সেই সম্পৰ্কে বৰ্ত্তমান অৱস্থাত বহুতো আলোচনা আৰু গৱেষণা চলাইছে। বৰ্ত্তমান ভাৰত চৰকাৰ, এই ভাৰত চৰকাৰে ১৯৭১ চনত যি এটা বিৰাট গন সমৰ্থন লাভ কৰিলে যাক কোৱা হয় মেচিভ মেনদেৰ্দ ইন পাৰ্লিয়া-মেণ্টেৰী ইলেকশ্যন। তাৰ পিচত তেওঁলোকে একেদিনাই ভূমি সংস্কাৰত মনোযোগ দিব লগীয়া হল, কাৰণ তেওঁলোকে দেখিলে যে দেশত ৰাজনৈতিক চেতনা আগতকৈ কিছু বাঢ়িছে। শাসক গোষ্ঠীৰ যি দুটা ভাগ সেই দুটা ভাগে দেশ খনক কেনেকৈ শাসন কৰিব তাৰ কৌশল আৰ্বিভাব কৰাত অৰিয়া অৰি লগালে. তেতিয়া এটা ভাগে যিটোক ডাইৰেক্ট হাৰ্ড বুলি কব পৰা যায় বা গোড়া সংৰক্ষণশীল বুলি কব পৰা যায়। সেইটো বৰ্ত্তমানৰ মনোভাবৰ লগত গঢ়ি উঠিব খুজিছে যাতে জনসাধাৰনৰ মাজত যি জোৱাৰৰ ঢৌ উঠিছে সেই ঢৌ নিষ্পেষণ যন্ত্ৰৰ দ্বাৰা নিঃচিহ্ন কৰিব পৰা যায়। তাৰ লগে লগে গণ সংগ্ৰামৰ লগত যাতে কোনো ৰকমৰ বুজাপৰা হব নোৱাৰে নাইবা আপোচ মিমাংসা হব নোৱাৰে আৰু শাসন যন্ত্ৰটো যাতে ষ্টীমুলাৰৰ দৰে চলাব পৰা হয় তাৰ চিন্তা কৰিব লগা হল। যিটো সময়ত এই অৱস্থা সৃষ্টি হৈছিল, সেইটো আজি কালি কথা ভাষাত কোৱা হয় কঙ্গো। সেই কাৰণে আমি অৱস্থা বুজি কৌশলৰ কথা ভাবিব লাগিব। যেনেকৈ বৰশী বাওঁত পুথিমাছক তুলিবলৈ চিটিকৃকৈ মাৰি পঠিয়ায়—ৰৌ মছক তেনেকৈ নুতুলে বা তুলিব নোৱাৰে—নানা বুদ্ধি খটুৱাইহে তুলা হয়, ঠিক তেনেকৈ এতিয়া যিটো আহিব ধৰিছে গণ আন্দোলন, গণ—চেতনা, গণ—সংগ্ৰামৰ খেল, তাৰ লগত খোজত খোজ মিলাই খেলা খেলিব লাগিব আমি সময়ে সময়ে তেওঁলোকৰ লগত হাত মিলাব লাগিব, সময় বুজি তেওঁলোকৰ লগত মিচিকীয়া হাঁহি মাৰিব লাগিব, কেতিয়াবা আপোনাৰ এই বছৰ লাভ আছে বুলি আশীৰ্বাদ দিব লাগিব, কৰবাত তেওঁলোককেই লগত লৈ কামত আগবাঢ়িব লাগিব ঠিক তেনেকৈ কিছুমান কৌশলৰ খেলা খেলিব লাগিব—যিটো খেলাক কোৱা হয় কঙ্গী। কঙ্গো আৰু কঙ্গীৰ যিটো সামান্য পাৰ্থক্য সেইটো গণ-আন্দোলন আৰু গণ-চেতনাৰ লগত মোকাবিলা কৰিবলৈ যিটো কৌশলৰ আৱশ্যক সেইখিনিহে মাত্ৰ। কিন্তু সেইখিনিতে দুটা প্ৰাৰ্থক্যৰ শাখা আছে। এটা হ'ল পুজিবাদী

শাখা আৰু আনটো হ'ল সাম্ৰাজ্যবাদী শাখা আৰু কঙ্গো আৰু কঙ্গী এই দুটা হল পুঁজিবাদীৰ শাখা। এই পুঁজিবাদী শাখাই যেতিয়া কিছুমান সংস্কাৰ-মূলক অৱস্থালৈ আহে তেতিয়া তেওঁলোকে কয়, যি পুখুৰীৰ পানীও নাখাওঁ আৰু তাৰ পাৰলৈকো নাযাওঁ। ঠিক তেনেকৈ যি সকলে এতিয়া সংস্কাৰৰ কথা-কৈছে—সেইটো মাথো এটা ছায়া-বাজী আৰু ধাপ্পা-বাজী আৰু ভুৱা কথা। গতিকে এই সংস্কাৰৰ দ্বাৰা যে জনসাধাৰণক কিছু সকাহ দিব পাৰিব — সেইটো মই নাভাবো আৰু জনসাধাৰণ অলপমান সকাহ পোৱাৰ ব্যৱস্থা থকা হলেও আমি সমৰ্থন জনাব পাৰিলোহেঁতেন। এই কঙ্গো সম্পৰ্কীয় সিংহ বাহিনীয়ে কোনো ৰকমেই সমাজতন্ত্ৰৰ ওচৰলৈ যাব নোৱাৰে। আমাৰ জনসাধাৰণক এতিয়ালৈকে সকাহ দিব পৰা কোনো ৰকমৰ ইতিবাচক দৃষ্টি-ভঙ্গী আমি দেখিবলৈ পোৱা নাই। এতিয়া লেণ্ড ৰিফৰ্মৰ কাৰণে যিটো কমিটি তৈয়াৰ কৰিছে সেই কমিটিত এই সম্পৰ্কীয় কিছু কথাৰ আভাস দিছে—সেইটো অলপ কৌতুকৰ বিষয়। প্ৰতিক্ৰিয়াশীল মুখপাত্ৰই ১৯৫৬ চনত ভূমি সংস্কাৰৰ প্ৰস্তাৱত দুৰন্ত প্ৰতিবাদ কৰিছিল—এয়ে হল টাইমচ্ অৱ ইণ্ডিয়াৰ ঐতিহ্য। মোৰ মনত আছে যে—১৯৩৮ চনত অসমত যেতিয়া কংগ্ৰেছৰ কোৱালিচন মন্ত্ৰীসভা গঠন হৈছিল তেতিয়া শ্ৰমিক শ্ৰেণীয়ে ধৰ্ম্মঘত কৰিছিল আৰু তেতিয়া আমাৰ মন্ত্ৰীসভাই অলপ মৰমৰ চকুৰে চাইছিল আৰু তেতিয়া সেই ষ্টেট্‌মেণ্টে অসম চৰকাৰক প্ৰিডিটেৰী জুন্টা বুলি আখ্যা দিছিল। অৰ্থাৎ অত্যাচাৰী দলৰ প্ৰতিনিধি হিচাবে অভিহিত কৰিছিল। আচৰিত কথা এইবাৰৰ এই ষ্টেট্‌মেণ্টৰ সুৰ বদলিছে এই ১৯৭২ চনত। তেওঁলোকে এতিয়া কৈছে যে লেণ্ড ৰিফৰ্মচ্‌টোৱে ডিষ্ট্ৰিবিউট জাষ্টিচ্ পাব। সৰহীয়া পুঁজিবাদীৰ যিটো মুখপাত্ৰই এতিয়া ভূমি সীমিত কৰণৰ যি ব্যৱস্থা সেই ব্যৱস্থাত দেখিবলৈ পাইছে ডিষ্ট্ৰিবিউট জাষ্টিচ্। এই ডিষ্ট্ৰিবিউট জাষ্টিচ্ সম্পৰ্কে চেট্ৰেলে যিটো লেণ্ড ৰিফৰ্মচ্ কমিটি কৰি দিছে, তাৰ ৰিপৰ্টত কিছুমান কথা আছে। তাৰ প্ৰথম কথা হল তেওঁলোকে ধৰিছে যে আমাৰ খেতিয়কৰ মাটিৰ যিটো চিলিং আইন—সেইটো আগতকৈ সীমিত কৰাৰ দৰকাৰ। কাৰণ হিচাব কৰি তেওঁলোকে কৈছে এব্‌চলিউট্ পাৰ্মেনেণ্ট্ চৰ্টেজ, অৰ্থাৎ খেতিৰ মাটিৰ যিটো চিলিং সেইটো কমিব। যিহেতুকে বেলুন বা ফুটবলৰ ব্লাডাৰত পাম্প দি বঢ়োৱাৰ দৰে খেতিৰ মাটি বঢ়াব নোৱাৰে— খেতিৰ মাটি সদায় সীমিত। আমাৰ ইয়াত বহুত মাটি নাই আৰু বহুতো অনাবাদী মাটি পৰি থকা নাই যে সেইবিলাকক যেতিয়াই তেতিয়াই নাঙলৰ তলৈ আনিব পাৰো। আৰু যাতে সৰহ সংখ্যক

মানুহক ন্যায়িক ভাবে বিলাই দিব পাৰি। কিন্তু এই মুখপাত্ৰত কৈছে যে—
The compelling case for a land ceiling which is a more of land rationing is obviously derived from this permanent shortage. The case of rationing other asset like industrial or urban country is most compelling.

স্বাভাবিক কথা যে পুজিবাদী শ্ৰেণী সেইটোৰ বাহিৰত। কাৰণ তেওঁলোকৰ যত সম্পতি আছে বা শিল্পোদ্যোগ আছে— সেইবিলাক সম্পতিত তেওঁলোকে চিলিং আইন কৰাৰ পক্ষপাতি নহয়। তাৰ পাছত কোৱা হৈছে— Ceilings are not on income but on land.

যদি সচাকৈ সমাজতন্ত্ৰৰ মূল ভেটি বা পদক্ষেপ কৰিব লগা হয় তেনেহলে কোনো ৰকমেই বৈষম্য থকা উচিত নহয়। যদি চহৰৰ এজন মানুহৰ বা এটা পৰিয়ালৰ চাৰি হেজাৰ পাঁচ হেজাৰ টকা আয় কৰাৰ পাছতো তেওঁলোকে আয় কৰ দিব নালাগে। তেনেস্থলত ৩০০ টকা আয় কৰা কৃষকৰ আয়ৰ পৰা তেওঁলোকৰ মাটি কাঢ়ি আনি বা কৰ আদায় কৰা বৈষম্য আমি দেখিবলৈ পাইছো।

কেন্দ্ৰীয় চৰকাৰৰ ভূমি সংস্কাৰ কমিটিয়ে চুপাৰিশ কৰিছে যে ৫ জনীয়া বা ৭জনীয়া এটা পৰিয়ালৰ কাৰণে চৰকাৰী বা বে-চৰকাৰী ভাৱে জলসিঞ্চন আচনিৰ দ্বাৰা উন্নত কৰাই হওক বা মূল্যবান মাটিৰ সৰ্ব্বোচ্চ পৰিমানৰ ১০ একৰৰ পৰা ১৮ একৰলৈকে হব লাগে। কিন্তু যি বিলাক অনুৰ্ব্বৰ মাটি বা যি বিলাকত জলসিঞ্চনৰ কোনো ব্যৱস্থা নাই তাত ১০ ৰ পৰা ৫০ একৰলৈকে হব পাৰে। কিন্তু আমাৰ চৰকাৰে যি জলসিঞ্চনৰ ব্যৱস্থা কৰিছে সি এপাচি কচু শাকত এটা জালুকৰ গুৰিৰ সমানো নহয়। ইয়াত এনে কিছুমান অনুৰ্ব্বৰ অঞ্চল যিবিলাক পৰ্ব্বত-পাহাৰৰ পাদভূমিত আৰু যত আমাৰ জনজাতীয় লোক সকলে বাস কৰে তাক আমি ট্ৰাইবেলবেল্ট আৰু ট্ৰাইবেল ব্লকত ভাগ কৰি থৈছো যত আমাৰ মাননীয় বন্ধু এগৰাকীয়ে কোৱাৰ দৰে আমাৰ খেতিকৰাৰ ওস্তাদ লোক সকল যি সকলে আগতীয়াকৈয়ে আহি আহু মৰাপাট আদি খেতি কৰে বা কৰিব পাৰে-তেওঁলোকে তাত প্ৰবেশ কৰিব পৰা নাই। এতিয়া কথা হৈছে যি বিলাক মাটিত আগতীয়াকৈ খেতি কৰাৰ কাৰণে বছৰত তিনিটা পৰ্য্যন্ত খেতি কৰিব পৰা হৈছিল সেই বিলাক ঠাইত উদাহৰণ স্বৰূপে ধেমাজীৰ কথাকে কওঁ যে, তেনেকুৱা দুখন ঠাই একেলগে কৰিলে সেইটো জানো ন্যায় বিচাৰ কৰা হব ? গতিকে এইটোও চাবলগীয়া কথা।

দ্বিতীয় কথা হৈছে, আমাৰ পৰিয়ালৰ সামাজিক জীৱনক বাদ দি আমি কোনো অৰ্থ নৈতিক বিকাশৰ কথা ভাবিব নোৱাৰো। কিছুমান মানুহে কেইবা পুৰুষৰ আগতেই ট্ৰাইবেল চৰিত্ৰ এৰি দিলে। আমি ট্ৰাইবেল চৰিত্ৰৰ পৰা আহি পাৰিবাৰিক আৰু তাৰ পিছত এতিয়া ব্যক্তিকেন্দ্ৰী জীৱনত ভৰি দিছোহি। তৰোপৰি আজি এনেকুৱা পৰ্য্যায়ত পৰিছেহি যে ৰাজস্থান আদি সংৰক্ষণশীল ঠাইত মাটি ৰাখিবৰ কাৰণে ডাইভৰ্চ হোৱা বুলি কৈ ৰাতিপুৱা পাচ বজাৰ পৰা গিৰিয়েক আৰু ঘৈণীয়েক ছুঠাইত থাকেহি। তথাপিও সম্পত্তি লাগে। এতিয়া আমাৰ ট্ৰাইবেল অধ্যুষিত অঞ্চল বিলাকত মানুহ চাঙত থাকে একান্নভোজী হৈ থকা এই লোকসকলৰ প্ৰায় ১০০ বা ওপৰ লোক একেখন চাঙতে থাকে। ধেমাজীতো দেখা যায় যে একান্নভোজী এটা পৰিয়ালতে জনসংখ্যা ১০০ জনতকৈও বেছি। এইধৰণেই তেওঁলোকৰ এটা বিশেষ ধৰণৰ জীৱন আছে। এইটো সম্পূৰ্ণৰূপে আওকাণ কাৰণে থিক হবনে? গতিকে এই প্ৰসঙ্গত এটা বিশেষ প্ৰশ্ন আছে। বিহাৰৰ এটা খবৰ আছে যে তাত যি চিলিং কৰা হৈছে তাত ৬ হেক্টৰৰ পৰা ১৮ হেক্টৰ কৰিছে। তাত ডাঙৰ ডাঙৰ পৰিয়াল বিলাকক অনুমতি দিয়া হৈছে। আমাৰ হলে তেনেকুৱা কোনো প্ৰভিজন কৰা হোৱা নাইকীয়া। গতিকে এই বিষয়ে কিবা এটা ব্যৱস্থা গ্ৰহণ নকৰিলে কি হব সেইটো এটা ভাবিব-লগীয়া কথা। তাৰ পিছত সেই লোকসকলৰ অন্যান্য মানুহৰ দৰে কোনো বদমাচি নাই। তেওঁলোকে জাল, জুৱাচুৰি আদি ভাগ নেপায়। এই বিলাক কাৰণতেই তেওঁলোকে বংশানুক্ৰমে যি বিলাক মাটিত খেতি বাতি আদি কৰি আছে, সেই মাটিবিলাকৰ কোনো পট্টা আদি পোৱা নাইকীয়া। এই বিলাক সম্পৰ্ক যদি কোনো চিন্তা আদি কৰা নহয় তেতিয়াহলে, ভবিষ্যতৰ সমাজ-গাঠনিত এটা ধাক্কা লাগিব পাৰে যাৰ ফলত আজি যিধৰ আইন আনিছে সেইধনো কাৰ্যকৰী কৰাত বিফলতা আনিব পাৰে। গতিকে এই বিষয়ে আমাৰ মাননীয় সদস্য সকলে অলপ চিন্তা কৰি চোৱা নিশ্চয় আৱশ্যক হব। তৰোপৰি আমাৰ যিবিলাক বাগিচাৰ এলেকা আছে সেই বিলাকত যদি আমি আলটিয়া মাটিবিলাকত গ্ৰহণ কৰা পদ্ধতি বিলাক গ্ৰহণ কৰো তেতিয়াহলে আমি সেই ব্যৱস্থা বোৰ কাৰ্যকৰী কৰোতে কিছুমান বাস্তৱ অসুবিধাও আহিব পাৰে। গতিকেই এই কথাবিলাকো চিন্তা কৰা দৰকাৰ। কিয়নো কেন্দ্ৰীয় ভূমি সংস্কাৰ কমিটিয়েও কৈছে—

There must be justice between one land holder and another-good land and bad land, dry land and wet land must be measurable by an accepted income yardstick Different kinds of lands are subjected to different ceiling limit and they all yield approximately the same income. The ceiling is only on land and not on farm income. There is no legal or other limit to what a farmer can derive from land if he chooses best techniques available, nor is there any ceiling on non-agricultural income of farmers.

গতিকেই এই কমিটিৰ যিবিলাক পৰামৰ্শ সেইবিলাক আওকান কৰিলেও বৰ সুবিধাজনক নহব। এই হিচাবে তেঁখেত সকলে কথাটো কৈছে যদিও এনে-কিছুমান লোক আছে যি সকলে এইবুলিও প্ৰতীয়মান কৰিবলৈ চেষ্টা কৰিব পাৰে যে এই আইন কৰাৰ কোনো প্ৰয়োজন নাই কাৰণ তাৰ দ্বাৰা আমাৰ হল্ডিং বিলাক সৰু সৰু হব। আজি আমাৰ সেউজীয়া বিপ্লৱ এই কাৰণেই সম্ভৱপৰ হৈছে যে তাৰ দ্বাৰা আমি ডাঙৰ ডাঙৰ ফাৰ্ম্ম আদি কৰিব পাৰিছো, তাত আমি উন্নত ধৰণৰ বীজ, সাৰ, বা উন্নত ধৰণৰ সা-সৰঞ্জাম আদি ব্যৱহাৰ কৰিব পাৰিছো। গতিকেই আমি ডিষ্ট্ৰিবিউটিভ জাষ্টিচলৈ যোৱাটো উচিত নহব। এই গতিকেই মই নিবেদন কৰিব খোজো যে আমাৰ স্বীকৃত যি বিলাক সৰু সৰু খেত আছে সেই বিলাক যি কাৰণেই নহওক কিয়, লাভজনক নহয়। আৰু এই সদনতে সেই কথা বিবেচনা কৰা হৈছিল। এই সদনতে এখন আইন পাচ কৰিছিল। সেইখন আছিল কনচলিডেচন অফ লেণ্ড হলডিং এক্ট। এই আইনখন কাগজতে থাকিল। বহুতে হয়তো পাহৰিয়েই গৈছে যে আমাৰ সদনে এনেকুৱা এখন আইন পাচ কৰিছিল। কিন্তু এই এক্টখনে আমাক কি দিলে? কতো কাৰ্য্যকৰী কৰিব পৰা নহল। ইয়াৰ কাৰণ হৈছে ইয়াৰ মানুহ বিলাক স্বভাৱতে একোজিটিভ স্বভাৱৰ। অৰ্থাৎ মাটি নিজে ৰাখিব খোজে। আৰু কো-অপাৰেটিভ বা পুজিবাদৰ সৃষ্টি হৈছে এই গাওঁ অঞ্চলতে। সৰু সৰু মাটি বিলাক হলডিং কৰি অলপ অলপ পুজি সঞ্চয় কৰি তেনেকৈয়ে পুজিবাদৰ সৃষ্টি হৈছে। সেই বাবে আমি একগোট কৰি হলেও, অৰ্থনৈতিক ভাৱে উন্নতি কৰিবলৈ সম্ভৱনা থাকিলেও কোনো খেতিয়কে এই কামলৈ আগ-বাঢ়িব নোখোজে। এই আগবাঢ়িব নোখোজাৰ কাৰণ মই ভাবো আমাৰ দুটা পথ। তাৰে এটা হৈছে, এ পি চি চিৰ ৰিজলুচন মতে কোনো মানুহকে মাটি নিদি কৰপৰেচন কৰা হব। আৰু মাটি হব ষ্টেটৰ আৰু খেতিয়ক সকলে তাত কাম কৰিব। এই খেতিয়ক সকলে তাত কাম কৰিব তেওঁলোকক

মজদুৰেই কওক বা খেতিয়কেই কওক বা শ্ৰমিকেই কওক যি বুলিয়েই নকওক তেওঁলোকে ভাত কাম কৰিব আৰু তেওঁলোকে তেওঁলোকৰ শ্ৰমৰ কাৰণে বানচ পাব।

দ্বিতীয়টো, লেনিনে যিটো এগ্ৰেৰিয়ান পন্থা দিছিল সেই মতেই হব। এই প্ৰগ্ৰাম সমাজ তান্ত্ৰীক বিপ্লৱৰ পিচৰ। অৰ্থাৎ অক্টোবৰ বিপ্লৱৰ পিছৰ নহয়। অৰ্থাৎ ১৯১৭ চনৰ ৰাচিয়ান বিপ্লৱৰ পিচৰ নহয়। এইটো তাৰো আগৰ। ১৯০৫ আৰু ১৯০৭ চনৰ যিটো বুৰ্জোৱা দেমক্ৰেটিক ৰিভলেচন। যত এগ্ৰিকালচাৰেল প্ৰগ্ৰাম সম্পৰ্কে কেইটামান কাম নিৰ্দ্দিষ্ট কৰি দিছিল। তাৰ ভিতৰত প্ৰথমটো হ'ল immediate confiscation of the landed estates and nationalisation of all lands. ইয়াত মই "অল লেণ্ড" এই কথাৰ ওপৰত জোৰ দিছো। কেৱল খেতিৰ মাটিয়েই নহয় সকলো মাটি জাতীয় কৰণ কৰা আৰু প্ৰদিভচ কৰাটোয়েই হল প্ৰথম কথা। সকলোৱেই জানে যে যি কোনো উৎপাদনৰ কাৰণেই পুজিবাদেই হওক বা অৰ্থনীতিয়েই হওঁক এই চাৰিটাই উৎপাদনৰ প্ৰথম আহিলা। সেইকেইটা হৈছে লেণ্ড অৰ্থাৎ ভূমি, লেবাৰ অৰ্থাৎ শ্ৰম, কেপিটেল অৰ্থাৎ পুজি আৰু অৰ্গেনাইজেচন অৰ্থাৎ পৰিচালনাৰ কৌশল। এইখিনি লগ লগালেই উৎপাদন কৰিব পাৰি। এই উৎপাদনৰ আহিলা লেণ্ড এইটো জাতীয় শক্তি বুলি কোৱাটোৱেই হৈছিল প্ৰথম শ্লোগান। এই সকলে ঠিক কৰি মাটি নেচনেলাইজ কৰা হল কিন্তু মাটি চাহ কৰিব কোনে? তাত লেনিনে ডিক্ৰী অন লেণ্ডত এই কথা কৈছিল। The landed proprietorship is abolished forthwith without any compensation এইটো এবলিচ কৰাৰ পাচত কি হব—

The landed estates as also crown, monstary and church land with all their livestock, implements, buildings and everything pertaining thereto shall be placed at the disposal of the volost land committees and the uyexd Soviets of peasants' Deputies pending the convocationof the Constituent Assembly..

তাৰ পাচত যি বিলাক সম্পত্তি বাজেয়াপ্ত কৰি ৰাষ্ট্ৰীয় কৰণ কৰা হল সেই বিলাক জনসাধাৰণৰ হব। আৰু সেই বিলাক দখল কৰিব যি সকলে খেতি কৰে। এতিয়া প্ৰশ্ন হল তেতিয়াহলে তাৰ উৎপাদন কমিব। সৰু সৰু ফাৰ্ম বিলাকে উৎপাদন বঢ়াব কেনেকৈ? তাৰ উত্তৰত লেখেতে কৈছে, তাৰ একমাত্ৰ উত্তৰ কো-অপাৰেটিভ।

The co-operative, as a small island in the capitalist society is a little shop. The co-operative, if it embraces the whole of society, in which the land is socialised and the factories nationalized, is socialism.

এই ক্ষেত্ৰত যি জন নেতাই গুৰুত্ব দিছিল তেওঁৰ পৰৱৰ্ত্তী শাসক চক্ৰই এই বিলাক বিফল কৰিলে। তেনেকৈয়ে এ পি চি চিৰ বিজলোচনটো বিফল কৰাটো বৰ দুখৰ কথা। আৰু এই ভূমি সমস্যাটো এ পি চি চিয়ে উপলব্ধি কৰিব পৰা নাই। এই কথা ঠিক যে আমাৰ ভূমি সীমিত কৰাৰ কাৰণে স্মল স্কেলপিজেণ্ট ফাৰমিং বহুত দিন চলিব। এইটো অকল ইয়াতেই নহয়। ৰাচিয়াতো আছিল। এই সম্পৰ্কত লেনিনে নিজেই কৈছিল—

Considering the small-scale peasant farming would exist for a long time to come and striving to raise its productivity the party made proposals to regulate the peasants' land teaure supply the peasants with high-quality seeds and artificial fertilizers, improve breeds of stock, disseminate agricultural knowledge, help the peasants improve their farming methods, carry out the repair of agricultural implement in Soviet workshops, set up tractor stations experimental stations and do land reclamation work. He therefore emphasized that only if such things were done would the peasants be won to the Soviet side. If we could supply one hundred thousand first-class contractors, provide them with fuel, provide them with drivers-the middle peasant would say "I am for the communia":

এই কথাটো যিটো লেনিনে কৈ গৈছে তাত কৈ আৰু বেছি কবলগীয়া ভূমি সংস্কাৰৰ ক্ষেত্ৰত কবলৈ নাই। কেৱল যিটো খেতিয়কৰ দৰ্কাৰী আছিল সেই খিনি যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। আৰু এই প্ৰসংগত ভূমি সংস্কাৰ কৰা বিষয়টো অতি দৰ্কাৰী। এই নীতি সন্মুখত ৰাখি ভূমী সংস্কাৰ কৰিলে খেতিয়ক সকলৰ অগ্ৰগতিৰ ফালে যে এটা ভাল পদক্ষেপ হব তাত সন্দেহ নাই। এই ভূমি আইনত যি বিলাক সংশোধনী দিছে সেই সম্পৰ্কত মই বেচি কব নোখোজো। কাৰণ এই সম্পৰ্কত বিভিন্ন ধৰণৰ সংশোধনী আছে আৰু সেই সংশোধনীৰ সময়তহে মই এই সম্পৰ্কে কম।

মই বিশেষকৈ এই শাসক দলটোক দুটা কথা কব খুজিছো। সেইটো হল আমাৰ জনজাতি সকল যি সকলে পৰ্ব্বতৰ পাদদেশত বাস কৰে তেওঁ-লোকৰ বাবে কিবা সুবিধা কৰি দিব পৰা যায় নে নাযায় আৰু সুবিধা কৰি দিয়াটো উচিত নে অনুচিত সেইটো বিবেচনা কৰি চাওঁক। দ্বিতীয়

কথা হল যি সকলে চৰ অঞ্চলত বাস কৰে সেই সকলক সকাহ দিবৰ ব্যৱস্থা কৰিব পৰা যায় নে নাযায় সেই বিষয়ে চিন্তা কৰিব লাগে। তৃতীয় কথা হল চহৰত থকা সকল খেতিয়ক নাম লৈ ভেণ্ডলোকে মাটি ৰাখিছে সেই বিষয়ে চিন্তা কৰিব লগীয়া হৈছে। আগৰ প্ৰতিক্ৰিয়াশীল চৰকাৰেও চহৰৰ মানুহখিনিক খেতিয়ক হোৱাৰ সুবিধা দিয়া নাছিল। কিন্তু বৰ্তমানৰ চৰকাৰে এই সকলক সুবিধা দিয়াৰহে ব্যৱস্থা কৰিছে। ওৰ্বান ষ্টেপফৰৱাৰ্ড টু ষ্টেপ বেকৱাৰ্ড হল নেকি? আগৰ প্ৰতিক্ৰিয়াশীল চৰকাৰে নগৰৰ বাবু সকলক খেতিয়কৰ চাইনবৰ্ড লৈ ভাল ভাল বাস্ততি আদি আনি খোৱাৰ সুবিধা কৰি দিয়া নাছিল। সমাজত স্ত্ৰী সকলে যুদ্ধৰ সময়ত ঢেৰ টকা পইচা কৰি জমা কৰি থৈ গৈছে। আগৰ কাচাৰিৰ কেৰানি তৱধি সকলে বেলতলা আদি অঞ্চলৰ জনজাতী লোক সকলৰ মাটি নিজৰ নামত ৰাখি থৈ গৈছে। সেই মাটিত খেতি কৰি থাকে জনজাতি মানুহে। তেতিয়া এই চহৰৰ বাবু সকল গৈ কয় এই খিনি মোৰ মাটি তহতৰ নাম কেতিয়াবাই কটা গৈছে। তেতিয়া আৰু এই লোক সকলৰ আশা কৰাৰ সময় নাথাকে। গতিকে ভহতে ধান খিনি দি থৈ আহিবি। ভেণ্ড লোকে কয় মাটিটো তোৰ নেকি বাবু? বাবুয়ে কয় ও হয় মোৰ তই খাজানা দিয়া নাই। গতিকে এবিঘা মাটিত ৬ পুৰা ধান দি আহিবি। সেই ধৰণৰ প্ৰতিজন ইয়াত দেখুউৱা হৈছে। এই ভদ্ৰ লোক সকলে যিমানেই গণতন্ত্ৰৰ কথা নকওক এইটো কেৱল বাহাদুৰীহে। গতিকে বহল দৃষ্টি ভঙ্গী লৈ নীতিগত ভাৱে সংস্কাৰমূলক প্ৰস্তাৱ আনিলে আমি ওলগ জনাও আৰু এই সংশোধনৰ প্ৰয়োজন আছে বুলি মই ভাবো। এই খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীহুলাল চন্দ্ৰ খাউণ্ড: মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ স্বাভাৱিকতে ভূমি সংস্কাৰৰ কথাটো লৈ সকলোৰে মনত আলোড়ণৰ সৃষ্টি হৈছে। ইতিমধ্যে আমাৰ দেশৰ বিভিন্ন স্তৰৰ মানুহে বিভিন্ন স্তৰত ভূমি সংস্কাৰত বিভিন্ন ৰূপ সপক্ষে বা বিপক্ষে দিবলৈ আৰম্ভ কৰিছে। মাটিক লাভজনক আহিলা হিচাবে ব্যৱহাৰ কৰা সামন্তবাদী ব্যৱস্থা বৈ গৈছে। বৃটিছ সাম্ৰাজ্য বাদী সকলৰ এই মনোভাৱ ভাৰত বৰ্ষত বৈ গৈছে। ১৯৪৭ চনত আমাৰ দেশ স্বাধীন হল আৰু তেতিয়াৰ পৰাই সমাজ তন্ত্ৰৰ কথা কৈ আছে। কিন্তু সমাজ তন্ত্ৰত

* Speech not corrected.

আগবাঢ়ি যোৱাৰ যি প্ৰাথমিক পটভূমি তৈয়াৰ হোৱাৰ প্ৰয়োজন আছিল সেইটো নহল। ফলত গণতন্ত্ৰৰ বিপ্লৱ সম্পূৰ্ণ নহল। ভাৰতত আজিও সাম্ৰাজ্যবাদৰ খোপনি বৈ গল। এতিয়া আমাৰ প্ৰধান কথা হল সামন্ত বাদৰ অৱশেষ শেষ কৰি ভূমি সংস্কাৰ কৰি গণতন্ত্ৰৰ পথত আগবাঢ়ি যোৱাটো। ভূমি সংস্কাৰৰ ক্ষেত্ৰত সাংগঠনিক কংগ্ৰেছ আৰু শাসক কংগ্ৰেছৰ মনোভাৱ সম্পূৰ্ণ বেলেগ। সাংগঠনিক কংগ্ৰেছ সামন্তবাদৰ প্ৰতিনিধি হিচাবে থিয় দিছিল আৰু তাৰ বিৰুদ্ধে শাসক কংগ্ৰেছে যুজ কৰিছে। কিন্তু এই ভিত্তিত শাসক কংগ্ৰেছে গণতন্ত্ৰ কৰিব নোৱাৰে। ধনীক শ্ৰেণীৰ স্বাৰ্থত সমাজতন্ত্ৰ কৰিব নোৱাৰে। এই ৰাষ্ট্ৰিয় ক্ষমতা কৃষকৰ হাতলৈ আহিব লাগিব।

গতিকে মই সমাজ-তন্ত্ৰৰ কথাটো আলোচনা কৰিব খোজা নাই। কিন্তু আলোচনা নকৰিলেও নহব কাৰণ আজি ভাৰতৰ জনসাধাৰণে কিচাবে সমাজ-তন্ত্ৰ, এইটো পৰিষ্কাৰ। তেখেতসকলৰ ধাৰণা ভুল হব পাৰে। সমাজ-তন্ত্ৰৰ পথ সম্পৰ্কত নানা মতভেদ থাকিবও পাৰে আৰু সেই জনসাধাৰণৰ সমাজ-তন্ত্ৰৰ প্ৰতি যি আগ্ৰহ সেই আগ্ৰহৰ হেঁচাত, সেই লোকসকলৰ খুদাত পৰি ১৯৫৫ চনতে শাসক কংগ্ৰেছে সমাজতন্ত্ৰৰ নাম শুনিলে নাক কোচাই দিছিল যে এইটো বিদেশীৰ পৰা অহা বস্তু বুলি কিন্তু এতিয়া আমি অত্যন্ত আনন্দ আৰু সুখ পাইছো আৰু অভিনন্দন জনাইছো যে আজি শাসক কংগ্ৰেছে সমাজ-তন্ত্ৰৰ কথা কৈছে। এইটো শাসক কংগ্ৰেছৰ সমাজ-তন্ত্ৰৰ ঐকান্তিকতাক নুবুজাই, এইটোৱে বুজাই জনসাধাৰণৰ সমাজতন্ত্ৰৰ প্ৰতি থকা গভীৰ আগ্ৰহৰ কথা। ভাৰতবৰ্ষৰ জনসাধাৰণে যে সমাজ-তন্ত্ৰৰ প্ৰতি আগ্ৰহান্বিত সেই কথাকে ইয়াতে প্ৰমাণ কৰিছে। কিন্তু তথাপিও এই সমাজ-তন্ত্ৰ কৰিব নোৱাৰে বুলি এই কাৰণেই কওঁ যে ভূমিসংস্কাৰৰ কাৰণে চৰকাৰৰ যিমানেই ঐকান্তিকতা নাথাকক কিয় চৰকাৰৰ ভূমিসংস্কাৰৰ নীতিটো জনসাধাৰণৰ বিপৰীতে গৈছে-এই সামন্তবাদক সম্পূৰ্ণৰূপে পৰাভূত কৰিব নোৱাৰালৈকে এই পুজীবাদ গঢ়ি তুলিব নোৱাৰি অৰ্থাত সামন্তবাদৰ অৱসান হলেহে পুজীবাদ গঢ়িব পৰা হব। যদি আজি দেশত কৃষিৰ অৱস্থাৰ উন্নতি নহয় দেশৰ কৃষক সমাজৰ ক্ৰয় শক্তি নাবাঢ়ে তেতিয়াহলে ভাৰতবৰ্ষত যিমানেই কল-কাৰখানা নহওঁক তাৰ উৎপাদিত বস্তু বিক্ৰী হব নোৱাৰে আৰু হলেও তাৰ কাৰণে উপযুক্ত বজাৰো পোৱা নাযাব।

এতিয়া ভূমিসংস্কাৰ ২টা পদ্ধতিত হব পাৰে, এটা হৈছে সামন্তবাদৰ শেষ কৰি ভূমি সম্পৰ্কত আমি পুজীবাদ প্ৰতিষ্ঠা কৰিব পাৰো আৰু এতিয়ালৈকে দুৰ্ভাগ্য

বশত : সকলো ঐকান্তিকতা থকা স্বত্বেও, বহুতো আইন পাছ কৰা স্বত্বেও, আজি ভাৰত চৰকাৰৰ ভূমিসংস্কাৰৰ ফলাফল এনে হ'ল যে সি সমাজ-তন্ত্ৰৰ পক্ষৰ নহয়। আজি সেউজীয়া বিপ্লৱৰ কথা ওলাইছে যদিও পঞ্জাবৰ সেউজী বিপ্লৱ কিছু পৰিমানে কৃতকাৰ্য্য হলেও আৰু পঞ্জাবৰ কৃষকৰ অৱস্থা উন্নতি হলেও আৰু আয়ো যথেষ্ঠ হলেও তাৰ লগে লগে তাত কৃষিৰে এটা বা কৃষকৰে এটা পুজীপতি শ্ৰেণী গঢ়ি উঠিছে যিটোক 'কাক' বুলি কোৱ হয় যাৰ ফলত সৰ্ব্বসাধাৰণ কৃষক সকল সৰ্ব্বস্বান্ত হৈ পৰিছে। এতিয়া আমাৰ সন্মুখত ডাঙৰ প্ৰশ্নটো হৈছে যে আমি ভূমিস স্কাৰৰ ব্যৱস্থা লম, কিন্তু সেই ভূমিসংস্কাৰ সামন্তবাদৰ পক্ষে কৰিম নে পুজীবাদৰ পক্ষত কৰিম, নে অপুজীবাদৰ পক্ষে কৰিম, বিশেষকৈ ভাৰতৰ সমাজতান্ত্ৰিক পথত আগবাঢ়ি যাব পাৰো নে আমি এটা পুজীবাদ বিকাশৰ ৰাস্তা লম যিটো পদ্ধতিত কৃষিৰ ভিতৰত পুজীবাদ গঢ়ি উঠিবলৈ দিয়া নহব।

এতিয়া আমাৰ শাসক কংগ্ৰেছে যিটো ভূমিসংস্কাৰ নীতি গ্ৰহণ কৰিছে সেইটো আমি সমৰ্থন কৰিছে কিন্তু এইটো মন কৰিব লগীয়া কথা যে এই শাসক কংগ্ৰেছৰ ভিতৰতে এই ভূমিসংস্কাৰৰ বিৰুদ্ধে এটা প্ৰকাণ্ড শক্তিয়ে যুজ কৰি আছিছে। ইয়াৰ ফলত পাঞ্জাবৰ আৰু হাৰিয়ানাৰ কুলাক শ্ৰেণীৰ জেষ্ঠ্য প্ৰতিনিধি সকলে কেন্দ্ৰীয় চৰকাৰৰ শাসক কংগ্ৰেছৰ নেতৃত্বত হোৱা চিলিং আইনৰ এটা স্থায়ী সিদ্ধান্ত আহিব পৰা নগ'ল যিটো আজি দেখ দেখকৈ চকুত পৰিছে।

কেন্দ্ৰীয় চৰকাৰে ইৰিগেটেড আৰু নন ইৰিগেটেড লেণ্ডৰ ক্ষেত্ৰত ১০ৰ পৰা ১৮লৈকে চিলিং কৰিবলৈ ভূমিসংস্কাৰৰ সংক্ৰান্তৰ পৰামৰ্শ দিছিল সেই সম্পৰ্কে এতিয়ালৈকে কোনো সিদ্ধান্তত আহিব নোৱাৰাটো অতি দুখৰ কথা। কাৰণ যেতিয়া কেন্দ্ৰীয় চৰকাৰৰ ভূমিসংস্কাৰৰ কমিটিত ইৰিগেটেড লেণ্ডৰ কথা উঠিছিল তেতিয়া চৰকাৰৰ প্ৰাইভেট লেণ্ডৰ ইৰিগেটেড লেণ্ডৰ কথা নাছিল কিন্তু কেন্দ্ৰীয় মন্ত্ৰীসভাত কুলাক শ্ৰেণীৰ প্ৰতিনিধি থকা হেতুকেই চিন্দে চাহাবে এওঁলোকৰ প্ৰৰোচনাত স্মাগোল কৰি এই পাৰ্থক্যটো তাৰ ভিতৰত সুমুৱাই দিলে ফলত আজি এই ক'নট্ৰ'ভাৰ্চিয়ে দেখা দিলে আৰু কোনো সামগ্ৰীক সিদ্ধান্তত আহিব পৰা নগ'ল।

এতিয়া কথা হৈছে আমাৰ মুখ্য মন্ত্ৰীয়ে এগ্ৰিকালচাৰেল ফাৰ্ম্মীং ক'ৰপৰেশ্যেনৰ দ্বাৰা আংশিক ভাৱে হলেও জাতীয় কৰণ কৰাৰ কথা কৈছে সেইটো সমাজ তন্ত্ৰৰ ওপৰত নিৰ্ভৰ কৰিব নেকি ? সমাজতন্ত্ৰ জাতীয়কৰণৰ ওপৰত নিৰ্ভৰ নকৰে। সমাজতন্ত্ৰ মুলত নিৰ্ভৰ কৰিব জাতীয়কৰণ কৰাৰ পিছত

আইন সম্পৰ্কীয় অধিকাৰ আৰু তাৰ বণ্টন সম্পৰ্কে কেনেকৈ হয় তাৰ ওপৰতহে নিৰ্ভৰ কৰিব। যদি আমি জাতীয়কৰণ কৰিব পৰা কোনো আইন সম্পৰ্কীয় সলনি নকৰো তেতিয়াহলে জাতীয়কৰণত প্ৰাইভেট কেপিটেলিচম আৰু ষ্টেত কেপিটেলিচমেহে গ্ৰহণ কৰিব। আৰু আমাৰ কৃষি ব্যৱস্থাতো প্ৰাইভেট কেপিটেলিচম গঢ়ি উঠিছে। আৰু ফাৰ্ম্মীং কৰপৰেশ্যনৰ যোগেদি ৰাজ্যৰ কিছুমান পুঁজিপতি অনুষ্ঠানকে আমি সুবিধা দিছো।

সেইকাৰণে যদি ইয়াৰ ভিতৰেদি আমাৰ সৰ্ব্বসাধাৰণ কৃষক সকলৰ অৱস্থান পৰিৱৰ্ত্তন নহয়, মাটিৰ মালিকসকলৰ লগত অৰ্থাৎ বিক্ৰী কৰাৰ যিটো সম্পৰ্ক তাৰ লগত পুজীবাদৰ যিটো সম্পৰ্ক আৰু আমাৰ জীয়াই থকাৰ সম্পৰ্কটো এই এগ্ৰিকালচাৰ ফাৰ্ম্মীং ক'ৰপৰেশ্যনৰ ভিতৰতে থাকিব। উপাধ্যক্ষ মহোদয় সেইকাৰণে মই কৈছো যে এই সামন্তবাদ আৰু পুজীবাদৰ লগত কোনো সম্পৰ্ক গঢ়ি তুলিব নালাগে। ভূমিৰ এনেকুৱা সম্পৰ্ক গঢ়িব লাগে যি সম্পৰ্কৰ ভিতৰেদি ভাৰতবৰ্ষত ভৱিষ্যতে আমি সমাজতান্ত্ৰিকৰ কথালৈ যাব পাৰো।

আজি আমি যি এগ্ৰিকালচাৰ ফাৰ্ম্মীং ক'ৰপ'ৰেশ্যান কৰিব বিচাৰিছো তাৰ যোগেদি আমি সমাজতন্ত্ৰবাদৰ উৎপাদন আৰু সামূহিক বিতৰণৰ সম্পৰ্কটো গঢ়ি তুলিবৰ কাৰণে এটা সামূহিক সিদ্ধান্ত লব লাগিব। সেই সম্পৰ্কটো গঢ়ি উঠিব পাৰে কেতিয়া? সেই সম্পৰ্কটো গঢ়ি উঠিব পাৰে তেতিয়াই যেতিয়া কৃষকে মাটিৰ ওপৰত অধিকাৰ পায় আৰু যদি সেই অধিকাৰ কোনোবা সামূহিক অনুষ্ঠানক গ্ৰহণ কৰে অৰ্থাৎ অংশীদাৰ হিচাবে তাৰ অধিকাৰ লৈ যদি কৃষকে অংশ গ্ৰহণ কৰিব পাৰে। তেতিয়া তাত উৎপাদন আৰু বিতৰণৰ ক্ষেত্ৰত মতৰ অধিকাৰ থাকিব আৰু তেতিয়াই তাত সমাজ-তান্ত্ৰিক অধিকাৰ বা সম্পৰ্কৰ সৃষ্টি হব পাৰিব। কিন্তু যদি সেইটোয়েই নহৈ এগ্ৰিকালচাৰেল ফাৰ্ম্মীঙৰ লগত কৃষকৰ অধিকাৰৰ কোনো সম্পৰ্ক নেথাকে তেতিয়াহলে তাত ইন্দাষ্ট্ৰিয়েল লেবাৰৰ সম্পৰ্কলৈ গুছি যাব আৰু তেতিয়াই কেৱল শ্ৰম বিক্ৰীকৰি জীয়াই থকাৰ পৰ্য্যায়লৈহে এই সম্পৰ্কটো গুছি যাব। গতিকেই এই সংশোধনী বিল খনত মাটিৰ সৰ্ব্বোচ্চ সীমা কমাই যিটো সিদ্ধান্ত লোৱাৰ ব্যৱস্থা কৰিছে সেইটোক মই অভিনন্দন জনাইছোঁ। কাৰণ এই সিদ্ধান্তটোৰ আমাৰ প্ৰয়োজন আছে যিহেতু এতিয়াও আমাৰ ইয়াত নামী, বা বে-নামী ভাৱে নানা ধৰণৰ জমিদাৰী-প্ৰথা চলি আছে।

উপাধ্যক্ষ মহোদয়, কিন্তু এই সীমা বান্ধি দিয়াৰ ক্ষেত্ৰত আমি কিছু

কথালৈ নিশ্চয় বিবেচনা কৰিব লাগিব। এই সংশোধনী বিলৰ সম্পৰ্কত আমি সংশোধনী দাঙি ধৰিছো। কিন্তু এতিয়া আমি আলোচনা কৰাৰ আগতে মই সাধাৰণ নীতি হিচাবে কব খুজিছো যে এই সংশোধনী বিল খনে এটা বৈষম্যৰ সৃষ্টি কৰিব। ইয়াৰ আগতে মাটিৰ সৰ্ব্বোচ্চ পৰিমান নিৰ্দ্ধাৰণ কৰা আইন খনত বৈষম্যৰ কথা আছিল আৰু এতিয়াও এই খনত আছে। অৰ্থাৎ সকলো মাটি একে নহয়। কোনো ডোখৰ মাটিত পানী যোগানৰ ব্যৱস্থা আছে আৰু কোনো ডোখৰত নাই। পানী যোগানৰ ব্যৱস্থা থকা মাটি ডোখৰত বছৰত ৩-৪ টা খেতি কৰিব পৰা যায়। অন্ততঃ পক্ষে তাত কমেও দুটা খেতি কৰিব পৰা যায়। কিন্তু কোনো ডোখৰ মাটিত পানী যোগান ব্যৱস্থা নাই। গতিকে এতিয়া যদি দুটা পৰিয়ালৰ এটাক পানী যোগানৰ ব্যৱস্থা থকা পঞ্চাশ বিঘা মাটি দিয়া হয় আৰু আন এটা পৰিয়ালক পানী যোগানৰ ব্যৱস্থা নথকা পঞ্চাশ বিঘা মাটি দিয়া হয়, তেতিয়াহলে দুয়োটা পৰিয়ালৰ উপাৰ্জন একে হব নোৱাৰে। উৎপাদনো একে হব নোৱাৰে। গতিকে এই দুয়োটা পৰিয়ালৰ মাটিৰ বৈষম্য সৃষ্টি কৰা হ'ল। মাটিৰ সৰ্ব্বোচ্চ পৰিমান নিৰ্দ্ধাৰণ কৰিবলৈ যাওঁতে পৰিয়ালৰ জনসংখ্যালৈ চাব লাগিব। কিয়নো জনসংখ্যাৰ ফালৰ পৰা সকলো পৰিয়াল একে নহয়। কোনোটো পৰিয়ালৰ জনসংখ্যা হয়তো পাচ জন, আকৌ কোনোটো পৰিয়ালৰ জনসংখ্যা হয়তো দহ জন। এতেকে বেছি সংখ্যাৰ পৰিয়ালৰ ক্ষেত্ৰত এইটো বৈষম্য কৰা হল, আৰু তেওঁলোকৰ উপাৰ্জন পাচজনীয়া পৰিয়ালৰ সমান হলে কেতিয়াও নহব। এই কথাটো সংশোধনী বিলত বিবেচনা কৰা হোৱা নাই। তাৰোপৰি আৰু এটা কথা মাননীয় সদস্য ভট্টাচাৰ্য্য ডাঙৰীয়াই কৈছে, সেইটো হৈছে, চহৰত থকা মানুহৰ টকা-পইচা আছে আৰু উপাৰ্জন বা আন আন পথ আছে কিন্তু গাৱঁৰ মানুহৰ আছে কেৱল মাটি। এতেকে সমান সংখ্যক মাটি দুয়োটা অঞ্চলৰ কাৰণে দিলে বৈষম্য কৰ হব। কিয়নো চহৰত থকা এজন ডাঙৰ উকীলে মাহেকত পাঁচ হাজাৰ পৰ্য্যন্তও উপাৰ্জন কৰিব পাৰে কিন্তু গাৱঁৰ মানুহৰ মাটিয়েই সম্বল। এই কথাটোলৈ চাব লাগিব কিয়নো আমি সমাজতন্ত্ৰৰ কথা কৈছো। সমাজতন্ত্ৰৰ কথা কৈ যদি এনেকুৱা কৰা হয় তেতিয়াহলে মানুহে দেখ দেখকৈ বুজি পাব যে এইটো সমাজতন্ত্ৰৰ নামত ভুৱাহে মাথোন।

উপাধ্যক্ষ মহোদয়, আৰু এটা কথা মই বাজেট বক্তৃতা প্ৰসঙ্গত কৈছিলো

যে আমাৰ অসম চৰকাৰ ভাৰতবৰ্ষৰ আন আন ৰাজ্যিক চৰকাৰ বিলাকতকৈ যথেষ্ট প্ৰগতিশীল। এই ক্ষেত্ৰত অসম চৰকাৰক অভিনন্দন জনাইছো আৰু আমি গৌৰৱ অনুভৱ কৰিব পাৰিছো। কিন্তু আইন পাচ কৰি তাক কাৰ্য্যকৰী কৰা হৈছেনে? চিলিং আইন বা ভূমি আইনৰ দ্বাৰা কৃষকৰ কিবা লাভ হৈছেনে? এই আইন খন কৰিম বুলি অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে প্ৰস্তাৱ লৈছিল আৰু পঞ্চাশ বিঘা কৰা হব বুলি কাগজতো দিছিল। কিন্তু প্ৰস্তাৱ লিখা কলা চিয়াহীৰ লাইন কেইটাৰ ভিতৰত নজনা কথা কি আছিল? যে মাটিৰ মালিক সকল সাৱধান হোৱা আমি আইন আনিবলৈ ওলাইছো। ফলত মাটিৰ মালিকে লৰা লৰিকৈ জোঁৱাই, ভতিজা আনকি কুকুৰৰ নামলৈও মাটি হস্তান্তৰ কৰা আৰম্ভ কৰি দিলে। আইন আনি মাটি শেষ কৰাৰ ইঙ্গিত পায়েই মাটিৰ মালিক সকলে মাটি হস্তান্তৰ কৰি শেষ কৰি দিলে। কিন্তু তাকে নকৰি কিয় এই চৰকাৰে আইন অনাৰ আগতে এখন 'অৰডিনান্স' জাৰি কৰি মাটিৰ সকলো প্ৰকাৰ হস্তান্তৰ বন্ধ কৰি নিদিলে? এটা প্ৰাইমাৰী স্কুলৰ দ্বিতীয় মান শ্ৰেণীৰ ছাত্ৰইও জানিব যে ওঠৰশ আৰু এশ পঞ্চাশৰ কোনটো বেছি? কিন্তু এই চৰকাৰে বুজি নাপায়। আমাৰ চৰকাৰৰ কাৰণে এশ পঞ্চাশ আৰু ওঠৰশ একে সমান। এশ পঞ্চাশ বিঘাৰ চিলিং আইন কৰিলে আৰু ওঠৰ শৰ পৰা এশ পঞ্চাশ বাদ দিওঁতে আমাৰ চৰকাৰৰ উত্তৰ ওলাল শূণ্য। গতিকে আমাৰ চৰকাৰৰ কাৰণে ওঠৰশ আৰু এশ পঞ্চাশ সমান। কিছুমান ঐকান্তিকতা থকা হলে চৰকাৰে এই হস্তান্তৰকৰণটো বন্ধ কৰিব পাৰিলেহেতেন। চিলিং আইন খনৰ সম্পৰ্কত যিখিনি কথা-বতৰা সেই খিনি আমি সময়ত আলোচনা কৰিম কিন্তু মই নীতিগত ভাৱে এটা কথা কব খুজিছো সেইটো হল আমাৰ চৰকাৰে নিজকে নিজে পৰিষ্কাৰ কৰি লব লাগিব। সংস্কাৰ কৰি লব লাগিব। কিয়নো পুজিবাদী কৃষি ব্যৱস্থা উঠাই দিয়াৰ কাৰণে চৰকাৰে চলোৱা সকলো চেষ্টাতে চৰকাৰ ব্যৰ্থ হৈছে। ইয়াৰ জলন্ত প্ৰমাণ হৈছে কৰপোৰেচন। এই কৰপোৰেচন সকলো ক্ষেত্ৰতে ব্যৰ্থ হৈছে। মই কব খুজিছো ভাৰতবৰ্ষত এই চৰকাৰে এই পাৰ্টিৰ চৰকাৰে সমাজতন্ত্ৰ প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হব নোৱাৰে। ভাৰতবৰ্ষত এদিন সমাজতন্ত্ৰ প্ৰতিষ্ঠা হবই ইয়াক মই দৃঢ় ভাৱে কব পাৰো কিন্তু এই চৰকাৰ বা এই পাৰ্টিৰ চৰকাৰ থকা কালত নহয়।

(ভইচ: কমিউনিষ্ট পাৰ্টিয়ে কৰিব)

কমিউনিষ্ট পার্টিয়েও কৰিব পাৰে। পৃথিবীৰ য'ত য'ত কৰিছে কমিউনিষ্ট পার্টিয়েই কৰিছে। ভাৰতবৰ্ষত সমাজতন্ত্র প্রতিষ্ঠা কৰিবলৈ হলে ভূমিসংস্কাৰৰ ফালে প্রথমতেই চাব লাগিব। সেই কাৰণে শেষ কথা হৈছে এই চিলিং আইন খনৰ ক্ষেত্ৰত পানী যোগানৰ ব্যৱস্থা থকা আৰু পানী যোগানৰ ব্যৱস্থা নথকা আদি কথালৈ বিশেষ ভাৱে নজৰ দিব লাগিব, আৰু বৰ্ত্তমান মাটিৰ হস্তান্তৰ বন্ধ কৰিব লাগিব। কৃষকক মাটিৰ মালিকীস্বত্ব দিব লাগিব। মাটিৰ তেনেকুৱা মালিকীস্বত্ব নন্ট্রেন্সফাৰেবল কৰক। কৃষকে মাটিৰ মালিকীস্বত্ব পোৱাৰ পিচতহে কৰপোৰেচন বা উৎপাদনৰ ক্ষেত্ৰত কামত আহিব। সমবায় আদিও তেতিয়াহে কামত আহিব। কিন্তু সবাতোকৈ আগতে হব লাগিব মাটিৰ মালিকীস্বত্ব আৰু এই মালিকীস্বত্ব প্রকৃত খেতিয়কে পোৱাৰ পিচতহে আমি বৃহত কৃষি ব্যৱস্থাৰ ফালে চাব পাৰিম। এই খিনি কথা কৈয়েই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্রীদেবেন্দ্র নাথ বৰা: মাননীয় অধ্যক্ষ মহোদয়, মাটিৰ সৰ্ব্বোচ্চ সীমা বান্ধি দিবৰ কাৰণে চৰকাৰে এই সদনলৈ যি বিল আগবঢ়াইছে তাক মই সমৰ্থন জনাইছো। এই বিলখনৰ সন্দৰ্ভত মাননীয় সদস্য শ্রীগৌৰী শংকৰ ভট্টাচাৰ্য্যই নীতি সম্পৰ্কীয় যি দিঘলীয়া বক্তৃতা দিলে তাকো মই অনুভাৱন কৰিলো। তেখেতৰ বক্তৃতাৰ পৰা মই এইটোকে বুজিলো যে নীতিগতভাৱে এই বিলখন সমৰ্থন জনাইছে আৰু আনহাতেদি চৰকাৰক বিৰোধিতা কৰিব লগা কাৰণেই বিৰোধিতা কৰাৰ কাৰনে তেখেতে প্রকাশ কৰিছে। নৈতিক ভাবে তেখেতে এই বিলখনক সমৰ্থন কৰিলেও বিৰোধিতা কৰাৰ কথাও মাজে মাজে লুকুৱা ৰাখি থৈছে।

আজি ভাৰত বৰ্ষৰ আটাইকৈ ডাঙৰ সমস্যা হৈছে মাটি, বিশেষকৈ এই অসম ৰাজ্যত। সমাজবাদী সমাজ প্রতিষ্ঠা কৰিব লগীয়া হলে অন্যান্য শিল্প আদিৰ মাটিকো ৰাষ্ট্রীয় কৰণ কৰিব লাগিব। মাটি শিল্প বানিজ্য আৰু দেশৰ লাইচেন্সিং প্রথা সকলো ৰাষ্ট্রীয় কৰণ কৰিব লাগে। যেতিয়ালৈকে দেশত ব্যক্তিগত মালিকনা থাকিব, তেতিয়লৈকে দেশত সামাজিক আৰু অৰ্থনৈতিক বৈষম্য থাকিব। অৰ্থনৈতিক বৈষম্য থাকিলে সমাজবাদ প্রতিষ্ঠা হব নোৱাৰে। দেশত শোষিত আৰু শোষণৰ ব্যৱস্থা থাকিব নোৱাৰে। মোৰ লগতে মাননীয় সদস্য সকল (বিৰোধি পক্ষৰ) এই বিষয়ত নিশ্চয় একমত হব।

---

* Speech not Corrected

আমাৰ এই ৰাজ্য খনত মাটিৰ সমস্যা চৰকাৰে সমাধান কৰাটো আটাইতকৈ প্ৰধান বিষয়। যি সকল মানুহে নিজৰ প্ৰয়োজনতকৈ অধিক মাটি নিজৰ কৰি ৰাখিছে সেই সকল মানুহৰ সেই অধিক মাটি চৰকাৰে হস্তগত কৰি ৰাজ্য খনৰ দুখীয়া কৃষক সকলক সেই মাটি বিতৰণ কৰি দিব লাগিব। এই সদনত আজি বহুতবাৰ আলোচনা কৰিছো হক যে এই দেশৰ অৰ্থনীতি নিৰ্ভৰ কৰে কৃষিৰ ওপৰত। এই ৰাজ্যত প্ৰথম জমিদাৰী প্ৰথা উচ্ছেদ কৰা হ'ল, এই সদনতেই মাটিৰ সৰ্ব্বোচ্চ সীমা ১৫০ বিঘালৈ বান্ধি দি আইন কৰিলে। তাৰ পিচত ৰাখিলে ৭৫ বিঘা। আৰু চৰকাৰে এতিয়া অনুভৱ কৰিছে যে প্ৰতিটো কৃষক পৰিয়ালৰ কাৰণে ৫০ বিঘাৰ ওপৰ মাটি থাকিব নোৱাৰে আৰু সেই কাৰণেই চৰকাৰে এই সদনলৈ এই বিল আনিছে। গতিকে এই বিলখন প্ৰগতিশীল আৰু তাক সকলোৱে সমৰ্থন কৰিব বুলি মই আশা কৰিছো।

এক সমীক্ষাৰ পৰা জানিব পৰা যায় যে আমাৰ দেশত তিনি প্ৰকাৰৰ খেতিয়ক আছে-স্মল ফাৰমাৰ-তেওঁলোকৰ মাটিৰ পৰিমাণ হ'ল ৪ বিঘাৰ পৰা ১৫ বিঘা। মাৰ্জিনেল ফাৰমাৰ তেওলোকৰ মাটিৰ পৰিমাণ হ'ল ৩ বিঘাৰ পৰা ৮ বিঘা আৰু তৃতীয়বিধ হ'ল এগ্ৰিকালচাৰ লেবাৰাৰ-তেওঁলোকৰ মাটিৰ পৰিমাণ হ'ল ৩ বিঘাতকৈ কম। যি সকল লোকৰ অধিক মাটি আছে, সেই মাটি চৰকাৰে হস্তগত কৰি উল্লেখিত লোক সকলৰ মাজত মাটি বিতৰন কৰিব লাগে। আনহাতেদি চৰকাৰে এই কথাও চাব লাগিব যাতে মাটিৰ মালিক সকলে বেনামী ভাবে হস্তান্তৰ কৰিব নোৱাৰে; বহুতে হয়তো নিজৰ জোৱায়েক, ভায়েক ককায়েক আদিৰ নামত মাটি হস্তান্তৰ কৰি সেই মাটিকে আওঁপকীয়া ভাৱে নিজৰ কৰি ৰাখিবলৈ যত্ন কৰিব। অৱশ্যে আমি এইটো জানিব পাৰিছো যে আইন পাচ হোৱাৰ এবছৰৰ আগৰ পৰা মাটিৰ মালিক সকলে মাটি হস্তান্তৰ কৰিব নোৱাৰিব। চৰকাৰে লোৱা ব্যৱস্থা মতে, যি মাটি ওলাব, তাক প্ৰথমতে দুখীয়া শোষিত নিষ্পেষিত কৃষক সকলকেই বিলাব লাগিব। মাননীয় সদস্য শ্ৰীভট্টাচাৰ্য্য ডাঙৰীয়াই অক্টোবৰ বিপ্লৱৰ কথা কৈছে আৰু লেনিনৰ দুই এটা বাণীও পঢ়ি শুনাইছে। দেশৰ মাটি ৰাষ্ট্ৰীয় কৃত কৰি তাক সমবায়ৰ জৰিয়তে মাটিৰ সমস্যা সমাধান কৰাৰ কথা কৈছে ইয়াত চৰকাৰে সমবায় পদ্ধতিক অঙ্গীকাৰ কৰি নিগম আদি প্ৰতিষ্ঠা কৰাৰ কথা কৈছে। প্ৰকৃততে চাবলৈ গলে এই

চৰকাৰে নিগম আদি প্ৰতিষ্ঠা কৰাৰ কথা কৈছে যদিও সমবায়কো অস্বীকাৰ কৰা নাই। অৱশ্যে এইটো ঠিক যে, দেশৰ উৎপাদন সকলো আহিলাকে ৰাষ্ট্ৰীয়কৃত কৰিব লাগে, তেহে সমাজত শ্ৰেণী বিভাগ নাথাকিব। এই কথাত মাননীয় সদস্য সকল নিশ্চয় একমত হব আজি যিকোনো ক্ষেত্ৰতে হওক যদি শ্ৰেণী বৈষম্য থাকে তেনেহলে আমাৰ সমাজবাদ কেতিয়াও হব নোৱাৰে। গতিকে আমাৰ প্ৰথম কথা হৈছে শ্ৰেণী ভেদ আতৰ কৰা। গতিকে এই শ্ৰেণী বৈষম্য আতৰ কৰিবলৈ হলে কি মাটি কি অন্যান্য উদ্যোগ সকলোকে ৰাষ্ট্ৰীয়কৰণ কৰিব লাগিব। গতিকে আজি আমাৰ এই সমস্যা সমাধানৰ কাৰণে এইখন এখন প্ৰগতিশীল বিল হৈছে, গতিকে মই আশাকৰো আমাৰ মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে যদি এই প্ৰগতিশীল বিল খনৰ প্ৰতি সমৰ্থন আগবঢ়াই তাৰ দ্বাৰা কিঞ্চিত পৰিমাণে হলেও কৃষকৰ সমস্যা সমাধান হব। আজি যি সকল খেতিয়কে মুৰৰ ঘাম মাটিত পেলাই মাটি চাহ কৰি দুবেলা দুমুঠি খাবলৈ নাপায় আজিও মাটিগিৰি সকলৰ দ্বাৰা শোষিত হৈ আছে তেওঁলোকৰ কাৰণে এই বিল প্ৰণয়ন কৰা হৈছে আৰু ইয়াৰ দ্বাৰা নিশ্চয় তেওঁলোক সামান্য ভাবে হলেও উপকৃত হব। গতিকে মই ভাবো এই প্ৰগতিশীল বিলখনক কি বিৰোধী কি কংগ্ৰেছী সকলোৰে অকুণ্ঠ সমৰ্থন জনাব লাগে। ৰাষ্ট্ৰীয়কৰণ কৰি হলেও দুখীয়া জনসাধাৰণক মাটি দিবই লাগিব। আজি এই ক্ষেত্ৰত আইন খন কাৰ্য্যকৰী কৰাত দৃঢ় আৰু কঠোৰ ব্যৱস্থা লোৱাৰ দৰকাৰ হৈ পৰিব। আজি আমাৰ দেশত সেউজ বিপ্লৱ সাফল্য মণ্ডিত কৰিব লাগিব। আৰু সেই সেউজীয়া বিপ্লৱৰ জৰিয়তে আমাৰ যি তাকৰিয়া মাটি তাত উন্নত ধৰণৰ সাৰ, বীজ, জলসিঞ্চনৰ ব্যৱস্থা, সা-সজুলিৰ যোগে অধিক শস্য উৎপাদনৰ আচনি চৰকাৰে কৰিব লাগিব। আজি এই সেউজীয়া বিপ্লৱৰ ওপৰতে নিৰ্ভৰ কৰিছে অসমৰ অৰ্থনৈতিক সমস্যা, গতিকে দেশৰ অৰ্থনৈতিক উন্নয়ণৰ কাৰণে দেশৰ সকলো বিপদ বিপৰ্য্যয় অতিক্ৰম কৰি দুখীয়া খেতিয়কক উদ্বুদ্ধ কৰিব লাগিব এই সেউজীয়া বিপ্লৱৰ জৰিয়তে আৰু এই বিপ্লৱৰ সমৰ্থন জনোৱাৰ লগে লগে আমি সমৰ্থন জনাব লাগিব এই প্ৰগতিশীল বিলখনক। এই বিলখনৰ যোগে যি মাটি অধি গ্ৰহণ কৰা হব সেই মাটি গৰীব জনসাধাৰণৰ মাজত বিতৰণ কৰা হব। সেই কাৰণে মই আজি কংগ্ৰেছী সদস্য হিচাবেই নহয় এজন ৰাইজৰ সেৱক হিচাবে এই বিলখনক

সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষ তথা সকলো সদস্যকে এই আইনৰ সমৰ্থন কৰিবলৈ অনুৰোধ কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো

Mr. Speaker: The House stands adjourned till 2 p. m.

AFTER LUNCH

Announcement made by the speaker :

Mr. Speaker : I have to announce the results of election to Assam State Road Communication Board. The number of candidates being equal to the number of Members to be elected, the following Members have been declared elected unanimously to the Assam State Road Communication Board :—

1. Shri Bijoy Chandra Sarma,
2. Shri Ambarish Chandra Lahari,
3. Shri Jagadish Das,
4. Shri Pushpadhar Chaliha,
5. Shri Nurul Islam,
6. Shri Kandarpa Kumar Das,
7. Shri Santosh Kumar Roy,
8. Shri Lakshmi Kanta Saikia,
9. Shri Sai Sai Terang,
10. Shri Abdul Hamid Majumdar,
11. Shri Sudarsan Das,
12. Shri Golak Chandra Patgiri,
13. Shri Rajendra Nath Phukan,
14. Shri Joy Bhadra Hagjer,
15. Mrs. Anandi Bala Rabha,
16. Shri Dhaniram Rongpi,
17. Shri Joy Chandra Bora,
18. Shri Lila Kanta Das,
19. Shri Romesh Mohan Kouli,
20. Shri Kehoram Hazarika,
21. Shri Nagen Barua, and
22. Shri Premodhar Bora,

I have also to announce the results of the election to the Town and Country Planning Advisory Council. The number of candidates being equal to the number of members to be elected, the following Members have been declared elected unanimously to the Town and Country Planning Advisory Council :—

1. Shri Debendra Nath Bora,
2. Shrimati Rebati Das, and
3. Shrimati Renuka Devi Barkataki.

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : অধ্যক্ষ মহোদয়, চিলিং আইন সংশোধনী বিল যিখন ইয়ালৈ আনিছে সেই সম্পৰ্কে আমাৰ এই ফালৰ পৰা ভলেমান খিনি কথা উল্লেখ কৰা হৈছে। মই মাত্ৰ কেইটামান কথা এই সম্পৰ্কত সদনত এতিয়া দাঙি ধৰিব খুজিছো। প্ৰথম কথা হৈছে আইন প্ৰনয়ণ কৰাটো খুব সহজ কথা। তাতোকৈ সহজ কথা আইন যুগুত কৰি বাতৰি কাকতত প্ৰচাৰ আদি চলোৱা। আমাৰ দেশৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতিৰ কাৰণে বহুত আইন পাচ কৰিছে বুলি কোৱাত বৰ সহজ। কিন্তু আমাৰ ২৫ বছৰে যি অভিজ্ঞতা সেই অভিজ্ঞতাৰ পাচত আমি দেখিবলৈ পাইছো, এই বিধান সভাৰ যোগেদি বহুতো আইন পাচ কৰা হৈছে, কিন্তু কাৰ্য্যকৰি ব্যৱস্থা কৰা সম্পৰ্কত, বিষেশকৈ আইনৰ ক্ষেত্ৰত প্ৰযোজ্য হৈছে বুলি কব নোৱাৰো। আজি দেশৰ যিটো অৱস্থা বিশেষকৈ আমাৰ প্ৰদেশৰ, সৰহ সংখ্যক মানুহেই কৃষিৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে দেশৰ যিবিলাক খেতিয়ক অৰ্থাৎ যিবিলাক প্ৰকৃত খেতিয়ক, তেওঁবিলাকক যদি আমি মাটি দিব নোৱাৰো, মাটি যোগান ধৰিব নোৱাৰো তেনে হলে আমাৰ দেশখনত অৰ্থনৈতিক ক্ষেত্ৰত কোনো বৰঙণি যোগাব নোৱাৰিম। আজি আমি ২৫ বছৰীয়া কংগ্ৰেছ শাসনৰ পাচত কি দেখিবলৈ পাইছো? আইন তৈয়াৰ কৰা হয় কিন্তু পালবং কৰা নাই। আজি মাটি বিতৰণৰ ক্ষেত্ৰত বা মাটিৰ চিলিং আইন প্ৰযোজ্য কৰা ক্ষেত্ৰত চৰকাৰে বহুত ব্যৱস্থা হাতত লৈছিল কিন্তু এই ব্যৱস্থা বিলাক কোনো দিনে কোনো ক্ষেত্ৰত কাৰ্য্যকৰী কৰা দেখা নাপালো। আজি এই ক্ষেত্ৰত আমাৰ ইয়াত ভালেমান আইন তৈয়াৰ কৰা হৈছে। আমাৰ আগৰ চিলিং আইন জমিনদাৰী এবোলিচন এক্ট আৰু আমাৰ ভূমি সংস্কাৰ ক্ষেত্ৰত যিবিলাক

Speech not corrected.

আইন তৈয়াৰ কৰা হৈছিল, সেই আইন আজিও যদি ভালদৰে পৰীক্ষা কৰি চাও, আমি দেখিম আজিলৈ আতুত ভাবে কাৰ্য্যক্ষেত্ৰত খটোৱা বা প্ৰযোজ্য কৰা হোৱা নাই। আমাৰ মাননীয় সদস্য দেবেন ৰৰা ডাঙৰীয়াই তেখেতৰ লগতে সমৰ্থন কৰিব কৈছে আৰু আমাৰ যিখন চিলিং আইন যুগুত কৰা হৈছিল, মাটি নিদ্ধাৰণ ৫০ বিঘাকৈ কৰা হৈছিল, তেখেতে ভাবিছে এইখনৰ যোগেদি কৃষি বিপ্লব হব, সেউজীয়া বিপ্লৱ হব আৰু তেখেত সকল ডেকা মানুহ অৰ্থাৎ নতুন মানুহ আহিছে সম্পূৰ্ণ অৰ্থনৈতিক পৰিবৰ্ত্তন কৰিব পাৰিব বুলি ভাবিছে। তেখেত সকলৰ আগ্ৰহটোক মই বিশেষ ভাবে ওলগনি জনাইছো। কিন্তু মই তেখেত সকলক জনাব খুজিছো তেখেতসকলে যদি খুট-নাতি মাৰি ১৯৫২ চনৰ পৰা বাকী খিনি বাদ দি পৰীক্ষা কৰি চাই তেন্তে তেখেতসকলে দেখিবলৈ পাব এখন আইনো প্ৰয্যোজ্য কৰা নাই। এই চৰকাৰে আজি ধনীক আৰু ধনী কৰিছে আৰু দুখীয়াক আৰু দুখীয়া কৰিছে। এই ধৰণেৰে এক শ্ৰেণী নতুন মানুহ সৃষ্টি কৰা হৈছে। আমি আশা কৰিছিলো স্বাধীনতা পোৱাৰ পিচত গান্ধীজীৰ ইচ্ছা অনুসৰি মুধা ফুটা ধনী লোকসকলক তললৈ নমাব আৰু নিষ্পেষিত লোক সকলক ওপৰলৈ উঠুৱাৰ দিহা কৰা হব। আজি মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো কোনোবাই বুকুত হাত দি কব পাৰেনে যে যিসকল ব্যক্তিয়ে নিজৰ সমস্ত স্বাৰ্থ ত্যাগ কৰি দেশৰ স্বাধীনতা আৰ্জন কৰিলে সেই সকলৰ সপোন আজি দিঠকত ৰূপান্তৰিত কৰাৰ কিবা ব্যৱস্থা কৰিছেনে?

অধ্যক্ষ মহোদয়, আপুনি বিবেচনা কৰি চাওক আগতে উল্লেখ কৰা মতে বৰ্ত্তমান চৰকাৰে তেওঁলোকৰ ঘোষিত নীতিৰ যোগেদি ৰাইজৰ আৰ্থিক আৰু সামাজিক দিশত যি ভগা ঢোল কে বাবলৈ আৰম্ভ কৰিছে সেই ভগা ঢোলৰ আৱাজ বেচি দূৰলৈ নাযায় আৰু ৰাইজেও সেই আৱাজ নুশুনে। আজি যদি কোনোবা মানুহক সহায় কৰিব লাগে তেন্তে সেইটো হৈছে কৃষক শ্ৰেণী। কিন্তু কৃষক সকলক সহায় কৰাৰ পৰিৱৰ্ত্তে, মজদুৰ সকলক সহায় কৰাৰ পৰিবৰ্ত্তে, পিচপৰা জাতি আৰু জনজাতিক সহায় কৰাৰ পৰিবৰ্ত্তে চৰকাৰে কৰিছে কি? এই সকলো ক্ষেত্ৰত আমাৰ চৰকাৰ ব্যৰ্থ হৈছে। উদাহৰণ স্বৰূপে কওঁ যে যিসকলে আইন তৈয়াৰ কৰিছে সেই সকলেই আইন ভঙ্গ কৰিছে, এনে ধৰণেৰে আইন তৈয়াৰ কৰা এজন এসময়ত এই মন্ত্ৰী সভাৰে বিশিষ্ট সদস্য আছিল আৰু এতিয়াও কেন্দ্ৰীয় চৰকাৰৰ আসন পূৰণ কৰি আছে সেই জনেই আইন প্ৰস্তুত কৰি গৈছিল। যোৱাবাৰ লেণ্ড ইমপ্লিমেণ্টেচন কমিটি

গঠন কৰা হৈছিল তাৰ প্ৰতিবেদন প্ৰত্যেকেই পঢ়িছে তাৰ পৰা কি বুজা যায়? যিসকলে আইন প্ৰনয়ণ কৰিছে সেই সকলেই জানো আইন ভঙ্গ কৰা নাই? যি সকলে আইন তৈয়াৰ কৰে সেই সকলেই যদি আইন ভঙ্গ কৰে তেন্তে সেইসকলে জানো আমাৰ দেশৰ উঠি অহা ভবিষ্যত নাগৰিকৰ যি আশা আকাংক্ষা তাত কুঠাৰাঘাট কৰা নহব?

আজি মই ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ক সুধিব খোজো যে বহুতো কমিটি গঠিত হৈছে সেইবোৰ সম্পূৰ্ণ ভাবে কাৰ্য্যকৰী কৰিব পাৰিছেনে, যদি পাৰিছো বুলি কয় তেন্তে মন্বেই প্ৰথমে তেখেতক ওলগান জনাম ১২৷১৪ খন আইন পাছ কৰা হল আৰু সেই আইন আইন হৈয়েই থাকিল। গোৱাল-পাৰাত লেণ্ড টেনেন্সি এক্ট কৰা হল, তাৰ দ্বাৰা কাৰোবাৰ কিবা উপকাৰ হলনে? কৰিমগঞ্জত জমিদাৰী প্ৰথা উঠোৱাৰ চেষ্টা কৰা হলনে? যদি নহল কিয় নহল? এই আইনৰ যোগেদি এক বিশেষ শ্ৰেণীক হে শোষণ কৰিবলৈ সুবিধা দিয়া হৈছে। মই বেছি দূৰলৈ নাযাওঁ, ১৯৭১ চনত এখন আইন প্ৰনয়ণ কৰিছিল, তাৰ যোগেদি আমি মাটিৰ সীমা ৭৫ বিঘালৈ কমোৱা কথা জানো। ১৫০ বিঘাৰ পৰা ৭৫ বিঘা কৰিলে, কিন্তু ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে জনাব পাৰেনে যে ১৫০ বিঘাৰ পৰা ৭৫ বিঘা কৰাত কিমান মাটি উদ্ধাৰ কৰা হল আৰু কিমান মাটি প্ৰকৃত খেতিয়কক দিয়া হল? মোৰ ফালৰ পৰা কবলৈ গলে ১ ইঞ্চি মাটিও কৃষকক দিয়া নহল। এই আইন প্ৰনয়ণ কৰি কিছুমান দুৰ্নীতি পৰায়ণ লোকক হে সুবিধা লবলৈ সুযোগ দিয়া হ'ল। ফলত দুখীয়া মানুহৰ মূৰত টঙনীয়াই খাবলৈ এই শ্ৰেণীটোক সুযোগ দিয়া হল। ১৯৭০ চনত হুলস্থুল কৰি চিলিং আইন প্ৰনয়ণ কৰা হল, কিন্তু অকনো মাটি এতিয়ালৈকে চৰকাৰে কাৰোবাক দিছে বুলি কব নোৱাৰে। সিদিনা বিধান সভাত এটা প্ৰশ্নৰ উত্তৰত ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে কৈছিল যে ইমান ইমান মাটি দিয়া হল, কিন্তু মই তেখেতক জনাব খোজো যে সেই হিচাব খিনি তেখেতে ভুল তথ্যপাতিৰ ওপৰত ভিত্তি কৰি দিছিল, অৱশ্যে এই কথা কৈ মই বিশেষ অধিকাৰ ভঙ্গৰ প্ৰশ্ন তুলিব খোজা নাই সেই মাটি খিনি আজি প্ৰায় চাৰি দিনৰ আগতে চেটোল কৰা মাটি মই দাঠি কব পাৰো আৰু ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ক জনাব খোজো যে সেই ভুল তথ্য-পাতি বিলাকৰ দ্বাৰা ৰাইজৰ কোনো উপকাৰ নহয়, কিমান আইন কৰিলে কিন্তু আজিলৈকে এই চৰকাৰে এক চাহিও চাৰপ্লাচ লেণ্ড চাহ বাগান সমূহৰ পৰা উলিয়াব পৰা নাই। বন্ধু

শ্ৰীখাউণ্ড ডাঙৰীয়াই আজি ৰাতিপুৱা কৈছে যে এই বিলাক যোজনা কৰি থাকোতেই দিন যাব আৰু ৰাতি পুৱাব। মাটিৰ সৰ্ব্বোচ্চ পৰিমাণ ৭৫ বিঘা কৰাৰ পিচত আমি ৰেট্ৰ'চপেকটিভ দিয়াৰ কথা কৈছো। চাহবাগানৰ মাটি-বিলাক হয় বিক্ৰী কৰিছে নহয় লবলৈ চেষ্টা কৰিছে। শিৱসাগৰ, যোৰহাট জিলাৰ যিটো হিচাৰ মন্ত্ৰী মহোদয়ে দাঙি ধৰিছে সি এতিয়ালৈকে সিমান গ্ৰহণ যোগ্য নহয়। মোৰ আৰু মোৰ বন্ধু শ্ৰীখাউণ্ড ডাঙৰীয়াৰ এই সম্পৰ্কে যথেষ্ট জ্ঞান আছে। মই জনাব বিচাৰিছো কোনো এখন চাহ বাগানক তেখেত সকলে ৰিটান দিয়া নাই। মই চৰকাৰক কৈছিলো যে বিশেষ ধৰণেৰে আমাৰ শাসন যন্ত্ৰটো প্ৰস্তুত কৰি এই সম্পৰ্কে ব্যৱস্থা লব লাগে, কিন্তু এই সম্পৰ্কে কোনো ব্যৱস্থা নোলোৱাত ৰাজহ বিভাগত দুনীৰ্তিয়ে বাহ লৈছে। চিলিং আইন প্ৰযোজনাৰ ক্ষেত্ৰত মাটি দিয়া হৈছে, মণ্ডল-কাননগু বিলাকে যেতিয়া তাৰ মেপ লবলৈ যায় তেতিয়া তেওঁলোকৰ পকেট ফিট কৰিলৈ যায়, সেই কথা আমি জানো। যোগীঘোপা হিন্দবাৰী আৰু মেলেং চাহবাগিচাৰ মেপ যদি পৰীক্ষা কৰি চোৱা যায় তেন্তে দেখা পাব যে আবাদী মাটিৰ ঠাইত চাহ গছ দেখুৱাইছে আৰু যি ধৰণেৰে মেপত দেখুৱাব লাগে তেনে ধৰণেৰে দেখুৱা নাই আৰু তেওঁলোকে যিমান মাটি কম দেখুৱাব পাৰে সিমান কম দেখুৱাবলৈ চেষ্টা কৰিছে।

এইটো যদি এই আইন প্ৰযোজনা কৰাৰ ক্ষেত্ৰত যি ব্যৱস্থা গ্ৰহণ কৰিছে সেইখন বোৰক্ৰেটিক আইন নকৰিব, তাৰ জৰিয়তে ৰাইজৰ কোনো উপকাৰ নহব, এই কথা মই দাঠি কব পাৰো। এই সম্পৰ্কত বৰা ডাঙৰীয়াই যিটো আশা কৰিছে সেই আশা ফলবতী নহব তেখেতৰ আশাত চেচা পানি ঢলা হব। এইটো তেখেতে জনা উচিত। তেখেত যি শাসন যন্ত্ৰৰ মেৰপাক-ৰত পৰিছে, তেখেতৰ লগতে এই সদনলৈ ভালে কেইজন ডেকা বন্ধু আহিছে তেখেত সকলে তেখেত সকলৰ আশা বিলাক একে দিনাই ৰূপায়িত কৰিব পাৰিম বুলি ভাবিছে। কিন্তু অধ্যক্ষ মহোদয় ১৯৬২ চনত মই যেতিয়া যুৱক হিচাবে প্ৰথম সদনত সোমাইছিলো তেতিয়া ময়ো বহুত আশা লৈ আহিছিলো। তেতিয়া ভাবিছিলো আমাৰ দুখীয়া মানুহৰ কাৰণে কিবা অলপ কৰিব পাৰিম। মানুহৰ মুখত এমুঠি ভাত দিব পাৰিম। কিন্তু আজি এই সদনত থকা মোৰ ১১ বছৰ হল। ইয়ালৈ ডেকা বন্ধু বৰা ডাঙৰীয়া আহিছে, মই বিশেষকৈ শইকীয়া ডাঙৰীয়াক কব খুজিছো এই সকলো বিলাক কথাতে

ৰাইজক মাত্ৰ ঠগহে দি আছিছে। ৰাইজৰ কাৰণে একো কৰিব পৰা নাই। কাগজত ওলাইছে শ্ৰীতুলাল বৰুৱাই সদনত অমুক কৈছে শ্ৰীগৌৰী শংকৰ ভট্টাচাৰ্য্যই ভমুক কৈছে বুলি কৈছে কিন্তু আমি ৰাইজৰ কাৰণে কি কৰি দিব পাৰিছো। আপোনালোকে আইন কৰক বৰ ভাল কথা। কিন্তু এই আইন কেনেকৈ কাৰ্য্যকৰী কৰিব পাৰি সেই কথালৈ বিশেষ ভাবে লক্ষ্য কৰিব লাগিব। এই সম্পৰ্কে ষ্ট্ৰাকচাৰেল চেঞ্জৰ কথা শাসন যন্ত্ৰৰ কথা মুখ্য মন্ত্ৰীয়ে নিজেই কৈছে He has expressed is helplessness. I feel pity for him তেখেত সকলে যি আশা কৰি আছিছিল সেই বিলাক আইনৰ মেৰপাকত পৰি, বোৰক্ৰেটিক শ্ৰেণীৰ মেৰপাকত পৰি তেখেত সকলৰ প্ৰতিশ্ৰুতি বিলাক ৰক্ষা কৰিব নোৱাৰাত পৰিছে। চৰকাৰে আইন কৰিব পাৰে সেইটো অতি সহজ কথা। কিন্তু সেই আইন কেনেকৈ কাৰ্য্যত পৰিণত কৰিব পাৰে সেইটোহে আচলতে বিচাৰ্য্যৰ বিষয়। কালি মুখ্য মন্ত্ৰীয়ে এটা সত্য কথা স্বীকাৰ কৰি গৈছে যে যদিও আমাৰ ফালৰ পৰা যথেষ্ট ক্ষোভ প্ৰকাশ কৰা হৈছিল, আৰু আমি ক্ষোভ প্ৰকাশ কৰিয়েই থাকিম যেতিয়ালৈকে তেখেত সকলে নিজৰ দোষ স্বীকাৰ কৰি নলব আৰু শাসন যন্ত্ৰ পৰিস্কাৰ কৰিব নোৱাৰিব। আজি যেয়ে যি নকৰক শাসন যন্ত্ৰৰ মেৰপাকত পৰি ভূমি সংস্কাৰৰ কোনো প্ৰগ্ৰেচিভ মিজাৰ লব নোৱাৰে। যেতিয়ালৈকে শাসন যন্ত্ৰৰ প্ৰভাৱ গুচাই ৰাইজৰ ওচৰলৈ সু-প্ৰভাব নাথাব তেতিয়ালৈকে ৰাইজৰ কোনো কল্যান নহব। আমি আমাৰ ফালৰ পৰা কথা কম, মুখ্য মন্ত্ৰীয়ে তাৰ উত্তৰ দিব, মন্ত্ৰী সকলে উত্তৰ দিব, সিমানতেই শেষ। ইমানতেই শেষ হোৱাৰ কাৰণেই স্বাধীনতাৰ ২৫ বছৰৰ পিচতো ৰাইজৰ আৰ্থিক অৱস্থাৰ উন্নতিৰ ফালে যাওক চাৰি দিনক দিনে ভিক্ষাৰীতহে পৰিণত হৈছে। আমাৰ চৰকাৰে আঁচনি কৰিব লাগে ৰাইজৰ অৰ্থনৈতিক উন্নতিৰ কাৰণে, কিন্তু আমাৰ চৰকাৰে আঁচনি কৰিছে ৰাইজৰ অৰ্থনৈ-তিক উন্নতিৰ পৰিবৰ্ত্তে অৱনতিৰ কাৰণেহে। অধ্যক্ষ মহোদয়, আমাৰ দেশ খনত আগতে ভিক্ষাৰী নাছিল। কিন্তু যেতিয়াই প্ৰথম পৰিকল্পনা আৰম্ভ কৰিলে তেতিয়াই ভিক্ষাৰী ওলাল। আৰু সেই দৰে দ্বিতীয় পৰিকল্পনাত ভিক্ষাৰীৰ সংখ্যা বাঢ়ি গ'ল, তৃতীয় পৰিকল্পনাত আৰু বাঢ়িল আৰু ৪ৰ্থ পৰিকল্পনাৰ কালছোৱাত এই সংখ্যা বাঢ়ি গৈ ডেৰ লাখৰো ওপৰ হল। আগতে আমাৰ যি সকল মানুহে অৰ্থনৈতিক অৱস্থাত পৰি ভিক্ষা কৰিবলৈ বাধ্য হৈছিল সেই সকল মানুহে ভিক্ষা কৰিবলৈ লাজ কৰিছিল। তেওঁলোকে ভিক্ষা কৰিবলৈ

গৈ লাহে লাহে বহিছিল আৰু এমুঠি চাউল দিয়াৰ পাচত লাহে লাহে তললৈ মুৰ কৰি তাৰ পৰা গুচি আহিছিল। কিন্তু আজি কি হৈছে সেইটো মুখ্যমন্ত্ৰীয়ে নিজে লক্ষ্য কৰিছে, ৰাজহ মন্ত্ৰীয়ে লক্ষ্য কৰিছে, অসমীয়া ভিক্ষাৰী ও আজি কালি আমাৰ ঘৰলৈ আহে ভিক্ষা কৰিবলৈ। কিন্তু তেওঁলোকৰ ভিক্ষা কৰাৰ পদ্ধতি আগৰ দৰে নহয়। এমুঠি চাউল দিয়াৰ পাচত তেওঁলোকে আৰু বিচাৰে। কাৰণ ওচৰ চুবুৰীয়া মানুহে তেওঁলোকক সহায় কৰা তেওঁলোকৰ সামৰ্থ্য নাই। এই কথা revolutionery change may be there in respect of land reform but the question is whether we can bring real revolution in the field. আমাৰ প্ৰকৃত কাৰ্য্যৰ ক্ষেত্ৰত আমি এই ৰিভলেচন ঘূৰাই আনিব পাৰিছোনে নাই? মই কব খুজিছো যে আইনে ভাল কৰিছে এইটো সঁচা, কিন্তু প্ৰয়োগৰ ক্ষেত্ৰত কি হৈছে? এই বিষয়ত আমাৰ বিশেষকৈ ৰামকৃষ্ণৰ Agricultural and Community Development programmes in India. In the matter of implementation programmes are generally conceived at the highest levels without discussion with the people and are ordered to be executed in a particular way without knowing the social and economic environment of the society orders issue from the highest to the next subordinate authority from the latter to its next and so on till they are received by the workers at the lowest level in the hierarchy.

সেই ধৰণেৰে আমি সকলো ক্ষেত্ৰতে প্ৰায়ৰিটি কত দিব লাগে সেই কথা নাজানো। প্ৰায়ৰিটি কত দিব লাগে সেই কথা নজনাৰ কাৰণে বোৰক্ৰেটৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। মাননীয় মুখ্য মন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহ গাৱঁৰ পৰা আহিছে, শ্ৰীহুলাল বৰুৱা গাৱঁৰ পৰা আহিছে, শ্ৰীগৌৰী শঙ্কৰ ভট্টাচাৰ্য্য গাৱঁৰ পৰা আহিছে, তেখেত সকলে গাৱঁলীয়া সমাজৰ সকলোবিলাক কথা উপলব্ধি কৰিব পাৰে কিন্তু এই শাসক সকলৰ ভিতৰৰ যি সকল বাহিৰৰ পৰা আহিছে, যাৰ হাতত শাসনৰ চাবি কাঠি আছে, তেওঁলোকৰ আমাৰ গাৱঁলীয়া জীৱনৰ লগত পৰিচিত নহয়। অৱশ্যে সকলো বিলাক অফিচাৰেই বেয়া নহয়, কিন্তু সৰহ সংখ্যক অফিচাৰেই গাৱঁলীয়া জীবনৰ লগত সংশ্ৰৱ নাই। শ্ৰীহুলাল চন্দ্ৰ বৰুৱা যি দৰে টিউচন কৰি, হাল বাই আহিছে, শ্ৰীগৌৰী শংকৰ ভট্টাচাৰ্য্য যি দৰে দুখত উঠি আহিছে শ্ৰীশৰত চন্দ্ৰ সিংহ যি দৰে দুখ কষ্টৰ মাজেৰে পঢ়ি শুনি ডাঙৰ হৈ আহিছে সেই সকল অফিচাৰ সেই দৰে ডাঙৰ হোৱা নাই। তেওঁলোকে কেতিয়াও টিউচনি কৰি পঢ়িব লগীয়া হোৱা নাই।

গতিকে এই মানুহ বিলাকৰ হাতত যদি শাসনৰ দায়িত্ব থাকে তেতিয়াহলে আমাৰ গাৱঁলীয়া সমাজৰ বা বাইজৰ কি আৰ্থিক উন্নতি হব মই কব নোৱাৰো। সেই কাৰণেই মই কব খুজিছো যে আমি প্ৰায়বিটি কত দিব লাগে সেই কথা আমি নাজানো। আজি যি খন আইন আনিব খুজিছে সেই সম্পৰ্কত মই কব খুজিছো আগতে এই সদনত যি বিলাক আইন অনা হৈছিল সেই বিলাক আইন কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত আমাৰ যি তিক্ত অভিজ্ঞতা পাইছো সেই খিনি সন্মুখত ৰাখি এই আইন কাৰ্য্যকৰী কৰিবলৈ যাতে চৰকাৰে চেষ্টা কৰে তাকে অনুৰোধ জনালো।

মাননীয় অধ্যক্ষ মহোদয়, এই খন কিতাপত ১০৪ পৃষ্ঠাত লিখিছে-There is hardly any sense of urgency.................

Mr speaker : What book is this ?

It is a book by Shri Ram Krishan 'Grass-roots of Agricultural and Community Development programme in India.' " There is hardly any sense of urgency in dealing with the programmes of the people. Sense of urgency is visible only is such matters as the boss is interested in and shows his preference for" Only the boss who only gives preference for.

Prohibition of Sub-Cultivator letting......" It has been noticed that one of the reasons for the increase in the number of landless people is that in many cases, specially in the case of marginal cultivators, land passes from cultivators to non-cultivators as a result of heavy indebtedness or expenditure in connection with various obligations of the family. Under the Executive Instruction 6 of the Assam Land Revenue Manual, transfer of agricultural land from the professional to professional non-Cultivator without the previous sanction of the Deputy Commissioner is prohibited ." Sir, strictly it is the order of the boss..........

আমাৰ যি সকল মুৰব্বী সেই সকলে যি ধৰণে বিবেচনা কৰে, সেই ধৰণেই প্ৰায়বটি দিয়া হয়। বহুতো চিন্তাৰে বিচাৰ কৰি সেই ভিত্তিত প্ৰায়বটি দিয়া নহয়।

অধ্যক্ষ মহোদয়, আজি আমি দেখিবলৈ পাইছো যে ইয়াত এখনপ্ৰস্তাৱ পাছ কৰা হৈছে। এই প্ৰস্তাৱ সমূহৰ ভিতৰত ইয়াত স্পষ্ট ভাবে ঘোষিত নীতি কেইটামান চৰকাৰে আমাৰ আগত দাঙ্গি ধৰিছিল। ইয়াত পেজ ৩ আছে :—

" The area to be settled per family, whose existing total holding is less than 10 bighas............

less than 10 bighas, shall be so much as will, together with any land already held, make the total holding equal to 10 bighas, but priorities in settlement shall be determind in the following order :—

(a) those who have no land ;

(b) those who have lands below 5 bighas ;

(c) those who have lands between 5 bighas and 8 bighas ;

(d) those who have lands above 8 bighas ;

এইখন পঠিয়াইছিল। পঠাই দিয়াৰ পাছতো আমাৰ যোৰহাট চাবডিভিজনৰ ভিতৰত যি সকল মাটিৰ মালিক, যি সকল বাগানৰ মালিক তেওঁলোকে মাটি বিক্ৰী কৰি শেষ কৰি পেলাইছে। আমাৰ চৰকাৰে বিষয়া সকলক দফে দফে জনোৱা স্বত্বেও কোনো ব্যৱস্থা নললে। অভাব আছে। ইয়াৰ ফলত এতিয়া যদি ১০ বিঘালৈও চিলিং কৰি দিয়া যায় তেনেহলে মাটি আমাৰ চৰকাৰে নাপায়। যদি চিলিং ৫ বিঘাও কৰি দিয়ে তেনেহলেও চৰকাৰে মাটি নাপায়। মাটি ইতিমধ্যে মাটিৰ মালিকৰ পৰা অন্যৰ হাতলৈ গুচি গৈছে। আমাৰ যি সকল কৃষক, সেইসকলৰ হাতৰ পৰাও এবিধ ধনীক শ্ৰেণী মানুহৰ হাতলৈ মাটিখিনি গুচি গৈছে। এতিয়া চৰকাৰে মাটি কৰ পৰা পাব আৰু কেনেকৈ পাব ? এইখনত যিখিনি কথা প্ৰস্তাৱৰ যোগেদি কাৰ্য্যকৰী কৰিবৰ কাৰণে আমাৰ বিভিন্ন জিলাৰ বিষয়া সকলক দিয়া হৈছিল তাৰ কিবা এটা কাৰ্য্যকৰী ব্যৱস্থা হাতত ললেনে নাই ? অধ্যক্ষ মহোদয়, মই ৰাজহ মন্ত্ৰীক সুধিব খুজিছো আগতেও আলোচনা প্ৰসংগত এই কথাৰ উত্থাপন কৰা হৈছিল কিন্তু মন্ত্ৰী মহোদয়ে এটা হিচাব দাঙি ধৰিছিল কিন্তু সেই হিচাব মই মানি লোৱা নাই। অধ্যক্ষ মহোদয়, মই কব বিচাৰিছো যে আমাক ভুল তথ্য পাতি দি আমাক ভ্ৰান্ত কৰিবলৈ যোৱাটো চৰকাৰৰ যুক্তিসংগত নহব। চৰকাৰে পঞ্চায়তৰ যিবিলাক লিষ্ট কৰিবলৈ দিছিল সেইবিলাক তাতে পৰি থাকিল। মাটিহীন মানুহক মাটি দিবৰ বাবে চৰকাৰে যি বিলাক নিৰ্দ্দেশ দিছিল সেইবিলাক তেনেকৈয়ে পৰি থাকিল। ৰাজনৈতিক স্বাৰ্থ সিদ্ধিৰ কাৰণে ৰাজনৈতিক মনোভাৱ লৈ চৰকাৰে যি আইন পাচ কৰিছে সেইটো স্পষ্টভাবে আমাক কব লাগে। আজি শাসনত অধিষ্ঠিত হৈ ৰাইজৰ ভালৰ কাৰণে, ৰাইজৰ মঙ্গলৰ কাৰণে দুখীয়া শ্ৰেণীক উদ্ধাৰ কৰিবৰ কাৰণে আইন প্ৰনয়ণ কৰিছে কিন্তু বৰ্ত্তমান সেইবিলাক আইন ভালধৰণে প্ৰয়োগ কৰিব লাগে। আৰু এই ক্ষেত্ৰত

আমাৰ এই ২৫ বছৰীয়া যুৱক কংগ্ৰেছ শাসনত ব্যৰ্থ হৈছে। এই ক্ষেত্ৰত আমাৰ এটা কথা হৈছে, আজি আমি কিছুমান নীতি লৈছো, সেইটো হৈছে বৰো থিয়ৰি। ৰাচিয়াত কিবা এটা কৰিলে ভাৰতবৰ্ষতো কৰিব লাগে বুলি কৈছে, ভাৰতবৰ্ষত কৰা দেখিলে অসমত, প্ৰত্যেক প্ৰদেশতে কৰিব লাগে বুলি কৈছে। কিন্তু অধ্যক্ষ মহোদয়, আজি ৰাচিয়াৰ যিটো অৱস্থা অৰ্থনৈতিক অৱস্থা, সামাজিক অৱস্থা, ইয়াৰ লগত আমাৰ দেশৰ অৱস্থা কেতিয়াও নিমিলে। এইবিলাক দেশৰ অৰ্থনৈতিক অৱস্থা, ৰাজনৈতিক অৱস্থা আমাৰ পৰা সম্পূৰ্ণ ভাবে বেলেগ। ইয়াৰ বাহিৰেও যিবিলাক দেশ বা উপদেশ আছে সেইবিলাকৰ বুৰঞ্জী, সেইবিলাকৰ শাসন ব্যৱস্থা, সেইবিলাকৰ ৰাজনৈতিক ব্যৱস্থা, অৰ্থনৈতিক ব্যৱস্থা আমাৰ লগত নিমিলে। ভাৰতবৰ্ষৰ ঐতিহ্য আছে। ভাৰতবৰ্ষৰ লগত বুৰঞ্জী কাৰো লগত তুলনা কৰিব পৰা নহয়। সেইদৰে অসমৰ বুৰঞ্জীও ভাৰতৰ লগত তুলনা কৰিব নোৱাৰি। অসম দেশৰ ৰাজনৈতিক অৱস্থা, সামাজিক অৱস্থা, অৰ্থনৈতিক অৱস্থা ভাৰতবৰ্ষই নহয় অন্যান্য দেশৰ লগতো তুলনা কৰিব নোৱাৰি। গতিকে এইবিলাক কথালৈ দৃষ্টি নাৰাখি কোনো কথা বক্তৃতা নোহোৱাকৈ এইবিলাক শুনিলেই আমাৰ দেশৰ মানুহক কতিয়াই খুৱাবলৈ বিছাৰে। এইটো আমাৰ মূৰ্খামি, ভূলৰ বাহিৰে একো হব নোৱাৰে। সেইকাৰণে বৰ্ত্তমান অৱস্থাত আমাৰ অৰ্থনৈতিক ব্যৱস্থা, কৃষি জীৱনৰ সামাজিক ব্যৱস্থা সেই অৱস্থাত আইন প্ৰনয়ণ কৰা দৰকাৰ অধ্যক্ষ মহোদয়, সেইকাৰণে মই কব খুজিছো যে, ৫০ বিঘা, ১৫০ বিঘা, ৭৫ বিঘা বা আমাৰ লৰা ছোৱালীৰ দিনত আহি তেওঁলোকে ১০ বিঘা হব বুলি কলেও কাৰো একো উপকাৰ নহয়। যদি প্ৰকৃততে গাৱঁত থকা গাৱঁলীয়া মানুহেই সমাজৰ মেৰুদণ্ড হয় আৰু এইকাৰণেই সমাজৰ মেৰুদণ্ড বুলি কব লাগিব কাৰণ আমি ভোটৰ সময়ত তেওঁলোকৰ ওচৰলৈ গৈ বিশেষ খবৰ লৈ আনকি বাগানৰ মজদুৰ সকলকো আৰু তেওঁলোকৰো খবৰ লৈ তেওঁলোকৰ ঘৰলৈ গৈ ফটা বস্তা আৰু দুখৰি পীৰাত বহিবলৈ আৰম্ভ কৰো। তাতেই আমাৰ কাম শেষ। তাৰ পিছত তেওঁলোকৰ লগত আমাৰ কোনো দৰকাৰ নাই। কেতিয়াবা গাৱলৈ গলেও পকা ঘৰ থকা মানুহৰ ঘৰত গৈ বহি চাহ জলপান খাই গুচি আহিছো। আগৰ শ্ৰদ্ধেয় মুখ্যমন্ত্ৰীয়ে মৃত্যুৰ সময়ত এটা কথা কৈছিল। সেইটো হল যে আমাৰ এই ভূমিনীতিৰ লগত সমন্ধ আছে। সেইটো তেখেতে এটা কথা লৈ কৈছিল যেতিয়া মই তেখেতক ৰাজনীতিৰ পৰা আতৰিবলৈ মন কৰিলে বুলি কৈছিলো। তেতিয়া তেখেতে আৰু কৈছিল যে তেতিয়া ৰাজনীতি কোনে কৰিব? কাৰণ গাৱত গৈ আমাৰ মানুহে বিশেষ এজন মানুহক গুৰুত্ব দিব নোৱাৰে।

আমাৰ গাৱঁৰ মূৰব্বীজন যদি শোষণকাৰী লোক হয়, আৰু তেৰেঁই যদি মূখ্যমন্ত্ৰীৰ নাম লৈ প্ৰতিনিধিত্ব কৰিবলৈ আহে, তেন্তে আমাৰ শোষণ কেতিয়াও বন্ধ নহয়। মাটি বিতৰণৰ ক্ষেত্ৰত যিসকলক মাটি দিব লাগে —সেইসকলক মাটি দিব পৰা নাই। আজি আমি কৰ্পোৰেচন কৰিবলৈ কৈছো, আনহাতে এক্জিকিউটিভ অৰ্ডাৰ পাছ কৰিছো যে ক'অপাৰেটিভত জোৰ দিব লাগে। এতিয়া আমি কৰ্পোৰেচন কৰিব লাগিব নে ক'অপাৰেটিভ্ কৰিব লাগিব ? কৰ্পোৰেচনটো আমাৰ ধাৰ কৰি অনা বস্তু। চচিয়েলিষ্টিক আৰু ইকনমিক ষ্ট্ৰাক্চাৰ্ নিমিলে। এজন মানুহক ৰচি লগাই গছৰ ওপৰলৈ নি মাজতে মাৰি পেলোৱাৰ নিচিনা হৈছে। আজি ২৫ বছৰেও অচেনি প্ৰস্তুত কৰি খেতিয়কক চিকিউৰিটি দিব পৰা নাই। মালিকসকলৰ সুবিধাৰ কাৰণে এইবিলাক কৰা হৈছে। দহ-পাঁচটা গোটত কৰ্পোৰেচন কৰিলেই ক'অপাৰেটিভ্ মু'ভমেণ্ট্ হলনেকি ? আজি সকলোতে চৰকাৰে ফেইলাৰ হৈছে। এই কৰ্পোৰেচনতো একেইটা হব। সেই কাৰণে মই অনুৰোধ কৰো এই ব্যৱস্থা বিলাক সপোন বিলাসী ভাবে নকৰি বাস্তৱ ভিত্তিত কৰা দৰ্কাৰ। আইনখন কৰিবলৈ যোৱাৰ আগতে চৰকাৰে বাস্তৱ গতিৰ কথাবিলাক পাহৰি যোৱা উচিত নহয়। উদাহৰণস্বৰূপে চিলিং আইন কৰা হল—আমি ৰাইট্ প্ৰটেক্চন কৰিব পাৰিম নে নাই ? নোনমাটিত অইল ৰিফাইনেৰি হল। কিন্তু দিল্লীৰ ক্ষমতাত অধিষ্ঠিত লোকে টকা পাই আছে। তাত থকা ট্ৰাইবেল বড়ো-কছাৰি সকল কলৈ গল ? কি হল ? তেওঁলোকৰ কাৰণে কি ব্যৱস্থা কৰিলে কোনেও কব নোৱাৰে। আনকি ৪ৰ্থ শ্ৰেণীৰ চাকৰিৰ বাবেও কোনো ব্যৱস্থা কৰিব নোৱাৰিলে। একপইছাও কম্পেনচেচন তেওঁলোকে নাপালে। কাৰণ তেওঁলোক টেনেণ্ট্ আছিল। ব্লক-বেল্টত ইন্টাৰফিয়েৰ নকৰিবলৈ কৈছিল : কিন্তু জনজাতি আৰু অনুসূচীত জাতিৰ বাবে কি ব্যৱস্থা হাতত ললে, আজি বাহিৰৰ পৰা মানুহৰ সোত বব লাগিছে। আমাৰ অসমৰ খিলঞ্জীয়া মানুহক নিৰ্ম্মূল কৰাৰ ষড়যন্ত্ৰ চলাইছে। আজি মন্ত্ৰীসকল মন্ত্ৰী হয়েই আছে আৰু প্ৰশ্নোত্তৰ দি আছে-কিন্তু বাংলাদেশৰ পৰা অহা লোকক পঠোৱাৰ বাবে কি ব্যৱস্থা হাতত লৈছে ? তেওঁলোকে ইতিমধ্যে সমন্ধীয় মানুহৰ লগত গাৱঁত সোমাই, জঙ্গলত সোমাই মাটিত বহি গৈছে আৰু জনজাতি লোকৰ লগত মিলি গৈছে। সেই বিলাক কথা চৰকাৰে গম নাপায়। কিন্তু তেওঁলোকক বাহিৰ কৰাৰ কি

ব্যৱস্থা হাতত লৈছে ? অনুসূচীজাতি, জনজাতি আৰু নিষ্পেষিত লোকৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে চৰকাৰে কি বন্দবস্তি কৰিছে ? খেতিয়ক শ্ৰেণীৰ উদ্দেশ্যে আইন প্ৰনয়ণ কৰা হৈছে। ইয়াৰ উদ্দেশ্য হল খেতিয়ক সকলক সহায় কৰা আৰু উদ্ধাৰ কৰা। কিন্তু তেওঁলোকৰ উদ্ধাৰৰ কাৰণে কোনো ব্যৱস্থা কৰা আমি দেখা নাই।

আন এটা কথা আজি আমাৰ ৰাজ্যত নেপালীসকলে মহ খুতি, গৰু খুটি আদি পাতি ডাবোল চিটিজেনচিপ পাইছে আৰু সেইদৰে থাকি স্থায়ী হিচাবে থকাৰ সুবিধা গ্ৰহণ কৰিছে। আমাৰ ইয়াত বহুত ধৰণৰ নেপালী মানুহ আছে-সেই বিষয়ে আপোনালোক সকলোৱে জানে। ট্ৰাইবেল বেল্টব্লক বিলাকৰ ৰক্ষণাবেক্ষণৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত বিশেষ ধৰণে আলোচনা কৰি ব্যৱস্থা লব লাগে। তেওঁলোকে ইয়াতো সম্পত্তি ৰাখিব আৰু আন ঠাইতো সম্পত্তি ৰাখিব এইটো কেনে ধৰণৰ কথা ? হয় তেওঁলোকক ইয়াৰ পৰা বাহিৰ কৰি দিব লাগে নহয় তেওঁলোকক স্থায়ী ভাৱে বসবাস দি নেপালৰ চিটিজেনচিপ শেষ কৰি দিব লাগে। আইন প্ৰনয়ণ কৰা হয় ৰাইজৰ উপকাৰৰ কাৰণে : কিন্তু আজি এই ২৫ বছৰৰ ভিতৰত আইনৰ যোগেদি জনসাধাৰণৰ কোনো উপকাৰ নহল। গতিকে এই চিলিং আইনৰ যোগেদি আমাৰ নিষ্পেষিত জনসাধাৰণক ধেমাচেপাত নেপেলাই জনসাধাৰণৰ অৰ্থনৈতিক জীৱনৰ মানদণ্ড উন্নত কৰিবলৈ মই চৰকাৰৰ ওচৰত দাবী জনালো। মই দৃঢ় ভাৱে কব বিচাৰিছো যে এই আইন প্ৰযোজ্য কৰাৰ ব্যৱস্থা কৰিব পাৰিব। মই মাননীয় সদস্য শ্ৰীখাউণ্ড দেবৰ লগত একমত যে এই আইনখনৰ ৰেট্ৰস্পেক্টিভ্ এফেক্ট দি হলেও আইনখন প্ৰযোজ্য কৰিব লাগে। তেতিয়াহলে আমি লুকাই থকা মাটিবিলাক পুনৰ ঘুৰাই আনি প্ৰকৃত খেতিয়কক দিব পাৰিম। এই বিষয়ত চেষ্টা কৰিব বুলি আশা কৰিলো।

* শ্ৰীসোনেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, ভূমিৰ সৰ্ব্বোচ্চসীমা নিদ্ধাৰণৰ সংশোধনী বিল খনৰ বিবেচনাৰ সময়ত মইও দুআষাৰ মান কথা কব খুজিছোঁ।

সাধাৰণতে আমি দুটা বস্তু পাইছোঁ। এটা হৈছে ভগনীয়া আৰু আনটো হৈছে মগনীয়া। এই দুটা বস্তু পোৱাৰ পিছত এতিয়া আমি আগুৱাই আহিছোঁ সমাজ বাদৰ ফাললৈ। মাননীয় সদস্য শ্ৰীদেবেন বৰা ডাঙৰীয়াই

---

* Speech rot Corrected

আমাক এই বৈপ্লৱিক ভূমি নীতিটোক আদৰ কৰিবলৈ আৰু সমৰ্থন কৰিবলৈ কৈছে। তেখেত বৰ পিছতীয়াকৈ সমাজবাদী হৈছে। সেইকাৰণেই বোধহয় তেখেতে আমাক এই কথা কৈছে আৰু সেইকাৰণেই বোধহয় আজি এই আহ্বান আমালৈ আহিছে। বুৰঞ্জী নেজানিলে ৰাজনীতি কৰা টান। আমাৰ বৰ্ত্তমানৰ ৰাজহ মন্ত্ৰী শ্ৰীগগৈদেৱে এসময়ত কংগ্ৰেছৰ সদস্য থকাৰ পৰা ওলাই আহিছিল। এতিয়া তেখেতেই এই বিল খন উৎথাপন কৰিছে। ১৯৪৮ চনৰ এপ্ৰিল মাহৰ প্ৰথম সপ্তাহত নাচিকত বহা চছিয়েলিষ্ট সন্মিলনত তেখেতে প্ৰতিনিধীত্ব কৰিছিল। পুৰুষোত্তম দাসৰ নেতৃত্বত তেখেতে কংগ্ৰেছ পৰিত্যাগ কৰি ওলাই আহিছিল এই কাৰণেই যে কংগ্ৰেছৰ সমাজনীতি, অৰ্থনীতি, বা আন যিকোনো নীতিকেই তেওঁলোকে গ্ৰহণ কৰিবলৈ কোনো প্ৰকাৰেই সক্ষম নহয়গৈ। এই কাৰণেই তেওঁলোকে কংগ্ৰেছ বাদ দিছিল। এই চৰিত্ৰটোকে তেতিয়া আমি দেখিছিলো। কিন্তু আকৌ যেতিয়া ১৯৫৪ চনত পণ্ডিত নেহেৰুজীৰ নেতৃত্বত আবাদী কংগ্ৰেছৰ সমাজবাদৰ ধ্বনি উঠিছিল তেতিয়া তেওঁ আকৌ কংগ্ৰেছলৈ ফিৰি গল। কংগ্ৰেছত থাকি সমাজবাদ প্ৰতিষ্ঠা কৰাৰ আশা লৈ। আজি ১৮ বছৰৰ পিছত তেখেত সকলে সমাজ-বাদৰ যি ভোমোৰা দেখুৱাইছে, তাৰ দ্বাৰা সমাজবাদ আপোনালোকে নিশ্চয় পাব। কংগ্ৰেছ দল বা মানুহ হিচাবে মই কবলৈ অহা নাই, কিন্তু সমাজবাদ প্ৰবৰ্ত্তণৰ ক্ষেত্ৰত যি বৈপ্লৱিক ভূমি নীতি গ্ৰহণ কৰিব খুজিছে সেইটোহে মোৰ আলোচ্য বিষয়। ভূমি ৫০ বিঘালৈ কমোৱাটোত আমাৰ বিৰোধী দলৰ পৰা কেতিয়াও আপত্তি কৰা নাই। দুই এজন কংগ্ৰেছী সদস্যই কাষত ফুচ-ফুচাই কোৱা শুনিছো যে, বিৰোধীদলে জানো কংগ্ৰেছৰ এই ভূমি নীতি সমৰ্থন কৰিব? তাৰ উত্তৰত মই কওঁ যে এই নীতিত আমি বিৰোধীতা কৰা নাই। কিন্তু মই মাত্ৰ এইটোকেহে কব খুজিছো যে ওপৰটো বন্ধাৰ আগতে আমি তলটোহে আগতে বান্ধিব লাগিব। কিমান পৰিমাণৰ ভূমি দিলে এটা কৃষক পৰিয়ালে অৰ্থনৈতিক পৰিস্থিতিৰ সন্মুখত খাই লৈ জীয়াই থাকিব পাৰিব সেইখিনি নিদিয়াকৈ ওপৰৰখিনি কাৰ পৰা কাটিব ধৰিছে? এইটোৱেই হৈছে সমাজবাদৰ আগৰ প্ৰশ্ন। সমাজবাদে এটা কথা স্বীকাৰ কৰে, সেইটো হৈছে সমতা। সমতা বিহীন সমাজ কেতিয়াও সমাজবাদী সমাজ হব নোৱাৰে। সেইসমতা লাগিলে ৰাজনৈতিক ক্ষেত্ৰতেই হওঁক, অৰ্থনৈতিক ক্ষেত্ৰতেই হওঁক বা সাংস্কৃতিক আদি দিশতেই হওঁক। আমাৰ চৰকাৰৰ যিজন মূখ্য সচিব,

তেখেতকে আমাৰ ৰাজ্যিক পৰ্য্যায়ত ডাঙৰ চৰকাৰী বিষয়া বুলি কোৱা হয়। তেওঁ মাহে তিনিহেজাৰ কৰি দৰ্মহা পায়। মাহে তিনিহেজাৰকৈ বছেৰেকত তেওঁ পাই ৩৬ হেজাৰ টকা। তাৰ পিছত আমাৰ আতাইতকৈ ধনী খেতিয়ক জন হব ৫০ বিঘা মাটিৰ মালিক। তেওঁ এই ৫০ বিঘা মাটিত খেতি কৰিলে প্ৰতি বিঘাত গৰু, হাল আদিৰ খৰছ আদি কৰি বিঘাই প্ৰতি ৫ মোণকৈ হলেও বছেৰেকত প্ৰায় ২৫০ মোণমান ধান পাব। এই ২৫০ মোণধানত অতি কম পক্ষেও ২০ টকাকৈ হলেও বছেৰেকত ৫০০০ টকা পায়। অন্যহাতেদি এজন ডাঙৰ ব্যৱসায়ীয়ে ১০ হেজাৰ টকাৰ মূলধন লৈও ব্যৱসায় আৰম্ভ কৰিলে সকলো আদান-প্ৰদান কৰিও মাহে টকাই প্ৰতি এক অনাকৈ লাভ কৰিলেও বছেৰেকত এই দহ হেজাৰ টকাৰ ওপৰত ৭,৫০০ টকা লাভ হয়। সেইখন দেশতে আকৌ সকলো খৰছ পাতি কৰি এজন ধনী খেতিয়কক যদি বছেৰেকত ৫০০০ হেজাৰ টকাকৈ দিয়াৰ ব্যৱস্থা হয় আৰু তেতিয়াহলে, সেইখন দেশত সমতা নেথাকে বা থাকিব নোৱাৰে। সেইফালৰ পৰাই এই নীতি সমালোচনা হব লাগে। মুঠৰ ওপৰত আচনি আৰু নীতি দুটা বেলেগ বস্তু। আচনিখনকে নীতি বুলি ভাবিলে বৰ দুৰ্ভাগ্যৰ কথা হব। কংগ্ৰেছী সদস্য সকলেও সেই কথা বুজিছে বুলি কব নোৱাৰি। তেওঁলোকে আচনিকে নীতি বুলি কৈছে। মাটিৰ চিলিং কৰিলে, সমাজবাদৰ কথা কলে ধনৰো চিলিং হব লাগিব। আৰু তাৰ লগে লগে ব্যৱসায়ৰো চিলিং হব লাগিব। লগে লগে আমাৰ যিবিলাক আইন আদি কৰা হয় সেই সকলো বিলাক প্ৰণয়নো কৰিব লাগিব। আজি যদি আমাৰ মহকুমা পৰ্য্যায়ৰ এচিষ্টেণ্ট ৰেজিষ্টাৰৰ অফিচ বিলাকলৈ যাও তাত দেখা পাম যে দুবছৰ, আঢ়ৈ বছৰ বা ডেৰ বছৰৰ আগৰ কামো তাত বেক্ দেট দি এই সকলো বিলাক কাম কৰি থকা হৈছে। ফলত আপোনালোকে মাটি নেপায়। মাটি কলৈ যাব? মাটি এইখন দেশতে থাকিব। মাটিৰ সৰ্ব্বোচ্চ সীমা ৫০ বিঘা নকৰে কিন্তু ৪৯ বিঘালৈকে থাকিলে তাকো নধৰে। ধৰি লওক এজন মানুহৰ টাউনত এটা চিনেমা হলত মাহে একলাখ টকা উপাৰ্জন হয় আৰু আন হাতেদি তেওঁৰ ৪৯ বিঘা মাটিও আছে। সেই মানুহজনক কিন্তু এই চিলিঙে নধৰে। গতিকে এই ধৰণেই চৰকাৰৰ এই ব্যৱস্থাটো এটা বিসঙ্গতিপূৰ্ণ কথা হৈ পৰিছে। এই বিষয়ে মহাত্মাগান্ধীয়ে কোৱাৰ দৰে আৱশ্যকতাতকৈ বেছি ৰখা পাপ। আৱশ্যকৰ মাটি থকাটো পাপ নহয়। কিন্তু তাৰোপৰি যদি অন্যান্য ব্যৱস্থা আদি থাকে তেন্তে, সেইটো এটা পাপ। এই

মাটিৰ চিলিং সম্পত্তিৰ ভিত্তিত কৰিব লাগিব। আজি এই ক্ষেত্ৰত ৰাইজৰ ঝাৰেই সমালোচনা হৈছে। গতিকেই চিলিঙৰ বিৰুদ্ধে আজি আমাৰ ৰাইজে অসন্তুষ্ট হৈ তেওঁলোকে তাৰ বিৰুদ্ধে আন্দোলন আৰম্ভ কৰি দিছে। মই অৱশ্যে তেওঁলোকক আন্দোলন কৰাৰ কাৰণে উৎসাহ দিব খোজা নাইকীয়া। কিন্তু কথা হৈছে যি অৱস্থাত মানুহে মাটিকো এটা সম্পত্তি হিচাবে গ্ৰহণ কৰিছে, সেই সময়ত আমাৰ চৰকাৰে তাৰ চিলিং কৰিবলৈ ওলাইছে। তাৰ পৰা তেওঁলোকক কি দিবগৈ? আজি অন্যান্য সম্পত্তিৰ দৰে মাটিও এটা সম্পত্তি হৈ পৰিছে। মাটিক মানুহৰ জীৱন নিৰ্বাহৰ আহিলা হিচাবে গ্ৰহণ কৰাবলৈ চৰকাৰৰ তৰফৰ পৰা কোনো ব্যৱস্থাই কৰা হোৱা নাইকীয়া। আজি আমাৰ কৃষকে হালৰ গৰু মৰিলে, লৰা-ছোৱালীৰ পঢ়া-শুনাৰ খৰছ যোগাবৰ কাৰণে, বেমাৰ আদিত পৰিলে চিকিৎসা-পাতি আদি দৈনন্দিন যাৱতীয় খৰছৰ অভাৱ মিটাবলৈ অন্যপ্ৰকাৰে কোনো সংস্থান কৰিব নোৱাৰি এই মাটিকে বিক্ৰীকৰি তাৰ খৰছ যোগাব লগা হয়। গতিকেই বা হৰা অন্য কোনো সংস্থান নোহোৱা এই মানুহবিলাকৰ কাৰনে মাটিটোৱেই এটা সম্পত্তি আৰু মোহৰ বস্তু হৈ পৰিছে। গতিকে এই মানুহ বিলাকক উক্ত অভাৱ সমূহৰ কাৰনে যদি কিবা 'এলাউন্স' আদি দিয়াৰ ব্যৱস্থা নেথাকে তেন্তে সেই মানুহ বিলাকৰ মাটিৰ প্ৰতি থকা সেই মোহ কেতিয়াও আতৰ নহব। এই ঘটনাৰ পৰিপ্ৰেক্ষিততে এই আইন বা ব্যৱস্থা সমূহ ফলৱতী হোৱাৰ সন্দেহ আছে। আজি ৰিজাৰ্ভৰ যিখিনি মাটি বিতৰন কৰিব, বা যিখিনি উদ্বৃত মাটি বা নতুন পদ্ধতিত খেতি হব নোৱাৰা বুলি বিবেচ্য হোৱা মাটিখিনিক দেশৰ মৌলিক মাটি নীতিৰ পদ্ধতিলৈ আনিব লাগিব। মানুহৰ ভূমিস্বত্ত নাকচ কৰিব লাগিব। মাটিৰ মালিকানা স্বত্ত বিলোপ নকৰাকৈ কেৱল আমাৰ লাও লোৱা টোকোনা মানুহ কেইটা লৈয়েই আমাৰ বিপ্লৱ কৰিব খুজিলে, সেই বিপ্লৱ কেতিয়াও সফল হব নোৱাৰে। গাৱঁলৈ গৈ সেৱা লোৱাৰ পৰিবৰ্ত্তে সেৱা কৰাৰহে প্ৰশিক্ষণ লব পাৰিব লাগিব। জাতিৰ পিতা মহাত্মা গান্ধীয়ে গাৱঁলৈহে যাবলৈ কৈছিল—গাৱঁক সেৱা কৰিবলৈ, গাৱঁৰ পৰা ফুলৰ মালা আৰু আমাৰ হোজা ৰাইজৰ সেৱা গ্ৰহণ কৰিবলৈ নহয়। নগৰত গৈ ঘূৰি ফুৰাৰ কাৰণে গান্ধীজীয়ে আহবান কৰা নাছিল। আপোনালোকে কৈছে সম্পত্তি খিনি পাম কিন্তু মই কৈছো সম্পত্তিখিনি নেপায়।

এজন কেন্দ্ৰীয় মন্ত্ৰীয়ে গুৱাহাটী মহানগৰীৰ মাজমজিয়াত থকা কেবা মহলীয়া প্ৰাসাদোপম ঘৰ এটা অলপতে ভাৰতৰ জীৱন বীমা কৰ্পোৰেশ্বনক ১৭,

৫০,০০০ টকাত বিক্ৰী কৰিছে বুলি জানিব পৰা গৈছে। নগৰীয়া সম্পত্তিৰ উচ্চতম সীমা নিৰ্দ্ধাৰক আইন খন অলপতে ৰাজ্য বিধান সভাত উত্থাপিত হব পাৰে বুলি প্ৰকাশ পোৱাৰ পিচতে কেন্দ্ৰীয় মন্ত্ৰী জনে এই ঘৰটো বিক্ৰী কৰাত ৰাইজে আশ্চৰ্য প্ৰকাশ কৰিছে। ৰাইজৰ সন্দেহ উপজিছে যে আগন্তুক নগৰীয়া সম্পত্তি বিষয়ক আইনৰ পৰা ৰক্ষা পাবৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী জনে এই ব্যৱস্থা হাতত লৈছে। ১৯৫৬ চনৰ অসমৰ ভূমি সৰ্ব্বোচ্চ সীমা নিৰ্দ্ধাৰণৰ আইনখন ফাকি দি এই মন্ত্ৰী জনে তেতিয়া বহুত লাখ টকা মাটি বেছি পাইছিল বুলিও প্ৰকাশ। অসমৰ আগৰখন বিধান সভাত তেতিয়াৰ সদস্য শ্ৰীগোবিন্দ কলিতাৰ এলানি অভিযোগৰ তদন্তৰ বাবে গঠিত কমিটিয়েও এই মন্ত্ৰীজনৰ মাটি-বাৰী সম্পৰ্কীয় লেন-দেন আইন সন্মত নাছিল বুলি ৰায় দিয়া আছে।

কেন্দ্ৰৰ সমাজবাদী মন্ত্ৰী এজনে কিয় আৰু কেনেকৈ ৰাজহুৱা খণ্ডৰ জীৱন বীমা কৰৰ্পোৰেচনক চাৰে সোতৰ লাখ টকাৰ ঘৰ বিক্ৰী কৰিবলৈ পালে আৰু কৰপৰেচনেই বা কিয় "সমাজবাদী জমিদাৰজনক" ৰক্ষা কৰিবলৈ আগবাঢ়ি আহিব লগা হল, এই বিষয়ে অসমৰ বিধান সভা আৰু সমাজবাদী অসম চৰকাৰে বিচাৰ কৰাটো অপৰিহাৰ্য্য বুলি ৰাইজে ভাৱে।

এইবিলাক কথা বোধকৰো আপোনালোকে পঢ়িছেই, আৰু আন এজন কেন্দ্ৰীয় মন্ত্ৰী আছে সেই জনে ৫ লাখ টকাৰ এটা ভায়েকক বেচিছিল।

Shri Md. Umaruddin : Is it admissible to discuss a Central Minister here in this house ?

শ্ৰীসোনেশ্বৰ বৰা: আমাৰ আইন বিধি হৈছে, কিন্তু এই আইন বিধিৰ নীতিটো দোষ মুক্ত হব লাগে।

শ্ৰীগৌৰী শংকৰ ভট্টাচাৰ্য্য: এই সদনতে, আৰু ইয়াতে পাছ হৈ গৈছে। তেওঁলোকৰ নামো কোৱা হৈছে-শ্ৰীফকৰুদ্দিন আলি আৰু শ্ৰীমইনুল হক চৌধুৰী।

শ্ৰীসোণেশ্বৰ বৰা: অধ্যক্ষ মহোদয়, এতিয়া কথা হৈছে যে কিতাপত বিদ্যা থাকিলেই আমাৰ উপকাৰ নহব। এই কথা অকল ময়েই কোৱা নাই, পৰিকল্পনা আয়োগৰ পৰিস্থিতি পত্ৰত ব্যাখ্যা কৰি কৈছে যে যোৱা ২০ জুন তাৰিখে দৈনিক অসমত এই বাতৰিটো ওলাইছে। আপোনালোকে বোধহয় পঢ়া নাই,

(ধ্বনী-আমি নাই পঢ়া দিয়ক আপোনালোকেই পঢ়িছে)

আজি এই অসমৰ বিধান সভাত ভূমিৰ সৰ্ব্বোচ্চ পৰিমানৰ আইন এখনক

আদৰ নজনাবৰ কোনো কাৰণ নাথাকে। জনসাধাৰণে এই আইন খনক গ্ৰাহ্য কৰিব। আমি ভোটত হাৰি যাম, আমিলেই যেতিয়া পাছ কৰিবই সেইটো আমি মানি লৈছো। প্ৰথমে ভূমি সংস্কাৰ কৰি কোনো লাভ নাই। এতিয়া কথা হৈছে আচলতে জনসাধাৰণৰ কাৰণে এই খনেই একমাত্ৰ আইন হৈ ভূমি বিপ্লৱ কৰিবনে? এইটোৱেই হৈছে জনসাধাৰণৰ প্ৰশ্ন। এতিয়া যিখিনি মাটি ওলাব সেইখিনি বিলাবলৈ যাওঁতে ৯ লাখ বা ১১ লাখ মাটি ওলাব সেই মাটি খিনি মাটিহীন খেতিয়কক ঠিক মতে বিতৰণ কৰিবনে? আইন ৰচনা হৈছে, কিন্তু ৰাইজহে পদদলিত হৈছে আইন আজিও কাৰ্য্যকৰী হোৱা নাই। মই ইয়াৰ এটা পদ্ধতিৰ কথা কওঁ, সেইটো হৈছে মাটি পুনৰ বন্টন কৰিব লাগে। যাৰ যথেষ্ট মাটি আছে অথচ খেতি নকৰে সেই সকলৰ নামত মাটি ৰখাৰ কোনো আৱশ্যক নাই। তাৰোপৰি অন্যান্য ব্যৱসায়ীৰ হাততো মাটি থকাৰ কোনো কাৰণ নাই। আমাৰ বৰ্ত্তমান ভূমি চৰ্তৰ আইন যিখন আছে সেই আইন মতে বাপেক মৰাৰ পিচত পুতেকে মাটি পায়। এজন লৰাই মেট্ৰিক পাছ কৰাৰ পিচত বা ১৮-১৯ বছৰ হোৱাৰ পিছত যেনে তেনে সংস্থাপন হয় আৰু লৰা তেতিয়া সাবালক হয়। গতিকে খেতি নকৰা মানুহৰ হাতত মাটি ৰখাৰ কোনো যুক্তি নাই। মই আগেয়ে কৈ আহিছো যে যিসকল বুঢ়া-বুঢ়ী খেতিয়ক মানুহ তেওঁলোকক পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিব লাগে। যিসকল বুঢ়া মানুহে খেতি কৰিব নোৱাৰা হৈছে বা খেতি কৰাৰ বয়স তেওঁলোকৰ নাথাকে তেওঁলোকৰ নামত মাটি থকাৰ কোনো কাৰণ নাই। তেওঁলোকৰ নামৰ পৰা মাটি খিনি লৈ আহি খেতি কৰা মানুহৰ নামত মাটি খিনি চমজাই দিব লাগে আৰু বুঢ়া-বুঢ়ী খেতিয়কক পেঞ্চন দিব লাগে।

( সময়ৰ সংকেট )

মই আৰু বেচি অন্য কথা কব খোজা নাই, বেলেগ বেলেগ শিতান আছে তেতিয়াও কবলৈ সময় পাম। সেয়ে এতিয়া মই মূল কথাটোলৈ আহো। মূল কথাটো হৈছে আমাৰ যিটো মাটিৰ নীতি আছে সেইটো ৰদলাব লাগে। ভূমিৰ সৰ্ব্বোচ্চ পৰিমাণ ৫০ বিঘা কৰা নীতিটো নীতি নহয়, সেইটো এটা আঁচনিহে। অৱশ্যে এটা কথা ঠিক যে সকলো মানুহে ঘৰ সাজিবৰ কাৰণে একঠা মাটি পাব লাগে, কিন্তু অনা খেতিয়কৰ নামত মাটি ৰখা বন্ধ কৰিব লাগে, এনে নীতি অবলম্বন কৰিলেহে ভূমিনীতিৰ সমস্যা সমাধান হব। তাকে কৰিলেহে আমাৰ চৰকাৰৰো দায়িত্ব আহিব আৰু শিল্প বাণিজ্য, কল-কাৰখানা

তৈয়াৰ কৰিবলৈ বিচৰা মানুহ খিনিক দিব পাৰে। ভাৰতীয় সংবিধান নিৰ্ব্বাচিত পাৰ্লিয়ামেণ্ট নাছিল, বাচি নিয়া মানুহে পাছ কৰিছিল ; সেইকাৰণে ভাৰতৰ সংবিধান নতুনকৈ ৰচনা কৰিব লাগিব। ভূমি নীতি সংস্কাৰ কৰিবলৈ যাওঁতে যাতে কোনো আদালতৰ আশ্ৰয় লব লগা নহয় তাকো মন কৰিব লাগিব।

( সময়ৰ সংকেট )

এই খিনি বিবেচনাৰে মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Charan Narjary : Mr. Speaker, Sir, several members have already talked about the land policy. We have been hearing on the public platforms and also on the floor of the Legislative Assemblies and Parliament that our leaders have been speaking in terms of bringing about true socialism. J do not know how our leaders want to materialise their cherished desire for socialism. It has been argued by our leaders that one of the means through which socialism can be brought about is the land reform or in other words, we can say the policy of taking away of land from our peasants. Here in Assam after making a number of legislation for land reforms, again another legislation is in the process of making, Sir, the Assam Government is bringing another Land Ceiling Bill. Here on this issue I would like to point out that the Govrenment policy on land holding in one way or other vitally affects the interest of the poor and weaker sections of people and one of these sections is the Plains - Tribal Community. Sir, I personally belong to the Plains-Tribal Community and so I would like to put forward certain points of view before this August House for consideration.

Mr. Speaker, Sir, Hon'ble Members know the consitutional position of the weaker sections of the people including the Plains-Tribal-Community of Assam. These people are socially, economically and educationally extremely backward and that is why special provisions have been embodied in the sacred constitution of India guaranteeing the protection of the vital interests of these weaker sections of the people. Sir, here in this august House since a legislation is going to be made affecting the vital interest of the weaker sections of the society in the name of the land reform measure, I want to put forward my points of view regarding Plains-Tribal-land. Mr. Speaker,

Sir, as you know, we have an inescapable duty to stand by the Tribals of the plains. Because, firstly, agriculture will remain the main-stay of their economy for many a decade to come. The plains-rribals will have to depend on land because they do not have any other means of livelihood. They will have to mainly depend on land altogether and now by this Bill their land-holdings are being subjet to further fragmentation. Secondly, Sir. it is a fact that the land-holdings cf the Plains-tribal-people are unproductive & uneconomic because of certian obvious reasons. Our Honble Member Mr. Gaurishankar Bhattacharyya has already stated in his speech that most of the tribal areas are situated in Sub-mountain regions. Mr. Speaker, Sir, you know very well the position of the areas in the Sub-mountain regions. There is no proper irrig tion facilities in the Sub-mountain regions. Again, we find, Sir, lack of improved method of cultivation, shortage of power, unfavourable soil condition and primitive technique of cultivation have been responsible for the hardships and handicaps of the Plains-tribal for ages together. That is why, Mr. Speaker, Sir, I would like to impress upon the august House that as far as the case of the Plains-tribal people is concerned, their cases should not be brought under the purview of any general legislation. This is my contention.

On the other hand, the Plains-Tribal-people have been maintaining their traditional way of living. The sense of corporat e life is still strong among the Plains-Tribal people, and there is hope of further co-oporative way of life. Therefore, if at all some socialistic measures are to be adopted in general, the process of bringing the Plains-Tribal and other weaker sections of the backward area under the new system should be gradual and it should not be made overnight: If we are to do it overnight, it may be disastrous to the weaker sections of the people. It will be dangerous and suicidal on the part of the Government. Over and above, traditionally the Plains-Tribal people are inseparbly attached to the soil. The moment they are severed from the soil, you can very well say, they are almost extinct ; Government failures and lapses in respect of ensuring protection of the vital interests of the Plains-Tribals have clearly shown that during the last 25 years of independence these people are

being uprooted systematically, almost in a planned way. This process amounts to genocide. By genocide, I simply do not mean the large scale killing of human beings as happened in Bangladesh. By genocide, I mean the process of causing extinction of a particular section of people in a planned and systematic manner without involving physical killing. That is why, Mr. Speaker, Sir, since the very existence of the Plains-Tribal people solely depends upon the soil, the Government should take a special care so that they are not extinct.

Perhaps, it is in this context and also in this spirit, that legislative provisions under Chapter X of the Assam Land & Revenue ( Regulation ) Act, 1886 were made whereby Tribal Belts and Blocks were constituted in the predominantly plains-Tribal-inhabited areas. And, who are the people who are entitled to hold land inside the Tribal Belts and Blocks ? These people, including the plains Tribals, are tea garden Tribals, Santals, Scheduled Castes and so on and so forth. This declaration was made vide Government notification No. RD. 69/46/19, dated the 5th December, 1947, and this Act is still in force. What does it mean ? When the Government itself has made some specific legislative measures with a view to ensuring protection of the Plains Tribals, interest, it means that there are obvious reasons.

In the similar way, some important provisions were embodied under Article 46 of the Constitution of India. Article 46 of the Indian Constitution relates to the directive principles of the State policy. There-under it has been stated, "The State shall promote with special care the educational and economic interests of the weaker sections of the people, and, in parti culer, of the Scheduled Castes and the Scheduled Tribes, and shall protect them from social injustices and all forms of exploitation". Now, when land is beieg taken away from the hands of this weaker section of the people, how can we say that their vital interest in land is being protected ? Therefore, there has been a clear violation of the sacred provisions of the Constitution of India. Even this Government have failed to honour its own law made by itself ; because in the reality we have seen that all these protective legislative measures have never been implemented. That is why, there is a deep resentment in the minds of the weaker sections of the people. The

Government did not keep itself silent only by making a particular legislation as far as the provisions of Chapter X of the Assam Land & Revenue (Regulation) Act, 1886, are concerned. The provisions have had rather been tightened up later on by a specific legislative measure. What is that? That is Assam Land & Revenue Regulation (Amendment) Aet of 1964. Here, sub-section (2) of Section 2 of that Assam Land & Revenue Regulation (Amendment) Act of 1964 says, "Notwithstanding anything to the contrary in any law, usage, contract or agreement no person shall acquire or possess by transfer, exchange, lease, agreement or settlement any land in any area or areas constituted into belts or blocks in contravention of the provisions of sub-section (1)." Again, sub-section (3) of section (2) of the said Act says, "From and after the commencement of the Assam Land and Revenue Regulation (Amendment) Act, 1964, no document evidencing any transaction for acquisition or possession of any land by way of transfer, exchange, lease, agrrement or settlement shall be registered under the Indian Registration Act, 1908, if it appears to the registering authority that the transaction has been effected in contravention of the provisions of sub-section (c). "All these protective measures are there. Eut I want to ask our Hon'ble Chief Minister and also the Hon'ble Revenue Minister how far these provisions have been implemented? As a matter of fact, to-day the problem of landlessness is assuming greater and greater proportion. It has definitely threatened the very existence ot the weaker sections of the people. In the Brahmaputra Valley, the Plains-Tribals are the aboriginals. Historians say that we are the most. original settlers of this land and the sons of the soil, The Bhumiputras But God knows where my people stand now. They have now been rendered refugees in their own home.

Our position is no better than that of the refugees; our existence has been threatened. It is on this issue that there is deep dissatisfaction in the minds of the weaker sections of the people. It is on this that the weaker sections of the people have now started thinkng in terms of a sense of exclusiveness, because this Government have not been able to protect their lives and properties.

With regard to the present Fixation of Ceiling on Land Holdings Bill,

we have some sort of definite stand. Mr, Speaker, Sir, we are not anti-socialism. In fact, I can claim that there can be no greater socialists than the tribals. The germ of socialism is in the blood of the tribals. We are not anti-socialism ; that is why, inspite of prohibitive and protective provisions embodied in Chapter-10 of the Assam Land & Reveune Regulation, 1886, our people did not oppose the last legislative measure, that is fixing of ceiling on land holdings at the rate of 75 bighas-per family. Our people did not oppose vehemently, But now, we have seen that the circumstances have compelled us to speak something opposing the present stand of the Government in respect of Plains-Tribals.

Here is a resolution adopted in the meeting of the Plains-Tribal Advisory Council held on 3.6.72 and there all the Plains Tribal members were present. They are—Shri Uttam Ch. Brahma, Minister, WBC, Chairman, Shri Charan Narzari, MLA, Smti. Anandi Bala Rava, MLA, Shri Surendra Nath Das, MLA, Shri Ambarish Ch. Lahiri, MLA, Shri Pitsing Konwar, MLA, Shri Mal Ch. Pegu, MLA, Shri Lakshyanath Doley, MLA, Shri Ghana Kanta Boro, MLA, Shri Birendra Kumar Das, Secretary, All Assam Tribal Sangha. What is the content of that resolution ? Mr. Speaker, Sir, for the information of this August House and also of the Government, I will read out the resolution. This is—"The Members generally did not agree with the views expressed and proposed that eeiling Act reducing the Ceiling on land from 75 bighas will be detrimental to the interest of the Plain-Tribal people. It was hence resolved that Government should be moved to maintain status quo without reducing the Ceiling from 75 bighas of land in respect of Plains-Tribal people taking five members, husband, wife and children excluding married daughters as forming a family unit as the Plains-Tribal people are solely dependent on agriculture, the families being larger in size and cultural contacts and age-old customs are such which preclude them from becoming anything other than agriculturists". This is the resolution to which the Plains-Tribal members of this August House, both Congress and non-Congress, unanimously agreed.

Shri Mal Ch. Pegu : That resolution is subject to the approval of the Government.

Shri Charan Narzari : Even then this is the view and this is the feeling of the members. It may be subject to the approval of the Government. Mr. Speaker, Sir, in case of Plains-Tribal people, because of all these reasons, some relaxation should be made and it will be wrong on the part of the Government if it tries to socialise this particular backward community all on a sudden. I can tell you that if this feeling of the Plains-Tribal people is appreciated, then, dissatisfaction among the Plains-Tribals may be minimised to a great extent, I can tell this August House that the fate and future of this eastern-most strategic region of the country is dependant upon these backward societies. In fact, I want to conclude my speech only by saying, what remains of Assam without these Tribals ?

* শ্রীপিটচিং কোৱৰ : মাননীয় অধ্যক্ষ মহোদয়, আজি অসমৰ এই ভূমি সমস্যা আৰু ইয়াৰ অন্তৰালত চৰকাৰে গ্ৰহণ কৰা কিছুমান ব্যৱস্থাৰ কথা মই সদনত দাঙি ধৰিব বিচাৰিছো। এতিয়া কথা হ'ল আমাৰ অসম দেশত নো কেতিয়াৰ পৰা মাটিহীন সমস্যাই দেখা দিলে, আগতে আমাৰ এই মুষ্টিমেয় যিকেইজন অসমীয়া মানুহ আছিল তেতিয়া বহুত মাটি অনাবাদী হৈ পৰি আছিল, তেতিয়া মানুহবোৰে ইচ্ছামতে আজি ইয়াত কালি তাত মাটি-বাৰী লৈ খেতি-বাতি কৰিছিল আৰু পৰস্পৰে পৰস্পৰৰ লগত মিলা-প্ৰীতিৰে বাস কৰিছিল, ধনী সকলে দুখীয়া সকলক সহায় কৰিছিল আনকি যদি এজনে কৰবাত মাছ-শাক অলপ পাই তাকো আনজনৰ লগত ভগাই-বতাইহে খাইছিল।

কিন্তু কেতিয়াৰ পৰা মাটি নোহোৱা হ'ল, যেতিয়া অসমত বহুত মাটি অনাবাদী হৈ পৰি আছে বুলি বাহিৰত খবৰ পালেগৈ তেতিয়াৰ পৰাই বাহিৰৰ পৰা বহুত মানুহ লানি নিচিগাকৈ আহি পৰ্ব্বতে-পাহাৰে চৰকাৰৰ হুকুম নোহোৱাকৈ বহিবলৈ আৰম্ভ কৰিলে তাৰ বাহিৰেও এই মানুহবিলাকৰ লগত অন্যান্য বহুতো আহিব ধৰিলে ফলত অসম ৰাজ্যত থকা মানুহবিলাকৰ মাজত বিৰাট আতংকৰ সৃষ্টি হ'ল যে এই মানুবিলাক যেতিয়া বাহিৰৰ পৰা আহি ইয়াত বসতি কৰিব ধৰিলে তেনে স্থলত ইয়াৰ খিলঞ্জীয়া মানুহবিলাক মাটিহীন হৈ পৰিল। এইবিলাক কথা আমাৰ মানুহবিলাকে ভাবিবলৈ ধৰিলে। তাৰ পিছত এইটো চৰকাৰৰো দৃষ্টিগোচৰ কৰা হ'ল—যে বাহিৰৰ পৰা এইদৰে মানুহ আহিবলৈ ললে আমাৰ খিলঞ্জীয়া লোক সকলক মাটিহীন অৱস্থাৰ

* Speech not Corrected

পৰা ৰক্ষা কৰিবলৈ কোনো উপায় নাই নেকি ? তাৰ পিছত যেতিয়া চাদুল্লা চাহাবৰ মন্ত্ৰী সভা আছিল তেতিয়া, তেখেতে আমাৰ খিলঞ্জীয়া মানুহ বিলাকৰ প্ৰটেকশ্বনৰ কাৰণে 'লাইন-প্ৰথা'ৰ ব্যৱস্থা কৰিলে আৰু সেই 'লাইন-প্ৰথা' বহু দিনলৈকে আছিল। তাৰ পিছত আমাৰ জনজাতীয় ভাই সকললৈ লক্ষ্য কৰি তেওঁলোকৰ কাৰণে এই 'লাইন-প্ৰথা'ৰ প্ৰৱৰ্ত্তণ কৰিলে আৰু বহিৰাগত সকলৰ কাৰণে ঔপনিবেশিকতাৰ ব্যৱস্থা ৰাখিলে। এই ঔপনিবেশিকতাই এতিয়াও চলি আছিছে।

উপাধ্যক্ষ মহোদয়, অসমৰ বাহিৰৰ পৰা অহা মানুহ বিলাকৰ নামত মাটি নাই। কিন্তু আমাৰ অসমৰ খিলঞ্জীয়া মানুহৰ নামত কমেও ২-৩ বিঘা মাটি আছে। কিন্তু বৰ্ত্তমান চৰকাৰৰ ভূমি বন্দবস্তি আইন মতে মাটিহীন মানুহহে মাটি পাব। এনে ক্ষেত্ৰত বাহিৰৰ পৰা অহা মাটিহীন লোকসকলহে মাটিহীনৰ তালিকাত পৰিল। কিয়নো আমাৰ খিলঞ্জীয়া মানুহৰ দুই তিনি বিঘা হলেও মাটি আছে। আকৌ মাটিহীন লোকক মাটি দিবলৈ যাওঁতে আমাৰ খিলঞ্জীয়া যি সকলৰ মাটি অলপ-অচৰপ আছে তেওঁলোকৰ পৰাই কাঢ়ি নিয়া হ'ল, মাটিহীন মানুহক মাটি দিবলৈ কিন্তু তাতো বাহিৰৰ পৰা অহা মানুহহে মাটি পায়। গতিকে ভূমি বন্দবস্তি আইন কৰিছে হয় কিন্তু তাৰ পৰা আমাৰ খিলঞ্জীয়া মানুহে মাটি পাব নোৱাৰে। কিয়নো একেবাৰে মাটিহীন মানুহহে এই আইন মতে মাটি পাব।

তাৰ পিছত যিটো লাইন প্ৰথা আছিল তাৰ তদন্তত পঠিয়াই দিলে চৰকাৰৰ ফালৰ পৰা এচ-পি দাসক। তেওঁৰ ৰিপোৰ্ট ওলাল যে লাইন প্ৰথা থাকিব নালাগে। যেয়ে যতে আছে তাতে থাকক বুলি ৰিপোৰ্ট দিয়া হ'ল কিন্তু সেই ৰিপোৰ্ট দিয়াৰ পিছত লাইন প্ৰথা উঠাই দিলে।

আজি বহুকেইজন মাননীয় সদস্যই কৈছে যে এইটোৰ কাৰণে ট্ৰাইবেল মানুহ যি সকলে বাঘ-ভালুক আদি বনৰীয়া জন্তুৰ লগত যুজ কৰি মাটি মুকলি কৰি বহিছিল তেওঁলোক বাহিৰৰ হেচাত তিষ্ঠিব নোৱাৰি উঠি যাব লগা হৈছে। সেই লোক সকলৰ কথা চিন্তা কৰা দৰকাৰ। মই এই ক্ষেত্ৰত ধন্যবাদ জনাইছো স্বৰ্গীয় গোপীনাথ বৰদলৈ আৰু তেখেতৰ মন্ত্ৰী সভাক। কিয়নো তেখেতে এই কথাটো গভীৰ ভাৱে চিন্তা কৰিছিল। অসমৰ মানুহক প্ৰটেকচন দিবলৈ ৰক্ষণা-বেক্ষণ দিবলৈ ১৯৪৭ চনৰ ৩০ অক্টোবৰ তাৰিখে তেতিয়া এখন ভূমি ৰাজহ সংশোধন আইন আনিছিল। ১৯৪৭ চনত তেতিয়াৰ

প্ৰধান মন্ত্ৰী আছিল গোপীনাথ বৰদলৈ আৰু ৰাজহ মন্ত্ৰী আছিল বিষ্ণুৰাম মেধি ডাঙৰীয়া। তেওঁলোকে প্ৰটেকচন দিয়াৰ কথাটো অনুভৱ কৰিছিল। লাইন প্ৰথা উঠাই দিয়াৰ পিচতো তেওঁলোকে যেলেগ ব্যৱস্থা কৰিবলৈ বুলি এই আইন খন ১৯৪৭ চনত কৰিছিল। ইয়াৰ আগতে ছাহুল্লা চাহাবৰ দিনত তেখেতেও এই কথাটো অনুভৱ কৰিছিল। ছাহুল্লা চাহাবৰ দিনত অল পাৰ্টি লিডাৰ্চ লেণ্ড চেটলমেণ্ট কনফাৰেন্স বহিছিল। তাত মোৰ মনত পৰাত স্বৰ্গীয় গোপীনাথ বৰদলৈ, ৰোহিনী কুমাৰ চৌধুৰী, ৰবি কচাৰি, মহেন্দ্ৰ নাথ শইকীয়া, সায়াদুৰ ৰহমান, আমিৰুদ্দিন আহমেদ, আব্দুল ৰোজ, আৰু মঃ চাব ছাহুল্লা আছিল সেই কনফাৰেন্সত। তেওঁলোকে এই ট্ৰাইবেল লোক সকলৰ ৰক্ষণা-বেক্ষণৰ ব্যৱস্থা কৰিছিল। মোৰ মনত পৰাত তেতিয়া, বৰ্ত্তমানৰ স্বাস্থ্য মন্ত্ৰী টৈৰণ ডাঙৰীয়া আৰু যোগেন হাজৰিক ও আহিছিল আৰু যাতে মদ-মাংস খাই, বা তেনেকৈ লিপ্ত থাকি মিটিঙৰ কথা নাপাহৰে তাৰ কাৰণে আমি চেষ্টা কৰিছিলো। এতিয়া আমাৰ সিংহ ডাঙৰীয়াই অনুভৱ কৰা নাই নেকি ?

( ভইচ : — তেতিয়া কিমান বয়স আছিল ? )

মই তেতিয়া আই-এ পঢ়ো। কলেজৰ ষ্টুডেন্ট। সিংহ ডাঙৰীয়াই এই বিলাক কথা অনুভৱ কৰিব লাগিব। তেখেতে নতুন মনুহৰ দ্বাৰা এম্ এল-এ নাইবা মন্ত্ৰী অহাৰ কথা ভাবি আছে নেকি ? কব নোৱাৰো। অন্যান্য কথা পিচত সংশোধনীৰ ক্ষেত্ৰত কম। কেৱল এতিয়া অসমৰ মাটিহীন মানুহৰ এটা বেকগ্ৰাউণ্ডহে দিলো। আশাকৰো মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই কথাটো গভীৰভাৱে চিন্তা কৰি চাব।

* শ্ৰীমতী ৰেনুকা দেৱী বৰকটকী : উপাধ্যক্ষ মহোদয়, এই সদনত অহা বিল-খনৰ আলোচনা সম্পৰ্কত মই দুষাৰমান কথা কবলৈ ওলাইছো। এই চৰকাৰৰ সমাজবাদৰ প্ৰতিযোগীতাত আমি হয়তো বহুত খিনি পিচপৰি গৈছো আৰু সেই প্ৰতিযোগীতাৰ উদাহৰণ স্বৰূপে আজি এই বিল খন আমাৰ মাজলৈ উপস্থাপন কৰি ঠেলি দিয়া হৈছে। গতিকে এই বিল খনৰ সন্দৰ্ভত আৰু সেই প্ৰতি-যোগীতাৰ পৰিপ্ৰেক্ষিতত মই দুষাৰ কথা নকৈ নোৱাৰিলো।

প্ৰথম কথা হ'ল যে এই বিল খনৰ প্ৰথম অধ্যায়ৰ দ্বিতীয় দফাত আছে ;

Chapter I Section 2

কিন্তু প্ৰভিজন ক'ত এপলাই কৰিব মই দৃষ্টিগোচৰ কৰিব বিচাৰিছো।

* Speech not Corrected.

ইয়াতে এক নম্বৰত হ'ল :

The provision of this Act shall ......apply to—

(a) lands held by State Government or by the Union Government or by any Local Authority ;

উপাধ্যক্ষ মহোদয়, চৰকাৰৰ হাতত এতিয়াও বহুত মাটি আছে। কিন্তু এই আইনৰ প্ৰভিজন মতে চৰকাৰী মাটিত সেইটো এপলাই কৰিব খোজা নাই। এনে বিলাক কথা আমি আগেয়েও জানো। আজি ২৫ বছৰে কংগ্ৰেছী চৰকাৰ হোৱাৰ পিচত এই সদনৰে বহু কেইজন সদস্যইও চৰকাৰী মাটি উপভোগ কৰিছিল। আজিও চৰকাৰে বহুত মাটি তেওঁলোকৰ নিজৰ হাতলৈ আনিব বিচাৰিছে। কিন্তু এই আইনৰ প্ৰভিজন বিলাক চৰকাৰী মাটিত এপলাই কৰা নহয়। আচলতে চৰকাৰৰ হাত বিশেষ কোনো কাৰণতহে মাটি থাকিব লাগে। কিন্তু কোনো কাৰণ নেদেখুৱাকৈ মাটি চৰকাৰে ললে গুৱাহাটী আদি চহৰত সেই মাটি তেওঁলোকৰে কোনো কোনো প্ৰিয়-পাত্ৰ আদিক দি দিব। গুৱাহাটী তদন্ত কমিটিয়ে এই কথা প্ৰমাণ কৰে। গতিকে কোনো বিশেষ কাৰণতহে চৰকাৰক মাটি লবলৈ দিয়া হব লাগে। দ্বিতীয় কথা হ'ল ?

(c) (i) lands held and utilised for special cultivation of tea and purposes ancillary thereto ;

উপাধ্যক্ষ মহোদয়, চাহ বাগানৰ মালিক সকলৰ যি বিলাক মাটি আছে আৰু যিটো কাৰণত বহুবাৰ সদনত আপত্তিও কৰা হৈছিল সেই সম্পৰ্কে চৰকাৰ নিমাত। তেওঁবিলাকক চাহ খেতিৰ কাৰণে প্ৰয়োজন হোৱা মাটিৰ উপৰিও আন আন ব্যৱসায় কৰি টকা উপাৰ্জন কৰিবলৈ যিখিনি মাটি লাগে ৰাখিবলৈ দিয়া হৈছে। আমি আপত্তি কৰি দিয়েই আছো। কিন্তু আজি এইখন চৰকাৰেই যি খন চৰকাৰে চাহ বাগানৰ মাটি ভূমি আইনৰ ভিতৰত আনিব লাগে বুলি কয় সেই চৰকাৰেই চাহবাগানৰ মালিকক বাগানৰ কামৰ উপৰিও অন্যান্য ব্যৱসায় আদি কৰিবলৈ যথেষ্ট পৰিমাণে মাটি ৰাখিবলৈ দিছে।

তৃতীয় কথা হ'ল : land held by a mill, factory or workshop as may be required for the purposes of the expansion of the mill, factory or workshop or for ancillary purposes of the expansion of the mill, factory or workshop, such as setting up of schools, dispensaries and roads but not for growing crops for use in the mill, factory or workshop ;

উপাধ্যক্ষ মহোদয়, এই কেইদিন এই সদনত বহুত আলোচনাই হৈ গৈছে।

আমাৰ শিল্প উদ্যোগ আদি সম্পৰ্কে উদাহৰণ দিব খুজিছো। চন্দ্ৰপুৰৰ যিটো এচোচিয়েটেড ইণ্ডাষ্ট্ৰী এই ইণ্ডাষ্ট্ৰীক অসম চৰকাৰে ডেৰ শ বিঘা মাটি দিছে। এই মাটি বিলাকৰ ভিতৰত 'হাৰ্ডলী' ১০ বিঘা মাটি ব্যৱহাৰ কৰিছে আৰু বাকীখিনি মাটি ৰাখি থৈছে। অথচ চৰকাৰৰ আইনমতে মিনিমাম ৰিকিউয়াৰমেণ্ট' দিয়া বুলি কয়। আইনৰ দ্বাৰা এই উদ্যোগপতি সকলক যথেষ্ট সুবিধা কৰি দিছে। আনহাতে আইনখনত লিখা আছে যে এই মাটিত কোনো ধৰণৰ 'গ্ৰোইং' শক্তি তৈয়াৰ কৰিব নোৱাৰে। আনহাতে তাৰ এটা 'প্ৰভিজনৰ' কথা কব খুজিছো—Lands belonging to any religious or charitable institutions of a public nature.

আজি অসম দেশত মুছলমান ধৰ্ম্মানুস্থানৰ কথাই নকও মই হিন্দু ধৰ্ম্মানুস্থানৰ কথা কও হাজোৰ হয়গ্ৰীৱ মন্দিৰে আগতে জনসাধাৰণৰ পৰা যি আকৰ্ষণ লাভ কৰিছিল এতিয়া সেই ধৰ্ম্মানুস্থানটো চৰকাৰে লোৱাৰ পিচত, মাটিৰ পৰিমাণ কমি গ'ল ফলত আজি যাত্ৰী সকলে খোজ কাঢ়বলৈ অকণো জাগা নাই। টকা পইচাৰ অভাৱত এই ধৰ্ম্মানুস্থানটিৰ হাহাকাৰ অৱস্থা। এই চেৰিটেবুল ইনষ্টিটিউচন বিলাক এই মাটিখিনিৰ আয়েৰে চলি আছিল। মই অইন এটা উদাহৰণ দিব খুজিছো আমাৰ মুখ্য মন্ত্ৰী মহোদয়ৰ নিজৰ সমষ্টিৰে শক্তি আশ্ৰমৰ স্বামীজীয়ে আজি মোলৈ লিখিছে "মৰমৰ বৰকটকী আই, বৰ্ত্তমান মোৰ অৱস্থা বৰ বেয়া, চিলিং আইনত মাটিখিনি যাব, ৩০ টা অনাথ শিশুৱে মই জীয়াই থকাটো অসম্ভৱ হৈ পৰিছে"। উপাধ্যক্ষ মহোদয়, এইদৰে জানো আমি সমাজবাদ প্ৰতিষ্ঠা কৰিব পাৰিম? কেইজনমানৰ ওপৰত কুঠাৰ ঘাট কৰি আমি জানো সমাজবাদ গঢ়িব পাৰিম। Land exceeding 75 bighas, utilised for large-scale cultivation of citrus in a compact block by any person before the first day of January 1955.

উপাধ্যক্ষ মহোদয়, মাটি কমাব খুজিছে আমি বেয়া পোৱা নাই। কিন্তু এনেকুৱা কিছুমান খেতি আছে য'ত কম মাটিৰে খেতি কৰিব নোৱাৰি। মোৰ অভিজ্ঞতাৰ পৰা মই কব পাৰো 'চিট্ৰাচ' বুলি যিটো খেতি আছে এই খেতি ৭৫ বিঘা মাটিত একেৱাৰেই নহয়। আনহাতে lands utilised by efficie. tly managed farms on which heavy investment or permanent structural improvements have been made and whose breakup is likely to lead to a fall in production and * lands held by a sugar factory or a co-operative

farming society for cultivation of sugar-cane for the purpose of such factory,

মই ৫ নং ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো।

উপাধ্যক্ষ মহোদয় আপুনি জানে, যে চুগাৰ মিল কৰিবলৈ হ'লে সেই ঠাইত পৰ্য্যাপ্ত পৰিমাণৰ কুহিয়াৰ খেতিৰ দৰ্কাৰ। কিন্তু এইখিনি মাটিৰে উপযুক্ত কুহিয়াৰৰ খেতি কৰিব নোৱাৰে। মই কও এনেকুৱা ধৰণৰ ফেক্টৰি বিলাকৰ কাৰণে মাটিৰ নিৰিখ বান্ধি দিয়াতকৈ যি বিলাক কেমিকেল ফেক্টৰি য'ত ইঞ্জিনৰ কাম চলে তাত মাটিৰ মালিকক মাটিৰ নিৰিখ বান্ধি দিব লাগে আৰু খেতিৰ ওপৰত যি ফেক্টৰিয়ে নিৰ্ভৰ কৰে তাৰ সীমা বন্ধাটো উচিত নহয়। উপাধ্যক্ষ মহোদয়, এইবোৰ অসুবিধাৰ কাৰণেই এই আইন কৰা হৈছে আৰু এই আইনত বহুত ভুল-ভ্ৰান্তি ৰৈ গৈছে। দ্বিতীয়তে আগতে যিখন এক্ট পাচ হৈ গ'ল আৰু ৰাষ্ট্ৰপতিৰ এচেন্টও ললে, যি আইনমতে ১৫০ বিঘা নিৰিখ বান্ধিলে সেই আইনখন কাৰ্য্যকৰী হ'ল নে নাই, সেইটো পোষ্ট মাৰ্টেম্ কৰি চাবলগীয়া। এই এক্ট পাচ হৈ যোৱাৰ পিচত আমি দেখিছো ইয়াৰ একো ব্যৱস্থা নহ'ল।

The Assam Fixation of Ceiling on land Holdings Act, 1955. No benami transfer made after the twelfth day of November, 1955, shall be taken into account in determining the limit upto which the transferer shall be entitled to hold land under sub-section 1 above and in such case the limit and the excess land of the transferer shall be detemined as if the transfer has not taken place *

উপাধ্যক্ষ মহোদয়, মই ৰাজহ বা মুখ্যমন্ত্ৰীক সুধিব খুজিছো এই যে ১৫০ বিঘা চিলিং ধাৰ্য্য কৰা হ'ল এই আইনৰ দ্বাৰা চৰকাৰে কিমান মাটি পালে আৰু কিমান খিলঞ্জীয়া মানুহৰ মাজত এই মাটি ভগাই দিয়া হ'ল? আজি এই সদনতে প্ৰত্যেক জন সদস্যই প্ৰমাণ কৰি দিছে কাগজে কলমে যে চৰকাৰে মাটি সম্পৰ্কে যিমানবিলাক আইন কৰিছে তাৰ পৰা খিলঞ্জীয়া অসমীয়া লাভবান হোৱা নাই। আজি কামৰূপ জিলাৰ বৰপেটা, গুৱাহাটী তেজপুৰ মঙ্গলদৈ আদি ঠাইৰ মানুহ কোনো নতুন মাটিহীন মানুহ নহয়। আজি সাধৰণতে দেখা যায় মাটিহীন হৈছে পৰিয়াল বঢ়াৰ ফলত বা পৰিয়াল বেলেগ বেলেগ হোৱাৰ ফলত বা মাটি থাকিও যি বিক্ৰী কৰিছে। আজি যদি

হিচাব কৰি চোৱা যায় বেছি ভাগেই মাটি বিক্ৰী কৰি মাটিহীন হৈছে। Those landless who become landless by selling their land.

মই নিজেই জানো, মোৰ সমষ্টিতে মাটি বিতৰণৰ ক্ষেত্ৰত যি ৰেকৰ্ড চলিছে আপুনি শুনিলে আচৰিত হব। মুকালমুৱাৰ এচ ডি চি অফিচত এই অৱস্থা আজিও চলি আছে। ব্ৰহ্মপুত্ৰৰ চৰ এৰিয়াত মাটি বিতৰণ কৰিম বুলি ডি চি ৰ পৰা এচ ডি চি মণ্ডললৈ এই খেলিমেলিত জৰিত। কেবাবাৰো পইছা পাতি লৈ মাটিহীনৰ লিষ্ট এচ ডি চিয়ে বনালে, মাটি পাম বুলি খেতিয়ক সকল দৌৰা দৌৰী কৰিলে কিন্তু মাটি হলে নাপালে। ৫০০ বিঘা মাটি দিম বুলি কেবাখনো লিষ্ট বনালে। কিন্তু কেইদিনমান পাছতে ঘোষণা কৰে যে প্ৰকৃত মাটিহীনৰ লিষ্ট কৰিব পৰা ন'হল গতিকে কিছুদিন নহব তাৰপিছত আকৌ লিষ্ট কৰে টকা পইছা খাই তাৰ পিচত ৰাইজ আহিলে কয় চৰকাৰৰ পৰা চাৰ্কুলাৰ আহে অমুকটো হ'ল বুলি আকৌ নতুন লিষ্ট কৰে আকৌ সেইদৰে কিবা এটা উলিয়াই ঘোষণা কৰিব যে মাটি দিব পৰা নহ'ল।

( সময়ৰ সংকেট )

গতিকে আইন কানুন কৰা কৰা হৈছে কিন্তু খিলঞ্জীয়া অসমীয়া হলে তাৰ পৰা লাভবান হোৱা নাই। গতিকে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে অন্ততঃ দুখীয়া কৃষক সকলক যাতে ইয়াৰ পৰা পৰিত্ৰান কৰে আৰু খিলঞ্জীয়া অসমীয়াই যাতে মাটি পায়, ইয়াকে কৈ মই বক্তব্যৰ সামৰণি মাৰিলো।

( Some members rose to speech )

Mr. Dy Speaker : It is 4 P. M. and now the Minister will reply.

* শ্ৰীপৰমা নন্দ গগৈ ( মন্ত্ৰী ) : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে এই খন বিলৰ ওপৰত যি আলোচনা কৰিছে সেই আলোচনা তাত্বিক বিষয়ৰ পৰা অতি গম্ভীৰ আছিল আৰু মই গৌৰব বোধ কৰিছো। এই বিল খন মাননীয় সদস্য সকলে প্ৰশংসাও কৰিছে, আৰু বৰঙণীও যোগাইছে। এই বিল সম্পৰ্কে আলোচনা কৰি মাননীয় সদস্য ভট্টাচাৰ্য্য ডাঙৰীয়াই কৈছে যে ভূস্বামীত্ব সীমিত পৰ্যায় ক্ৰমে নিৰ্দ্ধাৰিত সমাজবাদ কৰি গঢ়ি তুলিলে ভূল কৰিব। এই বিল খন আমি সমাজবাদ কৰিবৰ কাৰণে অনা নাই। সংশোধনী অনা হৈছে প্ৰয়োজন নীতিৰ খাতিৰত। আমাৰ ৰাজ্যখনত

* Speech not Corrected.

ভুমিহীনৰ সংখ্যা ইমান বাঢ়িছে যে কৰবাৰ পৰা মাটি উলিয়াই দিব নোৱাৰিলে সেই লোক সকলে জীবিকা নিৰ্ব্বাহৰ সুযোগ নাপায়। সেই কাৰণে মাটিৰ প্ৰয়োজন বঢ়াও আইনৰ যোগেদি যিমান মাটি ৰখাৰ প্ৰযোয্য তাৰ পৰা ক্ৰমাত কমাই আনি চতুৰ্থ প্ৰৰ্যায়ত ৫০ বিঘালৈ আনিলে। ৫০ বিঘালৈ নমাই অনাত চৰকাৰে যিমান খিনি চিন্তা কৰা দৰ্কাৰ সেই খিনি চৰকাৰে নকৰাকৈ থকা নাই। মাননীয় সদস্য ভট্টাচাৰ্য্য ডাঙৰীয়াই তাত্ত্বিক আলোচনা কৰি তেখেতে সামান্তবাদ, পুজিবাদ আৰু তাৰ পাচত ক্ৰমাত সমাজবাদৰ আলোচনা কৰিছে তেখেতৰ আলোচনা খিনি মোৰ সীমিত জ্ঞানত যিমানখিনি ঢুকি পায় অৰ্থাত যিমান খিনি বুজিব পাৰো তাকে বুজি চাবলৈ মই চেষ্টা কৰিছো। তেখেতৰ কথা সত্য। এইক্ষেত্ৰত ভাৰতবৰ্ষত সামান্তবাদী এখন ৰাজ্যত কোনোবা প্ৰকাৰে ইংৰাজ সকলে অধিকাৰ কৰি ইয়াত এনে এটা নীতি প্ৰয়োগ কৰিলে যিটো নীতিক পুজিবাদী নীতি বুলি কলেও হব আৰু সামন্তবাদী নীতি বুলি কলেও হব। এটা কম্প্ৰোমাইজ কৰিবৰ কাৰণে সেই নীতি প্ৰয়োগ কৰিছে কিন্তু ভাৰতবৰ্ষত পুজীবাদে গা-কৰি উঠা নাছিল। কিন্তু ইংৰাজ বিলাক যলৈকে গৈছিল তাতেই সেই নীতি প্ৰবৰ্ত্তন কৰিলে। মাননীয় সদস্য দুলাল খাউণ্ডে আলোচনা কৰি সেই কথা কৈছে যে মাটিৰ মালিকনা স্বত্বত সামন্তবাদীখিনি চলি আছে। এক বিঘায় হওক বা এক কঠাই হওক সামন্তবাদৰ এটা খীন মালিকনা স্বত্বত পৰে। সেই সুৰ আছে আৰু আছিল সেই কাৰণে তেখেত মালিকনা স্বত্বৰ বিৰুদ্ধে। মোৰ শব্দ কেইটাত অস্বস্থে কোৱা নাই। তেখেতৰ নিজস্ব ভাষাতেই নিৰ্দ্ধাৰিত কৰিছে। তেখেতৰ বক্তিতাত তাত্বিক বিষয়ৰ ভাব ফুটি উঠিছে। মই ভাবো তাত মোৰ মনৰ অমিল নাই। কিন্তু এই দৃষ্টিভঙ্গি মোৰ কাৰণে আমাৰ ভবিষ্যত সংশোধনীৰ কাৰণে নিশ্চয় পাঠেয় হব। আৰু মাননীয় সদস্য ভট্টাচাৰ্য্য ডাঙৰীয়াৰ বক্তৃতাৰ মাধ্যমেৰে যিখিনি কথা ফুটি উঠিছিল সেইখিনি কথাও মোৰ পাঠেয় হব। আমাৰ আলোচনা প্ৰসংগত আমি কেতিয়াবা দুই ফালৰ পৰা কৃবলগীয়া হৈছে। এফালে যেনেকৈ কৈছো ভুমি স্বত্ব সমাজীকৰণ হব লাগে আনফালে তেনেকৈ কোনোবা দৃষ্টিকোনৰ পৰা হয়তো ভুমি সমাজীকৰণ হব নালাগে বুলি কোৱা হৈছে। বক্তৃতাত সদস্য সকলে ভুমি ৰাষ্ট্ৰীয়কৰণৰ সপক্ষে শক্তিশালী মনোভাব প্ৰদৰ্শন কৰিছে যদিও মালিকনা স্বত্বৰ পৰা সকলো ৰাইজকে উলংঘা কৰিব নালাগে বুলি কোৱা হৈছে। আমিও সকলো ৰাইজকে

উচ্ছেদ কৰিব খোজা নাই। আমি এই বুলিও অহংকাৰ কৰিব খোজা নাই যে চিলিং এক্ট প্ৰয়োগ কৰি মাটিৰ সৰ্ব্বোচ্চ সীমা ৫০ বিঘা কৰি সমাজবাদ কৰিম বুলিও কোৱা নাই। বা তাৰ দ্বাৰা ভূমি সমস্যা সম্পূৰ্ণ সমাধান হব বুলিও কোৱা নাই। মই মাত্ৰ এইটোকেই কৈছো যে ভূমিৰ স্বত্ব সীমিত কৰাৰ দ্বাৰা আমাৰ যি ভূমি সমস্যা আছে, যি সকলে কৃষিৰ ওপৰত জীৱন নিৰ্বাহ কৰি থাকিব লাগে তাৰ একাংশ এই আইনৰ প্ৰয়োগৰ দ্বাৰা তেওঁলোকৰ জীৱন নিৰ্ব্বাহৰ বাবে কিছুমান পৰিৱৰ্ত্তন কৰি দিব বিচাৰিছো। সেই আশাই আমি কৰিছো। এই সম্পৰ্কে নানা দিশৰ পৰা আলোচনা হৈছে, ৰুচ দেশৰ কথাও বাৰে বাৰে কোৱা হৈছে বা মহামানৱ বিপ্লৱী লেনিনৰ কথাও কোৱা হৈছে। তেখেত সকলৰ বিপ্লৱৰ আগৰ চোৱাৰ কাৰ্য্যসূচী আৰু বিপ্লৱৰ কাৰ্য্যসূচীৰ সম্পৰ্কেও দুই এজনে উল্লেখ কৰিছে। সেই কথাবিলাক মোৰ দৃষ্টিগোচৰ নোহোৱা নহয়। মই বাৰে বাৰে কৈছো যে সেই দৃষ্টি কোনৰ পৰা চিলিং আইন অনা হোৱা নাই। কেতিয়াবা যদি প্ৰয়োজন হয় সেই দৃষ্টিকোনৰ পৰা বিছাৰ কৰিবৰ কাৰণে, সমাজবাদ গঢ়ি তোলাৰ পৰিপ্ৰেক্ষিতত যদি এই বিষয়ে চিন্তা কৰিব লগা হয় তেতিয়া হলে সেই তাত্বিক আলোচনাতময়ো যদি অংশ গ্ৰহণ কৰিব পাৰো তেতিয়াহলে মই নিজকে বৰ সুখী বুলি গণ্য কৰিম। আমাৰ মাননীয় সদস্য শ্ৰীখাউন্দ ডাঙৰীয়াই মাটিৰ মালিকনা স্বত্ব নিৰ্দ্ধাৰণ কৰা সম্পৰ্কত যি কৈছে বা নকৈছে মই কব নোৱাৰো। কিন্তু এইটো কথা মই স্বীকাৰ কৰো যে যোৱা সাধাৰণ নিৰ্ব্বাচন কেইটাত আমাৰ জনসাধাৰণে চৰকাৰক যি সমৰ্থন আগবঢ়াইছিল তাৰ এটা মেচিভ-মানদেত্ আছে, সেই নিৰ্দ্দেশ কাৰ্য্যকৰী কৰিবলৈ গৈয়েই আমি ভূমিৰ সৰ্ব্বোচ্চ সীমা ৫০ বিঘালৈ নিৰ্দ্ধাৰণ কৰাৰ ব্যৱস্থা কৰিছো। বৰ্ত্তমান এই সম্পৰ্কে যি আলোচনা বিলোচনা কৰা হৈছে যদিও এইবিলাক ভৱিষ্যতৰ কৃতকাৰ্য্যতা আৰু অকৃতকাৰ্য্যতা নিৰ্দ্ধাৰণ কৰাত সহায়ক হব।

এই কাৰ্য্যাৱলীৰ সমালোচনা কৰা হৈছে। সেই সমালোচনা কৃতকাৰ্য্য বা অকৃতকাৰ্য্যই হওক ভৱিষ্যত কৰ্ম্ম প্ৰণালী নিৰ্দ্ধাৰণ কৰা সহজ হব। আমাৰ বিধান সভাত ভূমি নীতিৰ প্ৰয়োগৰ কাৰণে সীমিত কৰি দিছিল। তাত কিছুমান হিচাব দাখিল কৰা হৈছে। সেই ভূমিনীতি প্ৰয়োগ কৰা সম্পৰ্কে সৌভাগ্য ক্ৰমে মই এজন সদস্য আছিলো আৰু মাননীয় ভট্টাচাৰ্য্য ডাঙৰীয়াও সদস্য আছিল। তাত অন্যান্য আইনৰ দ্বাৰা ভূমি অধিগ্ৰহণ কিমান কৰা হ'ল আৰু

তাৰ ওপৰত পুৰণা যিখন চিলিং আইন আছিল তাৰ পৰা আৰু আমাৰ বাগানৰ পৰা কিমান মাটি পালে, কেৱল বাগান হিচাপে ৩৪ হাজাৰ ৪৮৫ একৰ মাটি জিলা হিচাপে ভাগ কৰি দিছে সেই মাটি জিলাৰ পৰা কোনে পাইছে? এইটো হিচাব যিহেতু বিধান সভাৰ হিচাব গুড়িকে আমি এইটো শুদ্ধ বুলি ধৰিব লাগিব। ভূমিনীতি প্ৰয়োগ কৰিবৰ কাৰণে যি তাৰ বাবে কৰা আলোচনা মোৰ মনত পৰে, সেই আলোচনাতে প্ৰস্তাৱ লৈ গাওঁসভা আৰু পঞ্চায়তক দি, ভূমিহীন মানুহৰ জৰিপ কৰা ব্যৱস্থা হৈছিল। সেইখন বিপৰ্টত ৫ প্ৰস্তাৱত আছে ১৭ কলমৰ ভিতৰত ১৬ প্ৰস্তাৱলৈ আছিল। ইয়াত এনে ধৰণে আলোচনা কৰিছিলো আৰু এনে ধৰণে নিৰ্দ্ধাৰণ কৰা কথা আছিল যে ইয়াত মিছা কথা কবৰ থল নাথাকে। আৰু এই প্ৰস্তাৱবিলাক বোধকৰো ১৯৬৯ চনৰ আগভাগতে কৰিছিল। আৰু ১৯৭০ চনৰ আগভাগতে গোটেই অসমৰ ভূমিহীন লোকসকলৰ জৰিপ হ'ল। সেই ভূমিহীন লোক সকলৰ জৰিপ কৰিবৰ কাৰণে ৩ টা শ্ৰেণীত ভাগ কৰিছিল। সেই কেইটা হৈছে যাৰ মাটি ৮ বিঘাৰ কম আৰু ৫ বিঘাৰ বেচি আছে দ্বিতীয়তে যাৰ মাটি ৫ বিঘাৰ কম, আৰু তৃতীয়তে যাৰ একেবাৰে মাটি নাই। এই তিনি ভাগত জৰিপ কৰা হৈছিল। এইধৰণে জৰিপ কৰি দেখা গ'ল সেই কেইটা মোৰ মনত নাই। ৫ বিঘাৰ কম আৰু একেবাৰে ভূমিহীন পৰিয়ালৰ সংখ্যা বোধকৰো ৫ লাখৰ কম নহবনেকি? আন এটা সংখ্যা মোৰ মনত পৰিছে বোধকৰো চাৰে চাৰিলাখ মান হব। এতিয়া দেখা গ'ল যিখিনি ভূমিহীন মানুহ ভেওঁলোকৰ কাৰণে মাটি আছে যদিও প্ৰতি পৰিয়ালত যি মাটি দিব লাগিব সেই পৰিমাণে মাটি দিব পৰা নহব। সেইকাৰণে ভূমি সম্পৰ্কে নতুন নতুন ধৰণৰ চিন্তা কৰা হৈছে।

শ্ৰীগৌৰী শংকৰ ভট্টাচাৰ্য্য: মুঠ সংখ্যা আছিল ৬ লাখ ৩০ হাজাৰ।

শ্ৰীপৰমানন্দ গ'গ (মন্ত্ৰী): আগৰ হিচাবত বোধকৰো ১০ বিঘাৰ কম থাকিলে মাটিহীন বুলি ধৰা হৈছিল। মোৰ হাতত ঠিক অংক নাই। ৪।৫ লাখ মানেই হব। আৰু সেইকাৰণেই এই প্ৰতিশ্ৰুতি দিয়া হৈছিল আৰু প্ৰতিশ্ৰুতি ৰক্ষা কৰিবৰ কাৰণেই এই চিলিং আইন কৰা হৈছে। এই চিলিং আইন প্ৰবৰ্ত্তন কৰোতে বহুতো অসুবিধা হব লগা হৈছে।

শ্ৰীদুলাল বৰুৱা: মন্ত্ৰী মহোদয়ে মাটিৰ কিমান হিচাব আছে তাৰ এটা আভাষ দিছে। কিন্তু মোৰ প্ৰশ্নটো হ'ল যে, মাটিহীন মানুহৰ ভিতৰত কিমান মানুহক তিমধ্যে মাটি চাৰকুলাৰৰ যোগেদি দিয়া হ'ল?

শ্ৰীপৰমানন্দ গগৈঃ (মন্ত্ৰী) সেই হিচাব ১৯৭০ আৰু ১৯৭১ চনত চিলিং আইনত আনিছিল। আৰু ১৯৭২ চনতো আনিবলৈ কৈছে। সেই আইন মতে এতিয়া মাটি দিয়া হোৱা নাই। আমি যি ব্যৱস্থা কৰিছো সেইবিলাক এতিয়াও চলি আছে কিন্তু সেই ব্যৱস্থাবিলাক বন্ধ হোৱা নাই। এইখন চিলিং আইন পাচ কৰাৰ কাৰণে বৰ্ত্তমান চলি থকা কাৰ্য্যৱলী বন্ধ হৈ যোৱা নাই। ভূমিৰ ঊৰ্দ্ধতম সীমা নিদ্ধাৰণ কৰি যি আইন প্ৰয়োগ কৰা হব আৰু সেই আইন মতে কিমান পৰিয়ালক মাটি দিয়া হব তাক এতিয়া চিন্তা কৰা হৈছে। আমাৰ দুই এখন বাগান আছে যি চৰকাৰক মাটি দিব খুজিছে, কিন্তু ভূমি পট্টন নীতি খাটাং নোহোৱাৰ কাৰণে অসুবিধা হৈছে। এই ক্ষেত্ৰত বৰ্ত্তমান কেইটামান নীতিৰ ওপৰত আলোচনা কৰা হৈছে। প্ৰত্যেক খেতিয়ক পৰিয়ালক ৫০ বিঘাকৈ মাটি দিয়া হব আৰু ইয়াৰ পৰা হোৱা অন্য উপাৰ্জনৰ হিচাব ধৰা নাই। কৃষক পৰিয়ালৰ উপাৰ্জন বা মাটিৰ ওপৰত কৰা উপাৰ্জনৰ নিৰিখ হিচাব লৈ আমাৰ মাটিৰ উৰ্দ্ধতম সীমা নিৰ্দ্ধাৰণ কৰা নাই বুলি মাননীয় সদস্য খাউন্দ ডাঙৰীয়াই কৈছে। এই সম্পৰ্কত কব খোজো যে এই আইন উপাৰ্জনৰ ঊৰ্দ্ধতম সীমা নিৰ্দ্ধাৰণৰ কাৰণে নহয়, এই আইনৰ প্ৰকৃত উদ্দেশ্য হৈছে শ্ৰীভট্টাচাৰ্য্য ডাঙৰীয়াই কোৱাৰ দৰে। মাটিৰ কাৰণে এইটো কৰা হৈছে।

শ্ৰীদুলাল খাউন্দ: অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো, যে আমাৰ মানুহবিলাক খাই বৈ জীয়াই থকাতো চৰকাৰৰ উদ্দেশ্য হয়নে নহয়? যদি মানুহ বিলাকে খাই বৈ, উপাৰ্জন কৰি জীয়াই থকাটো চৰকাৰৰ উদ্দেশ্য হয় তেনেহলে খেতিয়ক পৰিয়াল বিলাকৰ ভিতৰত যি বৈষম্যতা কৰিবলৈ গৈছে সেইটোৱে তেওঁলোকৰ অৰ্থনৈতিক জীৱনত বৈষম্যতা আনিবনে নানে?

শ্ৰীপৰমানন্দ গগৈ: (মন্ত্ৰী) বৈষম্যতা আৰু বিসঙ্গতিৰ কথা কোৱা হৈছে। এই আইনৰ দ্বাৰা যে, কৃষক পৰিয়াল বিলাকৰ উপাৰ্জন কিমান সেইটো চোৱা নহয়। যি সকল প্ৰকৃততে মাটিহীন আৰু মাটিৰ ওপৰতে নিৰ্ভৰ কৰি জীয়াই থাকিব লাগে সেই সকলক মাটি দিয়াৰ ব্যৱস্থা কৰা হব। যাতে প্ৰত্যেক মাটিহীন কৃষকে মাটি পায় আৰু তাৰ ওপৰতেই নিৰ্ভৰ কৰি যাতে জীয়াই থাকিব পাৰে তাৰ বাবে এই আইনে লক্ষ্য কৰিব।

যিবিলাক মানুহৰ অন্য ঠাইত নিযুক্তি পোৱাৰ সুযোগ নাই, সেইবিলাক

লোকক জীয়াই থাকিবলৈ মাটি দিব লাগিব। সেই দৃষ্টিকোণৰ পৰা এই আইন কৰা হৈছে। সমাজৰ বৈষম্য দূৰ কৰিবলৈ চিলিং আইন কৰা নাই। এই আইন কৰাৰ মুখ্য উদ্দেশ্য হল যাৰ মাটি নাই তাক মাটি দিব লাগিব। এই বিষয়ে পুনৰ আলোচনা কৰিবলৈ আমি সুযোগ পাম।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : মন্ত্ৰীয়ে কৈছে যে মাটিহীনক মাটি দিবৰ কাৰণে এই-বিলাক আইন কৰা হৈছে। অৰ্থনৈতিক বৈষম্য দূৰ কৰিবলৈ এই আইন কৰা নাই। এই আইনখন কৰাৰ আচল উদ্দেশ্য আছিল অৰ্থনৈতিক বৈষম্য আঁতৰ কৰাতো। আমি আইন প্ৰনয়ণ কৰিবলৈ যাওঁতে আইনখন কি কাৰণে কৰা হৈছে, কেনে ধৰণে প্ৰযোজ্য কৰিব লাগিব—তাৰ এটা বিশেষ ধৰণৰ চাৰ্ভে কৰা হৈছিলনে নাই? আইনটো পাছ কৰি নাকটো বাচক বুলিয়েই কৰা হৈছে নেকি? নে অৰ্থনৈতিক অৱস্থা উন্নতিৰ কাৰণে কৰা হৈছে?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : আমাৰ কথা হল এই আইনখন কাৰ্য্যকৰী কৰিব লাগে আৰু মাটিহীনক মাটি দিব লাগে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : এই আইনখন কৰোতে সামাজিক অৰ্থনৈতিক অৱস্থাৰ বিষয়ে চাৰ্ভে কৰি চিন্তা কৰি কৰা হৈছে নে?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : হয় কৰা হৈছে।

শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্য্য : আমাৰ মন্ত্ৰী মহোদয়ে কৈছে যে চাহ বাগিচা বিলাকৰ পৰা চিলিং আইনৰ জৰিয়তে ৩৪,৪৮৫ একৰ মাটি পাইছো। এই মাটি পোৱা হৈছে ওৱানটো টু ফৰ্মোলা মতে। এই ফৰ্মো॰া প্ৰয়োগ কৰিলে চাহ বাগানৰ পৰা আৰু মাটি পোৱা যাব। গতিকে এই ব্যৱস্থা টো কিয় কৰা নাই?

শ্ৰীপৰমানন্দ গগৈ : ১—২ ফৰ্মোলামতে কোৱা হৈছে- Subject to Correction

শ্ৰীদুলাল খাউণ্ড : মন্ত্ৰী মহোদয়ৰ কথা–বতৰাবিলাক শুনি বৰ ভাল পাইছো। কিন্তু বে-নামা ট্ৰেন্সফাৰ বিলাক বন্ধ কৰাটো সম্ভৱপৰ হবনে আৰু নাকচ কৰিবনে? এইটো যদি এতিয়াই নকৰে তেন্তে আইনৰ দ্বাৰা পাছত বন্ধ কৰিব নোৱাৰিলে কি ব্যৱস্থা কৰিব?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : আমাৰ আগৰ আইনখনত চেকচন নং ৪ ত এটা কথা আছে যে—area acquired under normal act. ইয়াত এইটো কোৱা হৈছে যে বে-নামী ট্ৰেন্সফাৰবিলাক আইনখন পাছ হোৱাৰ পাছত কেতিয়াও গ্ৰহণ কৰা নহয়।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড : আইনখন থকা স্বত্বেও হাজাৰ হাজাৰ ট্ৰেন্সফাৰ হৈছে আৰু তাৰ বহুত উদাহৰণ আমি দিব পাৰো। কিন্তু সেই মাটিখিনি যাৰ নামত ট্ৰেন্স্‌ফাৰ কৰা হল— তেওঁ দখল কৰি থকাৰ পাছত চৰকাৰে সেইটো কেনেকৈ নাকচ কৰিব ? তাৰ কাৰণে আগৰে পৰা নিৰ্দ্দিষ্ট দিন তাৰিখ কিয় চৰকাৰে কৰা নাই ?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : মই ভাবো আইনে কৰিব নোৱাৰিলেও ৰেজিষ্টাৰ বন্ধ কৰাৰ কোনো উপায় নাইনেকি ? মোক এজন ভাল অভিজ্ঞ লোকে কৈছিল যে তাজমহলকো ৰেজিষ্টাৰ কৰিব পাৰে। সেই কাৰণে আমাৰ এখন আইনত কোৱা হৈছে যে ১/৪/৭০ তাৰিখৰ পাছত কোনো ধৰণৰ ট্ৰেন্স্‌ফাৰ নামানিব আৰু তাৰ পাছত কোনোটোকেই ৰিকগ্‌নাইজড্‌ নকৰিব।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড : এতিয়া কিছুমান চাহ বাগানৰ মালিকে অন্‌ গোড ফেইডত কিছুমান মাটি বিক্ৰী কৰিছে। চৰকাৰে যদি ১/৪/৭০ তাৰিখৰ পৰা সেইটো নাকচ কৰিছে, তেন্তে তাত কাৰ মূৰ মৰা যাব ? অন্‌ গোড ফেইডত আমাৰ সাধাৰণ মানুহে চাহ বাগিছাৰ মাটি কিনিছিল— গতিকে সেই আইন-টোৱে আমাৰ সাধাৰণ মানুহৰ মূৰত নামাবিবনে ? আৰু আমাৰ সাধাৰণ মানুহৰ টকা লোকচান নহবনে ?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : অন্‌ গোড্‌ ফেইড টোৱেই আমাৰ কাৰণে সন্দেহ। কাৰণ কোনোবাই অন্‌ গোড্‌ ফেইডত লব পাৰে আৰু কোনোবাই ষড়যন্ত্ৰ কৰিও লব পাৰে।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী : উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে মাটি বিতৰণ ক্ষেত্ৰত মাটিৰ কাৰণে এই বিলখন অনা হৈছে, ভূমিৰ কাৰণে অৰ্থাত ভূমি লাগে কাৰণে ভূমিৰ বিল অনা হৈছে। তেখেতক মই পোন-পতীয়াকৈ সুধিব বিচাৰিছো যে আমাৰ যিটো মাটি এতিয়া ৫০ বিঘা হব— সেইটো এইদৰে কমি আহি পাছলৈ ৪০ বিঘা, ৩০ বিঘা ২০ বিঘা, ১০ বিঘালৈ আহিব নেকি ?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, এই কথাটো এতিয়াই কব নোৱাৰি—এইটো সময়েহে কব।

Mr. Deputy Speaker: It is about 4-30 P.M. the Hon'ble Members will get scope to discuss specific matters at the time of amendment.

Shri Charan Narzary: Sir, in my speech I conveyed the genuine feelings of my people— it is not my personal feeling— it is the feeling of

lakhs of people. It involves the question of life and death of these people but the Hon'ble Minister has not replied on my points of views. Now I want to ask the Minister whether the feelings of our people will be appreciated by the Government or not.

শ্ৰীপৰমানন্দ গগৈ ( মন্ত্ৰী ) : জনজাতি প্ৰতিনিধি হিচাবে শ্ৰীনাৰ্জাৰি ডাঙৰীয়াই যিখিনি কথা কৈছে—তাত মই তেখেতৰ লগত একমত হব নোৱাৰিলোঁ। কাৰণ আমি মাটি দিবলৈ ওলাইছো অকল ট্ৰাইবেল বুলিয়েই নহয় তাত অনা ট্ৰাইবেল সকলেও মাটি পাব লাগিব। যিসকল প্ৰকৃত মাটিহীন লোক সেই সকল অনা ট্ৰাইবেলেই হওক বা ট্ৰাইবেলেই হওক মাটি পাব। এই ৫০ বিঘা ধাৰ্য্য কৰা মাটি অকল অনা-ট্ৰাইবেলৰ কাৰণেহে— ট্ৰাইবেল লোকৰ কাৰণে নহয় বুলি মই কেতিয়াও কোৱা নাই। প্ৰকৃত ভূমিহীন সকলোৱেই ইয়াৰ ভিতৰত পৰিব।

Mr. Deputy Speaker : I think the Minister has finished.

( Voices—Yes, yes. )

Mr. Deputy Speaker : Now, it is 4-30 P.M. I put the question that the Assam Fixation of Ceiling on Land Holdings ( Amendment ) Bill, 1972, be taken into consideration. The motion is passed and the bill is taken up for consideration. Now, the House will rise for half an hour for tea. The Hon'ble Members, the members of the press, Officers and Official Reporters are requested to go to room No. 14 for tea.

Shri Dulal Chandra Barua : Sir, 'Officers' include the Reporters.

Mr.Deputy Speaker : Yes, yes, but yesterday something happened and therefore I am speeifically mentioning about them. The House will rise now and reassemble at 5. P.M.

( After tea break )

Mr. Sepaker : I fix $1\frac{1}{2}$ hour for discussion and half an hour for the Minister's reply. The Minister will start his reply at 6-30 P.M.

## MOTION UNDER RULE 130 A

* শ্ৰীগৌৰী শংকৰ ভট্টাচাৰ্য্য : অধ্যক্ষ মহোদয়, মই নিবেদন কৰো যে সদনত এতিয়া অসমৰ সাম্প্ৰতিক বানপানীৰ পৰিস্থিতিৰ বিষয়ে বিবেচনা কৰক। এই বিষয়টো অৱতাৰণ কৰিবলৈ গৈ মই কোনো কাৰণেই ভিত্তিতা নাইবা বিতণ্ডাৰ

* Speech not Corrected

সৃষ্টি কৰিব নোখোজো; সিদিনা মন্ত্ৰী মহোদয়ে দিয়া যিটো দীঘলীয়া বিবৃত্তি সেই বিবৃত্তিটো যদিও খবৰ-কাতৰিৰ ফালৰ পৰা কিছু ক্ৰুটী-বিচুৰ্তি আছে তথাপি এইটো দেখা গৈছে যে চৰকাৰ বৰ্ত্তমান বানপানীৰ পৰিস্থিতিৰ-সম্পৰ্কে কিছু পৰিমান সজাগ আৰু বৰ্ত্তমান অৱস্থাত যিখিনি সাহায্য দিয়া সম্ভবপৰ সেই খিনি সাহায্য দিবলৈ মোৰ বিশ্বাস যে তেখেত সকলে যত্নৰ ক্ৰুটী নকৰিব।

বানপানী আমাৰ দেশৰ কাৰণে কোনো এটা নতুন বস্তু নহয়, সচাকৈ কবলৈ গলে এই সুবিশাল ভাৰত বৰ্ষ এখন বিচিত্ৰ দেশ। একালে যেতিয়া বানপানীত মানুহ ডুব গৈ থাকে আনফালে তেতিয়া খৰাং বতৰ হয়। এখন জিলাৰ ভিতৰতেই আমি দেখিবলৈ পাইছো যেতিয়া নগাওঁজিলাৰ দক্ষিণ পূব অঞ্চলত বিৰাট প্লাবন হৈছে, বহু লোক মৃত্যুৰ মুখত পৰিছে, বহুতো লোক গৃহহীন হৈছে ঠিক সেই সময়তে আমি আকৌ শুনিবলৈ পাইছো নগাওঁৰ দক্ষিণ-পশ্চিম অঞ্চলত দন্দুৱা বাৰী, চৰাইবাহী, লাহৰীঘাট, বাৰপুজীয়া, মিকিৰ ঘাট আদিত পানীৰ অভাবত তাৰ মানুহে খেতি কৰিব পৰা নাই। ফলত পানী নাপাই শ্লুইচ গেট কৰিবলৈ দাবী কৰিছে। এনেকৈ কোনো কোনো ঠাই আছে যিবিলাক ঠাইত খেতিয়ক সকলে খেতি কৰিবলৈ পানী পোৱা নাই। আকৌ যেতিয়া পানীৰ ঢল নামি আহে বা সেই খৰাং বতৰতো নানা প্ৰচেষ্টাৰে মানুহে যি অকনমান খেতি কৰি লয় তাকো বান-পানীয়ে ধ্বংস কৰিথৈ যায়। মই যিটো সমষ্টিৰ পৰা অহিছো সেই সমষ্টিটোৰো অৱস্থা এনেকুৱাই।

অধ্যক্ষ মহোদয়, যোৱা বছৰ যেতিয়া এই সদনত মোৰ সমষ্টিটোৰ কথা তথা উত্তৰ কামৰূপ, মঙ্গলদৈ আৰু গোৱালপাৰাৰ কিছু অঞ্চলৰ কথা উল্লেখ হৈছিল তেতিয়া আমি খৰাং বতৰৰ কাৰণে ভীতি সন্ত্ৰস্ত হৈ পৰিছিলো। আমি জানো সেই সময়ত আমাৰ লাখ লাখ টকাৰ খেতি খৰাং বতৰে শুকুৱাই পেলালে আৰু হেজাৰ হেজাৰ একৰ খেতিৰ উপযোগী মাটিত ফাঁট মেলিলে। পানীৰ অভাৱতে খেতি কৰিব পৰা নগল। কিন্তু তাৰ পিচত আহিল মাহত যেতিয়া বানপানী হল সেই বানপানীয়ে বৰভাগ অঞ্চলক ডুবাই পেলালে, মানুহৰ সমস্ত খেতি নষ্ট হৈ গল। এই বছৰ এটা অদ্ভুত-পুৰ্ব ঘটনা, মাৰ্চ মাহতেই বিশেষকৈ এপ্ৰিল মাহত যিটো ডাঙৰ বানপানী হল বৰভাগত সেই বানপানীয়ে দক্ষিণ অঞ্চলৰ যিটো আহু খেতি সেই খিনি

নষ্ট কৰিলে। যিখিনি বড়ো খেতি শিল ধুমুহায় ৰাখি গৈছিল সেই খিনিও নষ্ট কৰিলে। ইতিপূৰ্ব্বে যথেষ্ট শিল-ধুমুহা হোৱাত বড়োখেতিৰঅধিকাংশ নষ্ট হৈ গৈছে। তাৰ পিচত যে আৰু জুনত উপৰ্য্যুপৰি বানপানী হৈ খেতিৰ ভৰাল মোহোৰা হৈছে। তাত প্ৰায় ৫০ ঘৰ মানুহ নিজৰ ঘৰত থাকিব পৰা নাই। নিজৰ ঘৰত চাৰি পাচিত শুব পৰা নাই, তেওঁলোকে হয় মধ্যাৱৰ্ত্তীত আশ্ৰয় লৈছে নহয় গড়কাপ্তানী বিভাগৰ ৰাস্তাৰ দলংৰওলাই থকা ঠাই যদি নিতান্তই ওলাই আছে তেন্তে তাতেইআশ্ৰয় লৈছে। গৰু বুলিবলৈতো নায়েই, ১৯৬৬-চনৰ আৰু ১৯৭২ চনৰ প্ৰবল বানপানীত গৰু মৰি খাস্তাং হৈ গল! ৰৰভাগ এই অঞ্চলটোৰ ৰাইজে বহুতো আবেদন নিবেদন কৰিছিল, কিন্তু আজিও এই অঞ্চলৰ ৰাইজে নানান নিৰ্যাতন ভোগী আহিছে। এই অঞ্চলটো এসময়ত বৰভোগীয়া বুলি লোক প্ৰবাদ আছিল, কিন্তু আজি তাৰ মানুহে হাহাকাৰ কৰিছে, খাবলৈ এমুঠি ভাত নাপায় আৰ্ত্তনাদ কৰিছে। কিন্তু, তথাপিও আজিও এই অঞ্চলৰ ৰাইজে ইমান নিৰ্যাতন আৰু কষ্টভোগী থকা স্বত্তেও মানুহে জীয়াই থকাৰ কাৰণে সংগ্ৰাম চলাই আছে। মানুহৰ জীয়াই থকাৰ কাৰণে যিটো সংগ্ৰামশীলতা সেই সংগ্ৰামশীলতা চৰকাৰ তথা ৰাইজৰ যি সকল প্ৰতিনিধি সেই সকলোৱে উপলব্ধি কৰিবলৈ চেষ্টা কৰা দৰকাৰ আৰু এই সংগ্ৰামশীলতাক জীয়াই ৰাখিবলৈ আগ্ৰহশীল যিসকল লোক সেইসকলক ভালদৰে জীয়াই থাকিবলৈ সুযোগ আৰু ব্যৱস্থা কৰি দিয়া দৰকাৰ।

বান নিয়ন্ত্ৰনৰ বহুতো কথা শুনা যায়। মই ব্যক্তিগত ভাবে ভাবো আৰু এই কথা অন্ততঃ স্পষ্ট ভাবে আৰু বাধা হীন ভাবে কওঁ, মই অলপো দিদ্ধাবোধ নকৰো এই কথা কবলৈ আৰু যে অসমৰ ভৌগলীক পৰিস্থিতি ইয়াৰ পৰিস্থিতি এনেকুৱা যে অসম পূব অঞ্চলৰ যি জলবায়ু আৰু অসমৰ মৌচুমি বায়ুৰ যি গতি সেই সকলোবিলাক কথালৈ লক্ষ্য কৰি উত্তৰ ফালে বিৰাট হিমালয় পৰ্ব্বত মালা, দক্ষিণে ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰ্ব্বত মালা পুবে পাটকাই ইত্যাদি এই সকলো খিনি লৈ ব্ৰহ্মপুত্ৰৰ উপত্যকাৰ কথা কাচাৰৰ উপত্যকাৰ কথা এই বোৰৰ দ্বাৰা অসমত যে বানপানী হবই এই সম্পৰ্কে সন্দেহ কৰাৰ কোনো অবকাশ নাই।

মই ভাবো এনে কোনো চৰকাৰ হব নোৱাৰে যিনেকি অহৰ ভবিষ্যতে অসমত বানপানী নাইকীয়া কৰিব পাৰিব। গতিকে বানপানী হোৱাৰ কাৰণে মই আমাৰ চৰকাৰক কোনো ৰকমে আক্ৰমন কৰিব বিচৰা নাই। মই ভাবো আমি বানপানীৰ লগত সহৱস্থান কৰিব লাগিব। যিহেতু আমি অসমৰ ভুগোল

পৰিবৰ্ত্তন কৰিব নোৱাৰো। এই সহৰস্থান ধৰি লৈ যদি আমি আগৰাট্টিৰ বিচাৰিলোহেঁতেন অনেহলে বানপানীৰ যি ভিত্ৰ আক্ৰমনৰ আমি সন্মুখীন হৈছো সেইটো হব নালাগিলহেঁতেন। কিন্তু দুৰ্ভাগ্য ক্ৰমে আমি দেখিলো যে আমেৰিকাত তেওঁলোকে টেনিচ ভেলি প্ৰতিবোধ কৰিলে, চীনৰ যি চকুলো বুলি প্ৰখ্যাত সেই হোৱাংহোকো তেওঁলোকে বান্ধ দি প্ৰতিৰোধ কৰিব পাৰে তেনেহলে আমি কিয় ব্ৰহ্মপুত্ৰ প্ৰতিবোধ কৰিব নোৱাৰিম ? আমি কিয় ব্ৰহ্মপুত্ৰৰ বানপানী নিয়ন্ত্ৰন কৰিব নোৱাৰিম ? এই যে আমাৰ উচ্চ আকাংখ্যা সেইটো যে আমাৰ সাধ্যৰ অতীত সেই কথা আমি ভাবিব পৰা নাছিলো। স্বাধীনতাৰ ঠিক পিচতেই আমাৰ ভাৰতবৰ্ষৰ আৰ্থিক অৱস্থা গঠন মুলক কামৰ কাৰণে তুলনা মূলক ভাবে কিছু সুস্থিৰ আছিল। যেতিয়া আমাৰ ভাৰতবৰ্ষৰ কোষাগাৰত কোটি কোটি টকাৰ ষ্টাৰলিং বেলেন্স আছিল, বৃটেনে যেতিয়া ভাৰবতৰ্ষক নিজৰ তলভীয়া কৰিবৰ কাৰণে পৃথিবীৰ নানা দেশে আমাক যেতিয়া টকা দি সহায় কৰিছিল, অৱশ্যে দান হিচাবেই হওঁক বা ঋণ হিচাবেই হওঁক প্ৰথম পৰিকল্পনাৰ কালত আমি বহুতো টকা পাইছিলো। আমি ২-৪ টকাৰ মানুহ। গল্পৰ তলস্থ কোনোবা মক্কেলে যেতিয়া ২ টকা আমাক দিয়ে তেতিয়া আমি বহুত পোৱা বুলি ধৰি লও, তেনে মানুহে যেতিয়া লাখ লাখ, কোটি কোটি টকা খৰচ কৰিবলৈ সুযোগ পালো তেতিয়া আমাৰ মূৰ ঘূৰি গল। সেই সময়ত আমি ভাবিছিলো যে আমাৰ টকাৰ ( কামধেনু আছে যেতিয়া ) আমাৰ টকাৰ অভাব নহব, আমাক টকা কামধেনুৱে দিয়াৰ দৰে দি থাকিব। আমাৰ টকাৰ অভাব কোনো দিনেই নহব। সেই বাবেই আমাৰ ঘগৰা, মুনা, পাগলাদিয়া, বৰলীয়া আদি নৈ বিলাকৰ বান্ধ দিয়া হল। ভুটানত যেতিয়া দুই চাৰিদিন বৰষুণ প্ৰবল ভাবে হয় তেতিয়া হুৰ হুৰকৈ বানপানী এই নদী বিলাকেদি নামি আহে। তেতিয়া তাতো একাঠু, একৰঙন বানপানী নোহাৱকৈ ন থাকে। তেতিয়া সেই পাহাৰীয়া নদী বিলাকে পথাৰত পলস পেলাইথৈ যায়। আৰু সেই বানপানীতেই মাছ-পুঠিও আহে। আহুধান কিছুপৰিমানে নষ্ট কৰি থয় যদিও পথাৰত পেলাই থৈ যোৱা পলসৰ কাৰণে তাৰ পিচত কৰা শালী ধানৰ খেতি নদন বদন হৈ উঠে। কিন্তু এই বানপানী ৰোধৰ কাৰণে যি বিলাক বান্ধ দিলে সেই বিলাক দিয়াৰ ফলত হৈছে কি ? বান্ধ দিলে কিন্তু পানী ওলাই যাবৰ কাৰণে যিটো 'শ্লুইচ" গেট লাগে সেইটো নিদিলে। সিদিনা মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা কথা স্বীকাৰ কৰি গৈছে যে পাগলাদিয়া নদীৰ

বেচিনৰ কাৰণে ৬ কোটি টকা খৰচ কৰিছে। যদি বান্ধৰ কাৰণে ৬ কোটি টকা খৰছ কৰা হৈছে শিতবা জানৰ দুটা শ্লুইচ গেটৰ ব্লেড নোহোৱা শ্লুইচ গেটটো দিবৰ কাৰণে টকা নোলালনে? এইটোটো ২-৩ লাখ টকাৰ কথা নহয়। যি ঠাইত ঘগৰা আৰু মুনা লগ লাগিছে সেই ঠাইত কিয় এখন শ্লুইচ গেট দিব নোৱাৰে? ভিঠা বা বৰাজান অঞ্চলত বান্ধ বান্ধি অনা হলে মুনা আৰু ঘগৰা খোলা থকা মুখেৰে পানী সোমাই বৰভাগ, পশ্চিম বৰিগোগ আৰু বৰভাগৰ প্ৰায় আটাইবিলাক অঞ্চল প্লাৱিত কৰিব নোৱাৰিলেহেঁতেন। ফলত খোলা থকা শিতিমৰা জানেৰে পানী সোমাই আছে, যিখিনি পানী ওলাই যাবলৈ কোনো ব্যৱস্থা নাই। ফলত সোমাই অহা পানী ওলাই যাবলৈ বাট নাপায় অঞ্চলটো——হাজো অঞ্চল প্লাৱিত কৰি পানী ব্ৰহ্মপুত্ৰলৈ ওলাই গৈছে। ভৈৰতুলা আৰু হুমুতীমুখ এই দুয়ো নদীত বান্ধ দিয়াৰ কাৰণে (তাত পানী সোমাই আৰু ওলাই যাব নোৱাৰাৰ কাৰণে) এই তিনিটা অঞ্চলত পানীৰ এটা ত্ৰিভুজ হৈছে। এই আটাইকেইটা অঞ্চলৰ পৰা পানী ওলাই যাবলৈ এটা মাত্ৰ শ্লুইচ গেট দিয়া হৈছে। ৪ খন নদীৰ পানী অকমমান এখন শ্লুইচ গেটলৈ যাব পাৰে এই কথা ভাবিবলৈ কোনো ইঞ্জিনীয়াৰ নালাগে, কোনোবা পাগলেহে এই কথা ভাবিব পাৰে, বা যি সকলক বাতিলৈ পঠোৱাৰ বাহিৰে আন কোনো উপায় নাই। কিন্তু এই সকল ইঞ্জিনীয়াৰে ভাবিব পাৰিলে। যিহেতুকে তেওঁলোকৰ বাপেকৰ টকা পইচা আছে, জমিদাৰী আছে, তাকে লৈ তেওঁলোকে আমেৰিকাৰ টেনিচ ভেলিৰ স্বৰস্বতী কুণ্ডত ডুব মাৰি আহিছে। তেওঁলোকৰ সাধাৰণ জ্ঞান অসাধাৰণ জ্ঞানত পৰিণত হল। সেই কাৰণেই এই ৪ খন নদীৰ পানী ওলাই যাবলৈ এটা শ্লুইচ গেটৰ ব্যৱস্থা কৰিছে। তেওঁলোকে কি অঙ্ক কৰি উলিয়াইছে যে বছৰি ইমানকৈ পানী ডিচাৰ্জ কৰিব পাৰিব। এতিয়া কথা হল বছৰি যিমান পানী ডিচাৰ্জ কৰিব তাক ৩৬৫ ৰে হৰণ কৰিব লাগিব। আকৌ তাকে ২৪ ৰে হৰণ কৰি ঘন্টাৰ হিচাব উলিয়াব লাগিব। এই দৰেই হিচাপ তেওঁলাকে কৰিছে। কিন্তু কথা হল গোটেই বছৰ বৰষুণ নহয়। কেতিয়াবা ৯ মাহ বৰষুণ নহয় মাত্ৰ ৩ মাহহে বৰষুণ হয়। কিন্তু তাতো কেতিয়াবা একে লেঠাবিয়ে ৭-৮ দিন বৰষুণ দিয়ে। গতিকে তেওঁলোকৰ অঙ্ক ইয়াত বিফল হৈছে। আৰু সেই হিচাবে যিবিলাক বান্ধ দিছে সেই বিলাকে কাম কৰা নাই। প্ৰকৃতিয়ে যি বানপানী দিছে তাত আমাৰ আক্ৰোশ নাই। কিন্তু মধ্যে মধ্যে ইঞ্জিনীয়াৰ বিলাকে ঠিকাদাৰ বিলাকৰ লগ লাগি অ'ত এচপৰা ত'ত এচপৰা

এইদৰে মাটি দি কেনেকৈ ৫০ হাজাৰৰ ঠাইত ৫ লাখ টকাৰ বিল দিব আৰু তাৰ শতকৰা ৫০ ভাগ টকা কেনেকৈ পাব এই বিলাক কামত লিপ্ত আছে মই এই বিলাক কথা এনেয়ে কোৱা নাই। হাজোত যি তদন্ত হৈছিল তাৰ নথি পত্রবিলাকৰ পৰা এইটো প্রমানিত হৈছে। সেই সময়ত ঠিকাদাৰ সকলে আৰু ঘোচখোৰ ইঞ্জিনীয়াৰ সকলে লগ লাগি অশিক্ষিত জনসাধাৰণৰ অজ্ঞতাৰ সুবিধা লৈ একো কাম নকৰিলে আৰু তাৰ ফলত দুখীয়া জনসাধাৰণৰ ৬ কোটি টকা বৰবাদ হল।

এইটো প্রমানিত কথা যদিও এইটো কাৰবাৰ হৈ আছে। এই ঠিকাদাৰ আৰু দুর্নীতি পৰায়ণ অশিক্ষিত ইঞ্জিনীয়াৰ সকলে জনসাধাৰণৰ প্রতি উপেক্ষা কৰি জনসাধাৰণৰ সুদীর্ঘ কালৰ অভিজ্ঞতাৰ ওচৰলৈ নগৈ এই কাণ্ড বোৰ কৰাৰ ফলত দুখীয়া ৰাইজৰ ৬ কোটি টকা বৰবাদ হৈ গল। আবেদন নিবেদন কৰা স্বত্বেও কোনো ফল নহল। এতিয়া সেই অঞ্চলৰ মানুহে নৰক কুণ্ডত মাছৰ দৰে থাকিব লগা হৈছে। ১৯৫৪ চনত সেই মানুহ বিলাকৰ মাটি মথাউৰিৰ বাবে অধিগ্রহন কৰা হল। কিন্তু আজি ১৯৭২ চনতো তিনি ভাগৰ দুভাগ মানুহক ক্ষতিপূৰণ দিয়া নাই। এই মানুহ বিলাকক এতিয়া পানীত ডুবাই ৰখা হৈছে। মানুহ বিলাকৰ পৰা মাটি কাঢ়ি অনা হল ঘৰ ভাঙি তাৰ ওপৰেদি মথাউৰি নিয়া হল কিন্তু ক্ষতিপূৰণ দিয়া নহল। এই কথাটো আগৰ বছৰত বিধান সভাত উত্থাপন কৰা হৈছিল আৰু তেতিয়াৰ মন্ত্রী মহোদয়ে আশ্বাস দিছিল যে হব। ৰেভিনিউ চেক্রেটাৰী ইয়াতে আছে, তেখেতৰ ওচৰলৈ দেপুটেচন দিয়া হৈছিল তেখেতে লিখিত ভাবে প্রতিশ্রুতি দিছিল যে টকাটো দিয়া হব। যোৱা বছৰ অৱশ্যে ৩ লাখমান টকা গৈছে। নলবাৰীৰ ল্যেণ্ড ৰিকুইজিচন অফিচাৰ জনক শতকৰা ৫০ ভাগ টকা নিদিলে কোনেও ক্ষতিপূৰণ নাপায়। বান প্রপীড়িত অঞ্চল বিলাকত ওপৰত গো-বধ তলত ব্রহ্ম বধৰ নিচিনা হৈছে। এফালে যায় জুই আনফালে যায় লাস কেৰাহি, এনে অৱস্থাত এই মানুহ বিলাক পৰিছে। এই বানপানী সময়ত এতিয়া দুমুঠি চাউল লোৱাৰ কাৰণে ক্রন্দন কৰিব খোজা নাই। মোৰ কথা হল এতিয়া আৰু এক্সটেনচন কৰাৰ দৰকাৰ নাই। যিবিলাক কাম অসম্পূর্ণ হৈ আছে সেই খিনি সম্পূর্ণ কৰক। যত যত শ্লুইচগেট দিবলৈ বাকী আছে তাত শ্লুইচ গেট দিয়ক। ঠিক সেই ধৰণে গৰাখহনীয়া মথাউৰী ভাঙোনটো পুৰণ কৰক। বানপানীৰ লগত আমাৰ মানুহৰ জীৱনৰ খেল খেলিব নালাগে। তাৰ পিচত ভাগৰতী

কমিচন হল। বানপানীৰ কথাটো ৰাজনৈতিক ভাবে সিদ্ধান্ত কৰিবলৈ লোৱা হল। তাত কোৱা হল যে পানী কণ্ট্ৰল কৰি শতকৰা ৩০ ভাগ পানী পঠিয়াই দিয়া হব। ঠিক সেই ধৰণে কেহেকৰাৰ পানী পাগলাদিয়াইদি পঠিয়াই দিয়াৰ কথা কৈছিল। কিন্তু আজিলৈকে সেই ব্যৱস্থা নহল। সেই কাৰণে মোৰ পৰামৰ্শ হল যি বিলাক কাম অসম্পূৰ্ণ হৈ আছে সেই বিলাক কাম সম্পূৰ্ণ কৰা হওক তাৰ পিচত আমাৰ যি বিলাক ড্ৰেইনিজ আছে সেই বিলাক কাটি দি পানী বাহিৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। ব্ৰহ্মপুত্ৰ কমিচনে মাষ্টাৰ প্লেন কৰিছে ভাল কথা। মাষ্টাৰ প্লেন তেওঁলোকে কৰি থাকক আৰু কেন্দ্ৰীয় চৰকাৰে অধ্যয়ন কৰি থাকক। মাষ্টাৰ প্লেন কৰি যদি নিয়ন্ত্ৰণ কৰাটো সম্ভৱপৰ হয় তেন্তে টকাটোৰ যোগাৰ দিয়ক। মাষ্টাৰ প্লেনৰ কথাটো পিচত কৰিব আৰু বৰ্ত্তমান ৩ কোটি টকা ধাৰলৈ দি কাম আৰম্ভ কৰক। এই বিলাক কোৱাৰ পিচত চৰকাৰে কাম আৰম্ভ কৰক পিচত অসুবিধাত পৰি টকাটো নিদিয়া হলে কি কৰিব? ১৯৬২ চনৰ বানপানী হওঁতে মই পেহীদেউৰ ঘৰলৈ গৈছিলো। তেওঁ মোক কলে বোপা-প্ৰথম বাৰৰ বাৰে বান পানীৰ কাৰণে চাঙত উঠিব লগা হলো। মই কলো পিচত ভাল হৈ যাব। তেতিয়া তেওঁ কলে সাপৰ লগত খেল নচলে। সাপৰ মুখামুখি হলে হয় সাপৰ পৰা পলাবা নহয় কোবাই মাৰিবা। সাপৰ নেজত কোবালে এনেই সাপটো গুচি গলহেতেন যদিও কোবোৱাৰ কাৰণে খাব। যদি বস কৰিবলৈ সচাকৈ খুজিছে তেন্তে ভালকৈ ব্যৱস্থা কৰিব লাগিব।

মন্থৰ গতিত হ'লও কাম বিলাক কৰি থাকক। যিখিনি মৰিল মৰিল কিন্তু জীয়াই থকা খিনিৰ কাৰণে ব্যৱস্থা কৰক। বৰ ডাঙৰ ডাঙৰ কথা নকলেও হব। টকা পইচা কম একেবেগে বহু কাম কৰিব নোৱাৰে। মন্থৰ গতিত কৰা কাৰণে সমালোচনা হলেও ই সহ্য কৰিব পৰা সমালোচনা হব। প্ৰথমতে গন্তব্য স্থান ঠিক কৰি লওক। পুবলৈ যাওঁ বুলি লৰালৰিকৈ পশ্চিমলৈ গলে ক্ৰমাত ক্ৰমাত লক্ষ্য স্থানৰ পৰা আঁতৰি যাম। মই আৰু এটা বৰ ডাঙৰ বিপদ দেখিছো। আমাৰ জনসাধাৰণক বৰ বেচি প্ৰতিশ্ৰুতি চৰকাৰৰ পক্ষৰ পৰা দিয়া হৈছে। যি দিনা মন্ত্ৰী এজন আমাৰ তালৈ গৈছিল তেতিয়া মই একে কোৱা নাছিলো। মনে মনে আছো। এই প্ৰতিশ্ৰুতি বিলাকৰ শতকৰা ৯৯ ভাগ কাম নহয়। সেই কাৰণে মই প্ৰতিশ্ৰুতি দিয়া নাছিলো। পিচত ধৰিলে মই কম যে মই প্ৰতিশ্ৰুতি দিয়া নাছিলো। মন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিছিল,

গতিকে মন্ত্ৰীক ধৰা। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

Shri Md Umaruddin :— Mr. Speaker, Sir, I shall like to deal with the long term aspects of flood in the State. Sir in this connection, we have to bear in mind, the topography and climatic condition of the State. As has been pointed out by Mr. Bhattacharyya, we have got the Himalayan ranges on the north, the Garo and Khasi ranges at the middle and Naga ranges on the east. This system of hill ranges has a great part to play in the whole pattern of rainfall which has its invariable effects on the plains. As we are all aware, rainfall in the hill region on the northern ranges from 100 " to 200 " a year. So also in the southern range. where there are some spots where rainfall is the highest in the world. Therefore, on the whole even in the plains the rainfall averages 100 " a year. Necessarily we are bound to have a lot of water to deal with. Before 1950, what was the sitution? Before 1950. we did have floods but not of such magn'tude as we have been experiencing since the earth quake of 195o—causing extensive damages to the lives and properties of our peopls. In the great earthquake of 1950 the lower slopes of the whole Himalayan ranges towards the north-east were broken up under siesmic and convulsions—causing huge miles-long deep fissures and uprooting millions of trees in the mountain slopes. Thus the rain water flowing by the hill sides washed away millions of trees and vast mass of silt and sand and deposited into the Brahmaputra. and as a result, (the bed of the) Brahmaputra river has risen by a few feet all along its length in Assam and beyond. when the depth of the Brahmaputra was reduced by several feet there wa spilling of water over the banks causing extensive damage even with the same amount of rainfall. It was not because there are low-lying areas on either side of the Brahmaputra. Thus the earthquake of 1950 created some adverse permanent changes in our river system. Similarly, all the tributaries which are many on either side of the Brahmaputra were equally affected. Therefore, the discharge from Brahmaputr, discharge from the tributaries carrying heavy quantities of silt and sand generally have been gradually raising the beds of the rivers with the result that not only the Brahmaputra river itself but also some of the tributaries like Beki and Subansiri have become a formidable menace. Thus the present intractable flood situation can therefore be traced mainly to the

natural calamity that took place in 1950. Apart from this, there are other causes. Due to extensive deforestation by reckless destruction of forests in the catchment areas of the rivers, soil erosion has been taking place on an extensive and continuous scale. I happened to have read an article written by Chief Conservator of Forests, Punjab, where he observed that the cause of flood was deforestaion alone. Apart from other natural calamities, he says, during the last 50 years there was so much deforestation and reckless cutting of forests in the catchment areas of the rivers that continuous and increasing soil Erosion had led to the silting-up of the drainage system of various tributaries and other natural channels. Therefore, when we take up the question of solving our problems of flood, we must have the basic causes in mind. We find that our plains areas are interspered with a number of Beels and Channels. These Beels were very deep in the past; these were not only the sources of fish but they contained surplus rainwater as reservoirs. These were so many and so deep that the entire drainage and the rainfall which came from the hill side used to be contained in these natural reservoirs. These natural reservoirs have been silted up for which there are two different specific causes. One is extension of cultivation and soil erosion which is naturally washed in to the Beels and raises their beds. Secondly, there are water-hyacinths which have been causing also extensive silting in the Beels. I think, some experts said that every vear water hvacinth dies and causes a deposit of decomposed vegetable matter about an inch depth in the bed of the Beels with the result that most of the Beels have become very shallow, and in consequence they neither serve as water reservoir nor as good fisheries. These are the main causes for which we have been suffering from floods. The second point is road; during the last two decades a huge number of roads all over the country were constructed without a proper svstem of survey and alignment and without bearing in mind the whole drainage system. Whenever we want road, we say, let there be roads, regardless of whether such roads go across the current or against the system of drainage and also without caring for topographical features. We have roads all over the State which have also led to accumulation of water causing local flood due

to lack of proper drainage. Government have spent so much for controlling floods— particularly in Kamrup that Kamrup is the worst sufferer. Therefore the whole system of drainage must be carefully studied because it is as much a problem as the flood itself. It is no good blaming the Brahmaputra alone but in my view the whole drainage system of the countryside requires proper survey by experts and then effective remedial measures must be taken. There should be a survey for drainage to identify tracts or areas where there is unnecessary accumulation of water, and also organised eradication of water hyacinths which stand in the way of drainage, and also cause silting. Due to the jamming caused by water hyacinth. I have seen, many bridges had been washed away. Therefore this problem has several aspects. If we look at one aspect only and neglect the other aspects, then it will not be possible to solve the problems. Therefore my point is that if we have a number of problems to tackle. We must consider all the problems in their true character and perspective. As Mr. Bhattacharjee has pointed out that we have spent many crores of rupees to control floods, and in doing so, we have built dams and dykes all over the State without proper survey; and the District of Kamrup which received the largest share of money for the purpose i. e. about Rs. 5/6 crores during the Ist plan period has become the biggest sufferer now. For this position either Kamrup leaders must be blamed or the engineers must be blamed for defective construction of dykes and bunds not only on either side of the Brahmaputra but also of some minor rivers. This has been the main cause of the present trouble When there is no flood control measures like dykes and embankments flood water rises gradually and spreads out over wider areas causing much less damage, and in fact, our people can adjust themselves to such a situation. But we create a false sense of security by creating dams and embankments and as a result they remain absolutely care-free, and if there is a breach in the bund during the flood they are caught unaware and have to suffer grave losses in life and property. I remember, in 1965, a statement made by the then Minister, E&D, Shri M. Haque Choudhury on the flood situation, was being discussed in this House. He said that the Government had spent Rs. 16 crores and protected more than 8

lakhs and 50,000 acres or so of land, and that the total the area of land damaged by flood of that year was 8 lakh 70 thousand acres or so that is, more than that was protected. That is to say we had spent Rs. 16 crores and protected or presumed to have protected $8\frac{1}{2}$ lakh acres of land and the flood had damaged more than $8\frac{1}{2}$ lakhs acres of land. Where had then the money gone? How to explain it. Could it be presumed that some other land had been damaged then the lands protected? Mention was made of many breaches on the bunds-some caused under pressure of water and some caused by some people. Therefore. Sir, all the money, that is, about Rs. 40 crores or so that we have spent on flood control measures so far has virtually proved infructuous and the whole thing has to be reviewed an dre-examined by experts and remedial measnres evolved so that people can be saved from recurrent ravages of floods and consequent sufferings.

Sir, my next point is. that we must also take steps for afforestation in the catchment areas of the rivers as long term measures. Though some steps are being taken but they are not an extensive scale nor on a long-term basis. The difficulty is this that most of the areas which constitute the catchment areas of the rivers which flow into Assam lie in other States like Bhutan, Arunachal and also Meghalaya. But we can certainly come to an understanding with these States and have agreement with regard to necessary protection measures about which there should not be much difficulty. Another measure is check dam. Instead of spending money here and there let us have check dams to begin with at least for some of the most turbulent rivers. Of course a check-dam or retention dam involves heavy capital expenditure running in to crores. We have of course, got some schemes for such purposes-one over the river Barak estimated to cost about Rs. 30 or 40 crores. We have also a scheme for the Pagladiya which is going to cost about Rs. 19 crores. Therefore this type of long-term flood control measures should be considered. Instead of spending money in ineffective schemes like dams and embankment we must go in for long-term schemes such as check dams even though the cost may be very high. So far as the Brahmaputra is concerned the

question of a check dam does not arise. I feel that it is a question of training the main channel by dredging over the whole length rather than having dykes here and there. Sir. these are some of the long-term measures to be kept in view. Then again there is another thing which we should take notice of. That is that some people have under pressure of necessity begun living and cultivating land in extremely low-lying areas which are liable to flood every vear even under normal conditions. Such settlements took place generally in char areas before the chars became stable and safe for habitation but land hungry people came in and settled there. My own feeling is this ; The Char areas which are really vulnerable and not suitable for habitation and ordinary agriculture, should be closed to settlement so that they may be used for grazing or other suitable purposes such a dairying, poultry or goat-keeping etc. Instead of allowing people to settle there and inviting troubles for themselves and Government ... I saw in some parts of Barpeta where in extremely low-lying places with about 12 fit of water during flood people were living. What is happening in my District? When a char has hardly come up, people go and occupy it. But when the flood comes they suffer immensely and squeal and cry for help and Government have to take various measures of relief. Therefore, Sir, Government must control settlement of land in areas which are really vulnerable and liable to frequent floods. Sir, I have mostly spoken on causes of flood and measures for long term remedies. In fact we have got to think of long-term remedies as well short-term remedies. We have got to employ engineering and flood control experts who can devise suitable and sound schemes by which we can save our people-if not immediately, at least progressively, from the ravages of floods. Then again, Sir. I subscribe to the view expressed by Mr. Bhattacharyya that we have got learn to live with floods. Somebody asked General De Gaulle. "General, how are you going to solve the Algerian Problem"? which was very acute at that time; he said, "one need not solve problems one must learn to live with problems and that has been more or less our fate. while we must try to develop certain amount of resistance and tolerance we

must also have the courage to face the problem because our real long term remedies will not be available so readily. But the difficulties which have been created by reckless and unsound construction of dykes and embankments must be gone in to and these artificial causes must be removed as far as possible.

With these observations, Sir, I conclude my speech

* Shri Dulal Chandra Barua : Mr. Speaker, Sir, while commending the Motion for discussion in the House regarding the present situation here in Assam I want to submit a few things for consideration of the Hon'ble Members and the Government I am sorry, Sir, while doing so, I am afraid, I cannot be so brief as my leader was in respect of absolving the Government from the responsibility of the critical situation we have been facing to-day due to which many valuable lives have been lost. It is a fact as stated by the Hon'ble Member Shri Umaruddin that we should learn to live with the problems. But at the same time I want to remind the House on the importance of learning to solving the problems. If we live with the problems, there is no need of any administration, no need of the Flood Control Commission and no such other maehinery if we have to live like the present. Yes we are living with the problems but that is so because from the experience we gain thereby, we must learn to solve the problem too. But I am sorry to say that inspite of such long experience of floods here in Assam, they seem to have learnt nothing to solve the problem. These engineers of the Flood Control Department who are meant to solve the Flood Control problems of the State have totally failed to serve the purpose for which they are maintained by the State at huge cost, they are there to spend monsy in the name of Various plans and projects without any appreciable results. When the Brahmaputra Flood Control Commission was sent up at the instance of the Government of India, the people of Assam expected many things from it. But the Commission instead of making any Master Plan for controlling the Mighty Brahmaputra and its tributories and taking action in all earnestness, it has even not been able till now to survey the topography of the State. As mentioned by the Hon'ble Member Shri Umaruddin

* Speech not Corrected

has rightly observed that the topography of this State has undergone great change since the 1950 earthquake. The river-beds of the Brahmaputra and its tributories have gone up. What is the height of the river bed of the Brahmaputra at Gauhati it is not the same at Jorhat or at Dibrugarh.. Now, these engineers have not taken any step to tackle the flood problem from that point of view. In the same way, the river bed of the Kopili has also gone up to a great extent. So is the case in respect of the river Bhogdoi near Jorhat. Same is the case of other rivers too. So I say that unless attempt is made to control the Brahmaputra and its tributories at the root, no effective Flood Control is possible, and in that direction the Brahmaputra Control Commission has not taken up any step. Instead of that they are thinking of constructing dykes and bunds. Now so far as we understand in that direction the Brahmaputra flood Control Commission has not taken up any step, rather they are busy in repairing the old bunds and dykes. If this is called Master plan I have nothing to say. If they are meant for repairing the old dykes and bunds which were constructed mostly on political consideration than on technical consideration, I have nothing to comment. If the Department is sincere to control the mighty Brahmaputra and its tributaries then they should undertake survey immediately and they should not wait for the winter season to come. Sir, whenever we approach them, the officers would say that they would undertake survey during the winter season. I have no objection to that but the question is that unless arrangments for survey are made during the flood season, they cannot study the course of the rivers properly. Sir, when the flood has occurred in the districts the officers are sitting at the headquarters. The experts who are fed with Government money to control the rivers, they are just sitting at the headquarters when flood is creating havoc in the districts. They will simply go by pucca road, sit in the Circuit House, call the officers and they will talk, talk and talk, and nothing will be done. I have also to say something about Borbhag area where the bund was incomplete and sluice gate was not constructed. But whenever we approach them they would talk about plans. They are making plans, one after another without implementing them and whatever

is implemented, that is a failure. In this connection I would also like to mention about Niamati- Janjimukh bund which was constructed without any survey but on political consideration but they have not provided any sluice gate as a result of which the entire Hatigarh has become a huge fishery. Again Sir, in Majuli and Dalbari area maximum number of E. & D. bunds were constructed without taking into account the topography. As a result once flood water enters Majuli area, the entire area becomes a vast sheet of water. Therefore there should be an expert Committee to go into the whole question and find out ways and means as to how the State can be saved from the recurrence of flood every year. In this context I must submit that there should be a co-ordinated plan for controlling the mighty Brahmaputra and its tributaries and this co-ordinating plan should not confine to Assam only but it should cover the entire North-Eastern region, vis : Assam, Meghalaya, Manipur, Tripura, Nagaland and Arunachal. To save Assam and its neighbouring States the diplomatic relation with China should be improved and unless the matter is taken up at that level, Brahmaputra can never be controlled. Therefore, I earnestly request the Government of Assam to take up the matter with the Government of India toc onsider whether such a scheme can be taken up. Very frequently we also hear that the Government of India will take up the Bangladesh Government flood control measures. Sir, we are fortunate that we have Bangladesh as a free and friendly neighbour of ours. The Government of India should take up this matter with the Government of Bangladesh and the experts of the two countries should sit together and formulate a long term plan for countrolling rivers. Sir, as the Hon'ble Member Shri Umaruddin has said, the question of constructing bund for protecting Brahmaputra will not be a feasible proposition but we should try to convince the Government of India to agree to the dredging Brahmaputra and its tributaries. I do not know what our experts who have been brought from outside the State will say to it but as a lay man I think this is the only solution. Sir, here in Assam we have got better experts than those who have been brought from outside. In this connection I may mention the name of late Indreswar Handique who was a lay

man and not an Engineer and who wrote several books one of which I submitted to the Government in the year 1965. He was a man from Jorhat. His forecast has come true but unfortunately nobody paid any heed to his advice. The Departmental experts who have been brougnt from outside have no knowledge of the geographical condition of the State. They were trained in foreign countries and have been sent as experts here and they are experts in processing things in the office which can never be applied in the practical field. As a result of this we are suffering a lot due to floods.

Sir, as you know, we have got the highest rainfall-but no precautionary measure was taken by Government. I think the hon'ble member Shri Bora will bear me out that the Kopili bund was damaged due to heavy rain and cattle crossing but Government did not take any precautionary measures to protect the bund though money was sanctioned by the Finance Department at the instance of the Chairman of the Commission, Mr. Kumra and the reasons are best known to the Department. As a result of this a catastrophe took place and the Government did not do anything to protect the lives of the people. It is indicative of bad functioning of the Department. Sir, we have been shouting here every time that there should be signalling centres for flood.

In all these turbulent rivers there should be signalling centre .For the Brahmaputra there should be signalling centre at the top and there should be siganlling centre somewhere in the middle also. whether that proposal has been taken up by the Government of India nobody knows : I submit as we are to live for years together with this problem, because I know the problem will never be solved, then signalling centre is essential. Hon'ble Member Shri Umaruddin has rightly pointed out that in riverine areas, in catchment areas all the forests were damaged, especially in the NEFA area. The adivasis came and cleared the jungles. Everywhere the forests have been damaged and in the catchment areas there are no forests and as a result the rain waters come straight down to the plains. So afforestation is to be done through the Soil Conservation Department for all the riverine areas along with E & D bunds. As in the case of Teesta Barrage

where this protection work has been done through afforestation the same thing has to be done here in our state also by giving all sorts of assistance to the Soil conservation. Department. Sir, now it is a fact that some districts like Nowgong, Kamrup and Cachar are facing a horrible situation and we are to find out the reason how this could happen; and we shall have to examine it very very carefully. Now, coming to another aspect of the thing, our leader has rightly pointed out that the people have been neither paid compensation for constructing bunds on their land nor the Govt is in a position to protect them from flood. In both ways they are losing. It will be a bad and horrible picture if I cite an example before you. Our Govern ment is conscious about flood only in the rainy season and when the winter season comes, when the Ministers can go on tour when the officers can travel freely, the suffering of the people is forgotten. This time maximum amount has been spent on flood relief but can Government say that all relief measures which have been taken up by the Government through Revenue Department have been properly executed. In these flood relief measures maximum misuse of fund has taken place and this has also come to the notice of the Public Accounts Committee. Therefore Governmet should give relief only to the deserving persons. But the relief which is given in the shape of cattle loan, seed loan etc. by the Government ale extended only in the winter season and notduring the flood and that is a bad process adopted by the Govt. Now when the people are in trouble those reliefs should be given to the people without delay. For instance in 1965 a great catastrophe took place in Jorhat area due to heavy erosion caused by the Brahmaputra and many families were rendered homeless but till to-day this Government has failed to give settlement or rehabilitate these people. Only the other day a telegram came to me saying that the people are going to launch hunger strike and when I took up the matter I was told that some homestead land will be given to them but no land for cultivation. with these words I commend my motion.

*শ্রীমৌলানা আব্দুল জেলিল চৌধুরী : অধ্যক্ষ মহাশয়, আজ বন্যাসম্বন্ধে এই আলোচনায় দাঁড়িয়ে ১৯৪৩ ইংরাজীর খবরের কথা মনে পড়ে। যে বার অনাহারে

* Speech not Corrected

৩৮ হাজার লোক মারাগেল। বেঙ্গলে কেবল কর্মচারীদের ভুলে খাদ্যের অভাবে অনেক লোক মারাগেল, তখন বাংলায় গণ আন্দোলন হয়েছিল। এ, কে, ফজলুল হক্ তখন বাংলার মুখ্যমন্ত্রী। আজ বন্যা সম্পর্কে বিভিন্ন সম্মানিত সদস্যগণ যা বলেছেন, আমি তাদের সাথে একমত।

আমাদের কাছাড় কি ভাবে অবহেলিত তার একটি প্রমান এই বন্যাতে পাওয়া গেছে। আজ আমি এই কথাই বলতে দাঁড়িয়েছি। মহোদয়, আপনি জানেন, আমাদের কাছাড়ে তিন্‌টি বড়নদী। বরাক, কুশিয়ারা ও সুরমা। আমি বরাক project সম্বন্ধে বলতে চাইনা। এই তিন্‌টি ছাড়া আর বিশেষ উল্লেখ যোগ্য হলো; সিংলা, মদ্রা ও কাটাখাল। এই তিন্‌টি Tributary র জন্য কতগুলি পরিকল্পনা করা সত্ত্বেও আজ পর্যন্ত বাঁধ দেওয়া হয় নাই আর তাছাড়া কাছাড়ে যেসব নদী তে বাঁধ দেওয়া হয়েছে, সেই বাধ গুলি গত বৎসর বন্যায় ভেঙ্গে যাওয়ার পরে আজ পর্যন্ত মেরামৎ করা হয় নাই। মুখ্যমন্ত্রী মহাশয়, তা নিজে দেখে এসেছেন। কৃষি মন্ত্রী মহাশয়ও দেখেছেন এবং তাছাড়া, আমাদের পূর্ত মন্ত্রী ও সরবরাহ মন্ত্রী ও এই বিষয়ে জানেন। কাছাড় জেলার E & D বিভাগের জেলা পর্য্যায়ের যত কর্মচারী তারা শিলং এর উচ্চ পর্য্যায়ের কর্মচারীদেরে জানালেও এই ব্যাপারে আজ পর্যন্ত কোন ব্যবস্থা গ্রহন করা হয় নাই। অত্যন্ত দুঃখের বিষয়, কটিগড়ার মাননীয় সদস্য শিলং এ আমার আগে একটি ভাঙ্গা বাঁধ পুনর্নির্মানের জন্য মাত্র ১২ হাজার টাকার Sanction এর জন্য আবেদন নিবেদন করা সত্ত্বেও কোন ফল হয় নাই। আজ হয়ত, এই বন্যায় জনসাধারনের এই সর্বনাশ হয়ে যাবার পর সরকার লক্ষ লক্ষ টাকা Relief এর জন্যে খরচ করতে এগিয়ে এসেছেন। তখন আমাদের বিভাগীয় কর্তৃপক্ষ এই কথা কানে তুল্‌লনা।

তাছাড়া, মহাশয়, এই জেলা পর্য্যায়ের কর্ম্মচারী ও চিলং এর কর্মচারীদের যোগে গতবৎসর যে সব বাঁধ নির্মানের কাজ হয়েছিল, তার প্রায় ৪ লক্ষ টাকা Contractor দেরে Payment করা হয়নাই। এই ভাবে যদি তার বিভাগের Approval না পাওয়ার জন্য লক্ষ লক্ষ টাকা সরকার থেকে নাপায় তাহলে তারা কাজ করবে কেন? কাজেই আমার মতে, কাছাড়ে প্রতি বৎসর যে বন্যা হচ্ছে তা Men created বন্যা। কেবল তাই নয়, অধ্যক্ষ মহাশয়, শুনলে আশ্চর্য্য হবন, এই বন্যা আসার আগে Precautionary Measure নেওয়ার জন্য সরকার বাধ ইত্যাদি তৈরীর জন্য লক্ষ লক্ষ টাকা

খরচ করেন। কিন্তু এই বাধ গুলি তৈরীর জন্য কাছাড়ে যাদের জমি সরকার নিয়েছেন তাদেরে আজ পর্যন্ত ক্ষতিপূরণ দেওয়া হয় নাই। এই জন্য তারা আর এইসব কাজে সরকারকে সহেযাগীতা করতে ভরসা পায়না।

মহোদয়, কাছাড় জেলায় যে বাধ গুলি আছে এই গুলি স্থানে স্থানে ভেঙ্গে পরে আছে। বন্যাৰ প্রাক্কালে জনসাধারন টেলীগ্রাম করে সরকারকে এই বিষয়ে সতর্কতা অবলম্বনের জন্য জানিয়েছে। এই বাধ গুলি মেরমৎ করলে এই বন্যায় কাছাড়ের লোকের এই দুর্দ্দশা হতনা। প্রকৃতি যখন মারমুখী হয়ে আছে তখন মানুষের হয়ত করার কিছু থাকেনা কিন্তু, এই বার যে কাছাড়েৰ বন্যায় জনসাধারণ এই ভাবে বিপদগ্রস্ত হয়েছে তার জন্য সম্পূর্ণ দায়ী এই E & D বিভাগ। এই বিভাগের অবহেলা জন্য আজ কাছাড়বাসীৰ এই দুর্দ্দশা।

তাই, মহাশয়, আপনার মাধ্যমে মুখ্যমন্ত্রী মহোদয়কে অনুরোধ করি, এইবার ২য় বন্যা আসার আগে যেন এই বাধ গুলি মেরামৎ করার ব্যবস্থা শীঘ্রই গ্রহণ করেন।

মহোদয়, কাছাড়ের বিখ্যাত 'বক্রী হাওর' সৃষ্টি হয়েছে এই অপরিকল্পিত বানিয়ন্ত্রনের অপচেষ্টার জন্য। জল নিষ্কাশনের উপযুক্ত ব্যবস্থার অভাবে এই অঞ্চলের লোক হাঁসের মত বসবাস করছে। এই বার মুখ্যমন্ত্রী মহাশয় যখন রামকৃষ্ণ নগর গিয়েছিলেন, তখন রাস্তাবাড়ীতে তিনি এই অবস্থাটো প্রত্যক্ষ করেছেন। সেখানেও বাধ দিয়েজল আটকোনো হয়েছে অথচ জল নিষ্কাশনের কোন ব্যবস্থা নাই। এইসব ব্যবস্থার জন্য Sluice Gate নাই। Pollard Gate এর যে কাজ আরম্ভ হয়েছে তা আজ পর্যন্ত শেষ হয় নাই।

মহোদয়, কেন কাছাড় জেলা এই সব নায্য সুবিধা থেকে বঞ্চিত থাকবে? তার কারণ আমি বুঝতে পারিনা সুতরাং আমি আপনার মাধ্যমে খ্যমন্ত্রী তথা বান নিয়ন্ত্রন বিভাগের মন্ত্রী মহোদয়কে অনুৰোধ করি যেন তিনি অতি সত্বর এই সমস্ত খবর নিয়ে তার বিহিত ব্যবস্থা গ্রহণ করেন তার সঙ্গে আমি অনুরোধ করি, এই বন্যায় প্রপীড়িত contarctor দেরে E & D বিভাগ নেকে তদন্ত করে যাতে তাদের প্রাপ্য টাকা অতি সত্বর দেওরা হয় তার ব্যবস্থা গ্রহণ করেন তারা অনাহারে দিন কাটাচ্ছে অথচ তাদের প্রাপ্যটাকা তারা সরকারের নিকট থেকে পাচ্ছেনা। এই সব টাকা

দেওয়ার ব্যবস্থা কোন Technical অসুবিধা আছে কি না তা বিবেচনা করতে করতে অনাহারে তাদের মৃত্যুর দিন ঘনিয়ে আসবে। মহোদয়, আর একটা কথা, এই চোঙ্গা পেন্ট পরা অফিসার গণ ভাবে, এই সব বাধ দেওয়ার ব্যাপারে তারা আবার গ্রামের লোকের সাথে কি পারমর্শ করবে।

মহোদয়, সরকার আইনের সাহায্য নিয়ে, Requisition করে বাধ তৈরীর জন্য জনসাধারনের জমি নিয়ে যাচ্ছেন, উপযুক্ত ক্ষতিপুরন ও যথাসময়ে দিচ্ছেনা, অথচ এত ত্যাগের পরেও তাদের বন্যার হাত থেকে কষ্টের লাঘব হচ্ছেনা। বরং তা বেড়ে দ্বিগুন হয়েছে।

তাই, আমি বলি, এই যে সব বড় বড় Project এর জন্য আমরা পরিকল্পনা করছি, যেমন, বরাক Project, ব্রহ্মপুত্র, Flood Control ইত্যাদি, এই গুলিতে যেন জল নিষ্কাশনের উপযুক্ত ব্যবস্থা থাকে। কারণ, আমরা দেখতে পাচ্ছি, বন্যা নিয়ন্ত্রনের জন্য যে বাধ গুলি দেওয়া হয়েছে এই গুলিতে উপযুক্ত জল নিষ্কাশনের ব্যবস্থার অভাবে স্থানে স্থানে জল জমে ঐসব অঞ্চলের মানুষ হাঁসের মত বেঁচে আছে। সুতরং কাছাড় জেলার সরকার যেন এই ব্যপারে বিশেষ ভাবে নজর দেন।

অধ্যক্ষ মহোদয়ে, আমাৰ সর্বশেষ কথাটি আমি অত্যন্ত দুঃখের সঙ্গে বলছি যে Revenue মন্ত্রী মহাশয় কাছাড়ের এই বন্যায় যে তিনটি মৃত্যু সংবাদ দিয়েছেন, তাদের নাম আমরা আজ পর্যন্ত জানতে পারলাম না মন্ত্রী মহোদয় কি একটু খোজ করে এই সম্পর্কে আমাদেরে তথ্য জানাবেন? এই বলে আমি আমার বক্তব্য শেষ করলাম।

শ্রীদেবেন বৰা : মাননীয় অধ্যক্ষ মহোদয়, বানপানী সম্পর্কে আজিৰ সদনত যি আলোচনা কৰা হৈছে, সেই সম্পর্কত মইও দু-আষাৰ কব বিছাৰিছো। যি সকল লোক বানপানীত ক্ষতিগ্রস্ত হৈ পৰিছে সেই লোক সকলৰ কথা এই সদনত সম্পূর্ণ ভাৱে উৎথাপিত হোৱা নাই বুলি মই ভাবিছো।

অধ্যক্ষ মহোদয়, মই নিজেই বানপানী এলেকাৰ মানুহ। সাধাৰণতে নগাওঁ জিলাখন এখন বানপানী এলেকা বুলি কোৱা হয়। আৰু মোৰ যিটো সমষ্টি এই যমুনামুখ সমষ্টিত যমুনা, কপিলী, লুটুমাৰী, বৰাপানী এই চাৰিখন নদীৰ দ্বাৰা এই অঞ্চলটো বানপানীত ক্ষতিগ্রস্ত হৈছে। মই এইটোৰ এটা বিবৰণ আপোনাৰ জৰিয়তে চৰকাৰক জনাব খুজিছো।

পৰহি দিনা মই যমুনামুখত আছিলো। তাত ইমান পানী বাঢ়িছে যে মই ৪টা মৰা হাতী পানীত উটি অহা দেখিছো। সেই কপিলী নদীয়ে অনেক ভয়াবহ অৱস্থাৰ সৃষ্টি কৰিছে। সাধাৰণ ঘৰ দুৱাৰৰ কথাই নাই আনকি টিনপাতৰ ঘৰ পৰ্য্যন্ত পানীত উটি আহিছে। ইয়াৰ বাহিৰেও কিমান গৰু মহ মৃত্যুৰ মুখত পৰিছে তাৰ হিচাব নাই। তাৰ কোনো সীমা সংখ্যা নাই। পৰহি দিনা মই যি ভয়াবহ অৱস্থা দেখিলো সি অবৰ্ণনীয়। পানীৰমাজত কেইগৰাকী মান তিৰোতা মানুহ বুকুত কেচুৱা লৈ পানীত উটি আহিছে। বানপানীয়ে আজি যি তাণ্ডৱ লীলাৰ সৃষ্টি কৰিছে তাৰ কোনো খবৰ আমাৰ বাতৰি কাকত সমূহত প্ৰকাশ হোৱা নাই। আৰু এই সদনতো প্ৰকাশ হোৱা নাই।

অধ্যক্ষ মহোদয়, সুৰুতে ১৯৩৪ চনৰ বানপানীৰ কথা শুনিছিলো আৰু সেই সময়ৰ এজন অভিজ্ঞতা থকা লোকেই এই বানপানীৰ অভিজ্ঞতাৰ কথা কৈছিল। সেইটো অকল বানপানীয়েই নহয় এক দৈত্য। পানী ৮ ফুট ওপৰলৈকে উঠি গোটেই নগাওঁ জিলা বুৰাই পেলাইছিল-অকল এটা ৰাতিতেই আৰু তাত কিমান যে কি হল তাৰ কোনো হিচাব নাই। সেই কাৰণে মই আপোনাৰ জৰিয়তে চৰকাৰক জনাব বিচাৰিছো যে আমাৰ যোগীজান গাওঁ সভা এলেকাৰ পৰা এই বানপানীত ১১ টা লৰা-ছোৱালী, কেইবা গৰাকী বুঢ়া মানুহ আৰু বহুতো গৰু মহ মৰিছে। এইবিলাক কথা নিজে নেদেখিলে অনুভৱ কৰা টান। এতিয়া পানী অলপ শুকাইছে-কিন্তু গৰু-মহৰ মৰাশ বিলাক যতে ততে পৰি আছে-দুৰ্গন্ধত মানুহে থাকিব পৰা নাই। যমুনামুখ, ৰহা, লংকা সমষ্টিৰ গাওঁসভা এলেকাবিলাকত অবৰ্ণনীয় দুৰ্দশা হৈছে। সৌভাগ্য ক্ৰমে সিদিনা মুখ্যমন্ত্ৰীয়ে সেই অঞ্চলবিলাক পৰিদৰ্শন কৰিছিলে। ভেঁতে নাৱেঁৰে আৰু কিছুদূৰ যোৱা হলে আমি সুখী হলোহেতেন আৰু ভেতিয়াহলে সম্পূৰ্ণ অৱস্থাটো দেখিবলৈ পালেহেঁতেন। এতিয়া কিছু কিছু মানুহৰ ঘৰ বোৰ ওলাইছে যদিও মানুহবিলাক বিভস্ত অৱস্থাত কেম্পত থাকিব লগা হৈছে। কেচুৱা আৰু তিৰুতা সকলৰ কাৰণে গাখীৰ আৰু বস্ত্ৰৰ যোগাৰ ধৰিব লাগে। এই পাঁচখন মৌজাত প্ৰায় ৬০ হেজাৰ মানুহ ক্ষতিগ্ৰস্ত হৈছে। তাৰোপৰি গৰু-মহ আদি মৰিছে। যিবিলাক গৰু-মহ বাচি আছে সিবিলাকৰো বেমাৰ হৈছে। ভেটেনেৰি ডিস্পেন্চেৰীত ভাল ঔষধৰ ব্যৱস্থা হোৱা নাই। ভেটেনেৰী বিভাগৰ সহকাৰী ডিৰেক্টৰজন

সিদিনা নগাৱঁলৈ গৈছিলো যদিও বিধ্বস্ত অঞ্চলবিলাকলৈ যোৱা নাই। গতিকে যথেষ্ট পৰিমাণৰ ঔষধ-পাতি দিয়াৰ ব্যৱস্থা কৰিব লাগে। কেনে ৰকমৰ বেমাৰ হৈছে সেইটো চাই ঔষধৰ ব্যৱস্থা কৰক।

[illegible] আহাৰ মাহতে ধানৰ কঠিয়া দিয়াৰ ডি, চিক নির্দেশ দিব লাগে। কিন্তু কপৰ্ণেৰেচনৰ বিষয়ে, হলেও কঠিয়াৰ যোগান ধৰিব লাগে। আৰু ওপৰি কেটল লোন দিয়াৰ ব্যৱস্থা কৰিব লাগে। নহলে মানুহে খেতি কৰিব নোৱাৰিব। ক্ষতিগ্ৰস্ত হোৱা লোক সকলক "বেচকীড" কৰিবৰ কাৰণে মেচিন নাও দিয়া হৈছিল। কিন্তু এই মেচিন বিলাক বেয়া হোৱাৰ কাৰণে বেচকিড্‌ৰ কাম কৰিব নোৱাৰিলে। গতিকে আত [illegible] দিয়াৰ ব্যৱস্থা কৰিব লাগে। বিশেষকৈ কেটল লোন, কঠিয়া আৰু ঔষধৰ লগতে গাখীৰ আৰু বস্ত্ৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

*শ্ৰীজালালউদ্দিন আহমদ: অধ্যক্ষ মহোদয়, ৰঙাপুৰ [illegible] জগত [illegible] দাঙিব পৰা হলে সেইটো। [illegible] তেনেকৈ আমাৰ [illegible] নিয়ন্ত্ৰণ [illegible] মধ্য [illegible] ভেলেঙী নদীৰ [illegible] ৰি দিব লাগে। কিন্তু [illegible] ১৯৭ [illegible] [illegible] ১২ [illegible] টকা [illegible] কৰিলে। আনফালে [illegible] বৰ্ত্তমানৰ বানপানী [illegible] আৰু ভেলেঙী এই [illegible] নদীয়েদি পাৰ হৈ যায় [illegible] ভেলেঙী নদীৰ [illegible] বানপানীৰে সেই অঞ্চলটো [illegible] এতিয়া তাত যি ক্ষতি হৈছে [illegible] বিলাক [illegible], ধান [illegible] আৰু [illegible] কঠিয়া [illegible] সকলোকে বানপানীয়ে নষ্ট কৰি দিছে। [illegible]

* Speech not Corrected

ওচৰলৈ আহিছে : কিন্তু চৰকাৰে কি ব্যৱস্থা কৰে কব নোৱাৰো ।

দ্বিতীয় কথা হল-আমাৰ শ্ৰীবৰুৱা ডাঙৰীয়াই যি খিনি কথা কলে; সেই গোটেই খিনি কথাই সচা । কাৰণ বানপানী আহিলে জাতিগত হিচাবে নাহে । গতিকে আজি হাউচত যিবিলাক কথা আলোচনা কৰিছে-সেই বিলাক প্ৰব্লেম চলভ্ কৰিবৰ কাৰণে তেখেতে যিখিনি কলে সেইখিনি সচা । তাৰ পাছত শুনিবলৈ পাইছিলো যে ১৯৬৩ চনতে ড্ৰেজাৰ আনিব আৰু ব্ৰহ্মপুত্ৰৰ বুকু খান্দি দিব-সেইটো অহাৰ পাছত আমাক আশ্বাস দিছিল যে গৰা খহনীয়া আৰু বানপানী আদি প্ৰকৃতি দুৰ্য্যোগৰ কাৰণে কোনো ভয় নাথাকিব -কিন্তু এই ড্ৰেজাৰ আহোঁতে আহোঁতে ১৯৭০-৭১ চন পাৰ হৈ গল আৰু আজি ১৯৭২ চনৰ ২৯ জুন পালেগৈ । আজিলৈকে ড্ৰেজাৰৰ নামত ব্ৰহ্মপুত্ৰৰ বুকুত কিমান টকা গল তাৰ কোনো হিচাব নাই । ব্ৰহ্মপুত্ৰ ফ্লাড্ কমিচনে কেতিয়া এইটো কৰিব ? সেই কাৰণে মই চৰকাৰক কব বিচাৰিছো যে অতি সোনকালে ড্ৰেজাৰৰ ব্যৱস্থা কৰিব লাগে । তাৰ পাছত মোৰ সমষ্টিত আগৰ খাল নামে এটা খাল আছে । সেইটো চৰকাৰে বান্ধিবৰ কাৰণে ব্যৱস্থা নকৰাত-সেই খালেদি পানী সোমাই এতিয়া প্ৰায় ৭০ লাখ টকাৰ সম্পত্তি নষ্ট কৰিছে । আৰু এটা আছে-সেইটো হল কোকাৰ জান । এইটো প্ৰতি বছৰে ডাক হয় মাত্ৰ ৩০ হেজাৰ টকাত । এই ৩০ হেজাৰ টকাৰ কাৰণে চৰকাৰে জানটো বন্ধা নাই । কিন্তু সেইটো বান্ধিবলৈ চেষ্টা নকৰাৰ ফলত বৰপেটাৰ প্ৰায় ১১ লাখ জন সংখ্যাৰ ভিতৰত অন্তত : ৬ লাখ জনসংখ্যাৰ কষ্ট হয় । গতিকে চৰকাৰে এই কোকাৰ জানটো বান্ধিবৰ কাৰনে অৰ্ডাৰ দিব লাগে । ইয়াকে কৈ মোৰ বক্তব্য শেষ কৰিলো ।

মাননীয় অধ্যক্ষ : সদনৰ অনুমতি লৈয়ে মই অধিবেশন ৬.৩০ বজালৈকে সময় ঠিক কৰিছিলো । এতিয়া আৰু বঢ়াব লাগিলে মোক সদনে কব লাগিব সদনৰ সময় আৰু আধা- ঘন্টালৈকে বঢ়াই দিয়া হৈছে ।

শ্ৰীগিয়াচুদ্দিন আহমেদ : অধ্যক্ষ মহোদয়, তেখেত সকলে কেইবাজনো উঠিছে গতিকে তেখেত সকলে আলোচনাকে কৰি থাকক ।

Shri Santi Ranjan Das Gupta : Mr. Speaker, Sir, for consideration of House and also of the Flood Control Department, I shall narrate the stery of how the floods came into Nowgong district first from the river Kapili. River Kapili coming from the upper side combined with two

other rivers Amring and Doyang. I have heard from the Engineering Department that the floods came from the original source near Garampani at 60 ft height. This may be true because the Mandali island, is adjacent to Kharikhana which is at a height of 30 ft. from the water level. First of all, the flood waters hit the Mandali island, which is $2\frac{1}{2}$ miles in length and $1\frac{1}{2}$ miles in breadth. Thaisu is a char land on the southern part of Mandali. The waters struck the Mandali island and then the entire force of the flood water was divided into two. As a result, one hit the Mandali island and one hit the Kharikhana embankment. The Kharikhana embankment, which runs from Kharikhana village upto Jogijan, about 20 miles in length, was breached and the breadth of the breach about 450 meters. It created a river about 8 miles long and the entire habitable area was converted into a river. The flood waters totally damaged the Thaisu area where 116 families were living. All the houses were washed away; the people were also washed away, many of them saved their lives by embracing the simul tree. Many lost their lives. It has created a serious problem. The engineers say that it will take 5000 people working daily for 2 months to repair the breach. I may state here that the Kharikhana bund was breached at 29 points, in 2 points major, So, Sir, I doubt whether we can tackle the flood by embankment, because a mighty river like Kapili cannot be controlled by simple embankment. As my friend Mr. Umaruddin said, there must be something like check dams and signalling system at the source. Otherwise it will be very difficult. About 6 or 7 villages in the Kharikhana Gaon Sabha and Laskar Panchali Gaon Sabha of my constituency have been washed away. Houses have been washed away and all cattle lost. From there the water with tremendous force entered the Hojai mouza and from there to Mr. Bora's constituency Jamunamukh. There is only one sluice gate in the entire length of Kharikhana bund, which is about 20 miles in length. During my membership in this Assembly previously I had occasion to point out the necessity of a sluice gate on river Jamuna and another at Jorang Nala. It has not been yet constructed. I have today requested the Chief Minister to personally visit these places. He should also

depute engineers from 3 departments because one engineer cannot give the exact solution. The situation demands repeated visits and investigations by engineers; otherwise it will be very difficult to tackle this problem.

Now, Sir, coming to rehabilitation, the crying need is food for the babies, clothes for all and seeds, which should be provided immediately. The details have alluded. The people, particularly the women and children had to run with whatever clothes they had on their body. In some cases, the women were completely naked because the clothes they had been wearing were washed away. The village people in the higher area gave them something to wear. Many babies are completely naked. So I would request the Government to take this problem in right earnest. The officers also should be very alert and active. It is not worthy of myself, an elderly member, to criticise the officers for their slow movement. My request to the members will be that they must face the situation, they must understand the reality of the situation and they must realise the crying need of the time. With these few words I resume my seat.

Shri Suranjan Nandi: Mr. Deputy Speaker, Sir, I just have come from the Cachar District. I have witnessed the havoc caused by the floods in Cachar and I would like to give account of this in this House. Before that I would like to offer my sympathy to the people of the districts of Nowgong, Kamrup etc. Sir, my impression about my own subdivision is that the rivers namely Sinla, Longai and Kushiyara have been in spate and crossed the danger level. There were some breaches also here & there. This shows that the plans formulated by the E&D and their execution was defective. Nearabout 400 villages covering a population of 2 lakhs and about 4 thousand acres of land have been affected. The value of the loss will be in between 50 to 75 lakhs. There was a loss of three human lives. I do not know whether the Government has got this information. There have been some breaches near Patharkandi and Anipur by Longai and Singla rivers with the help of the local E&D staff and public the breaches were promptly repaired and lives of many people could be saved, otherwise there would have

been a great devastation. The northern part of Ratabari P.S. have been badly affected and the standing crop have been totally damaged. Many dwelling houses have been damaged and most of these houses belong to the Scheduled caste and baekwrad class people. Sir, I want to draw the attention of the Chief Minister and E&D Minister to take early measure, such as offering medical relief, epidemic vaccination, Sali seeds to cultivators and gratiutious relief to be given to the affected people. Seeds and cattle loans are very much wanted. if these are given then they may try their luck again. Now, I would like to draw the attention of the Chief Minister to an unfortunate incidnt. During my last stay for 7 days in Kairmganj I got no opportunity to meet the local administrator, the S.D.O of Karimganj. I tried my best to contact him but I failed. I was told that he was in his official bungalow but I could not contact him. I do not know what measure he has taken. I was annoyed seeing his apathy. I tried to contact him to discuss about the flood situation but I could not do so. I met the Deputy Commissioner on 26th June last and he gave me assurance to do the needful. When I met the Deputy Commissioner and S. D. O. together, the S. D. O. said that he had no instruction to consult the M. L. As in such matters. This was his version in front of the D. C., I strongly protested against this. I was helpless in this matter to convince the S.D.O. to convene a meeting for discussing flood Position. He did not like to convene any meeting on the ground that he received no instruction from the Government. I do not know Sir, whether it is necessary to obtain instruction from the Government even for day to day business, particularly in such crucial hours. All other officers like the D. C., A. D. C. Sr. E. A. C., S. P. O. are touring all over the areas to help the people. so I request the Chief Minister to make alert the local administration to give relief to the suffering people of my subdivision and to do whatever necessary for the relief of those suffering people affected by flood

*শ্ৰীআবুল হুচেইন মীৰ: মিঃ ডেপুটি স্পীকাৰ চাৰ, মই ব্যক্তি গত ভাবে ২৪। ২৫। ২৬ আৰু ২৭ তাৰিখৰ প্ৰলয়ঙ্কৰী বানপানী পৰিদৰ্শন কৰিবলৈ যোৱা

* Speech not Corrected

বিভিন্ন অফিচাৰ, বিষয়াৰ লগত গৈছিলো আৰু সহায় আদি যোগোৱাত ময়ো আছিলো। পিছিকে মই ১৪ তাৰিখে নগাঁওত যেতিয়া ৰিলিফ কমিটি হয় তেতিয়া তাত এটা কথা বিশেষকৈ কৈছিলো যে বানপীড়িত মানুহ বিলাকক সহায় কৰিব লাগে আৰু গৰু-মহ আদি উদ্ধাৰ কৰিব লাগে; কিন্তু ডিপাৰ্টমেণ্টত তেতিয়া নাও নাছিল। দুখৰ বিষয়, ইমান প্ৰলয়ঙ্কৰী বানপানীতো সেই সময়ত নগাঁও জিলাত বান এখনো ভাল নাওঁ নাছিল। সেই খবৰ মই নগাঁও জিলাৰ ডি চিক দিছিলো। ২৪। ২৫ তাৰিখে গুৱাহাটীৰ পৰা মেচিন নাওঁ আহিল আৰু তেতিয়াহে বান পীড়িত মানুহ, গৰু আদি উদ্ধাৰ কৰিব পৰা হৈছিল। ই এণ্ড দি বিভাগৰ কাৰণে চৰকাৰে দুই কোটি টকা ধৰিছে। তাৰে হেজাৰ হেজাৰ টকাৰ পেট্ৰল কিনা হৈছে, কিন্তু পেট্ৰলৰে কি হব? পেট্ৰলৰ পৰিবৰ্ত্তে সেই টকাৰে যদি নাওঁ কিনিলে হেতেন তেতিয়া হয়তো পানী অহাৰ আগতেই বা পানী কম হৈ থাকোতেই সাৱধান হব পৰা গলহেতেন।

নগাঁও জিলাত বানপানীত জুৰুলা হোৱা মানুহৰ সংখ্যা এতিয়ালৈ প্ৰায় ৭ হেজাৰ পোৱা হৈছে। আচল হিচাব টো এতিয়ালৈকে পোৱা নাই। কপিলী নদীক মানুহে পাগলা নদী বুলি কয়। বহুত দিনৰ পৰাই এই নদীৰ পাৰৰ মানুহে বানপানীৰ গঢ়াহত পৰি আহিছে। বান্ধ দিয়াৰ পিচত এই নদীয়ে গতি সলালে। ফ্লাদ কণ্ট্ৰোল ডিপাৰ্টমেণ্টত নাওঁ ৰখা নাই, নাওৰ পৰিবৰ্ত্তে এই ডিপাৰ্টমেণ্টে ৰাখিছে পেট্ৰোল। ভবিষ্যতৰ কাৰণে নাওঁৰ ব্যৱস্থা ৰাখিবলৈ মই চৰকাৰক অনুৰোধ কৰিছো। হালধীয়া খুটি অঞ্চলত ব্ৰহ্মপুত্ৰৰ প্ৰবল গঢ়াখহনীয়া হৈছে। আজি দুবছৰে তাৰ ৰাইজে আপত্তি দৰ্শাই অহা স্বত্তেও তাত ৰিং বান্ধ দি কোনো প্ৰকাৰৰ প্ৰিকুৱেশ্যন মিজাৰ লোৱা হোৱা নাই। আজি দুই বছৰেও ইয়াত কোনো ৰিং বান্ধ দিয়াৰ বৱস্থা কৰা হোৱা নাই। আজি হালধিয়া বিধৱ পৰা টিং সমষ্টি ৰূপহী উট যাব। ইয়াত প্ৰজেকচন বান্ধ দিয়া হোৱা নাই বানপানীৰ পৰা প্ৰতিৰক্ষাৰ কাৰণে এখনো নাও নাই। যোৱা ২৭ তাৰিখে মই ৰিলিফ দিবলৈ গৈছিলো। কপিলি নদীত যি বানপানী হৈছে আগতে চৰকাৰে বা ফ্লাদ কনট্ৰোল বিভাগে কিবা প্ৰতিৰক্ষাৰ ব্যৱস্থা লোৱা হলে বানপানীৰ এনেকুৱা প্ৰকোপ নহলহেতেন। সেইবিলাক ঠাইত নাওৰ ব্যৱস্থা নাই। সেই সময়ত এনেকুৱা হৈছিল যে যমুনামুখ আৰু হোজাই সমষ্টিৰ নাওৰ কোনো ব্যৱস্থা নাছিল। মাত্ৰ

দুখন নাৱে বিলিকৰ কাম কৰি ফুৰিছিল। এই দুখন নাৱে ২৫-৩০ জন মানুহ নি ওখ ঠাইত থবলৈ হলে দুই তিনি ঘণ্টা সময় লাগে। মানুহবিলাকে কোনো ঠাইত আশ্ৰয় লবলৈ সুবিধা নাপাই বসুন্ধৰী পাহাৰত আশ্ৰয় লৈছিলগৈ। তাত কিমান গৰু-মহ মৰিল তাৰ হিচাপ আজিও চৰকাৰে দিব পৰা নাই। তাত অন্য কৰিব নোৱাৰিলেও আমাৰ বাননিয়ন্ত্ৰন বিভাগৰ পৰা নাও ৰখাৰ ব্যৱস্থা কৰিব লাগে। নহলে মানুহ বিলাকে অভিজতে যেনেকৈ বানপানীত মানুহ চলিছিল তেনেকৈ চলিবলৈ এবি দিব লাগে।

মাননীয় অধ্যক্ষ : শ্ৰী লীলা কান্ত দাস : আপোনাৰ সময় ৫ মিনিট।

শ্ৰীলীলাকান্ত দাস : মাননীয় অধ্যক্ষ মহোদয়— বানপানীৰ পৰিস্থিতি অসমৰ এটা ডাঙৰ সমস্যা। প্ৰত্যেক বছৰেই বানপানীয়ে অসমলৈ বিপদ মাতি আনে। এই প্ৰসঙ্গত মোৰ এটা কথা মনত পৰে। ১৯৬৬ চনৰ জুলাই মাহত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ মিটিঙত কেন্দ্ৰীয় চৰকাৰৰ বাননিয়ন্ত্ৰণ আৰু শক্তি বিভাগৰ মন্ত্ৰীয়ে অসমৰ বানপানীৰ সম্পৰ্কত মন্তব্য প্ৰকাশ কৰিছিল যে ব্ৰহ্মপুত্ৰৰ বানপানী প্ৰতিৰোধৰ কাৰণে ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ কৰা সম্ভৱ নহয়। ইয়াৰ পৰিবৰ্তে ব্ৰহ্মপুত্ৰৰ উপনদীসমূহ নিয়ন্ত্ৰণ কৰি দিলে ব্ৰহ্মপুত্ৰৰ বান-পানীয়ে অপকাৰ কৰিব নোৱাৰিব, উপকাৰহে হ'ব। সেই কাৰণে শোৱণশিৰি পাগলাদিয়া, মানাহ আদি নৈ সমূহ নিয়ন্ত্ৰণ কৰাৰ আচনি হাতত লোৱা হৈছে। যদি সেইমতে কাম হাতত লোৱা হ'লে আজি অসমত বানপানীৰ এনে তাণ্ডৱ লীলা নহ'লহেঁতেন। আজি সাতবছৰেও সেই কথা মতে কোনো বিশেষ কাৰ্য্যকৰী ব্যৱস্থা হৈ উঠা নাই। গতিকে অধ্যক্ষ মহোদয় মই ক'ব খোজো কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰৰ বাননিয়ন্ত্ৰণ বিভাগৰ যোগে সোনকালেই ব্ৰহ্মপুত্ৰৰ উপনৈ সমূহ নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা হাতত ল'ব লাগে আৰু এই গোটেই খৰছ কেন্দ্ৰীয় চৰকাৰে বহন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ৰাজ্যিক চৰকাৰে দাবী কৰিব লাগে।

অধ্যক্ষ মহোদয় : ইয়াৰ পাচত মই মোৰ জিলাৰ বানপানীৰ পৰিস্থিতিৰ কথালৈ আহো। লক্ষীমপুৰত বানপানীৰ পৰিস্থিতিৰ কথা। চৰকাৰ আৰু মাননীয় সদস্যসকলৰ জ্ঞাত। প্ৰতি বছৰে লক্ষীমপুৰ জিলাত বানপানীয়ে তাণ্ডৱ লীলা কৰে। এই বছৰ নাওঁবছা, লক্ষীমপুৰ আৰু ধেমাজি সমষ্টিটো বানপানীয়ে বিশেষ ক্ষতি কৰিছে। আপোনালোক হয়তো আচৰিত হ'ব মোৰ কথাত। এই বছৰ যোৱা ৩০ এপ্ৰিল আৰু ৩ মেই তাৰিখত মোৰ সমষ্টিত

শিঙৰা, পাভ, গাভৰু আৰু মেনেহা নৈৰ আৱতৰীয়া বানপানী হৈ মোৰ সমষ্টি বহুত অঞ্চল আৰু আৰু মৰা খেতি সমূলঞ্চে নষ্ট কৰে। মোৰ সমষ্টিত লক্ষীমপুৰৰ ভিতৰত অধিক পৰিমানে মৰাপাটৰ খেতি হয়। সেই খেতি এইবাৰ সমূলঞ্চে নষ্ট কৰে। সেই সময়ত মোৰ সমষ্টিত বানপানী হওঁতে ৰাজহ মন্ত্ৰী ডাঙৰীয়া তাতে আছিল। তেখেতে মোৰ সমষ্টিৰ খেতি পথাৰ নষ্ট হোৱাৰ সকলো অৱস্থা দেখি আহিছে। তাৰ পাচত যোৱা মেই মাহত মুখ্যমন্ত্ৰী লক্ষীমপুৰ লৈ যাওঁতে মোৰ সমষ্টিৰ বানপানীৰ ক্ষতিগ্ৰস্ত অৱস্থাৰ কথা নিজে দেখি শুনি আহিছে। এতিয়া সেই বিধস্ত লোক সকল খেতি নোহোৱাত হাহাকাৰ অৱস্থাত আছে আৰু মানুহবোৰ গৰীব। বিধস্ত হোৱাৰ গাওঁ কিছুমানৰ নাম মই উল্লেখ কৰিব খুজিছো। যেনে— শলমৰীয়া, কৌৰৰপুৰ, কলাখোৱা বৰচলা, পানধুৱা, মৌ-ঘুলি, সোনাপুৰ, আহমেদপুৰ, ধৰ্ম্মপুৰ, বামুণদলনী, ফটেহপুৰ ইছলামপুৰ, মেনেহা, দিক্ৰেংঘাট, মেৰবিল, সোনাপুৰ পুখুৰীয়া, সোনাপুৰ খিষ্টিয়াম, গৰমুৰৱক আদি গাওঁসমূহ।

অধ্যক্ষ মহোদয় মই যি খিনি নদীৰ কথা আগতে উল্লেখ কৰিছো যেনে— ৰঙ্গানদী, শিঙ্গৰা, পাভ আৰু গাভৰু আদি নৈৰ মথাউৰি আজি ১৫।২০ বছৰেও কৰি শেষ হোৱা নাই। ক'ৰবাত এফালে মথাউৰি আছে ক'ৰবাত এফালে নাই— ক'ৰবাত এডোখৰ আছে এডোখৰ নাই। এই নৈ কেইখনৰ মথাউৰি সম্পূৰ্ণ নোহোৱাৰ ফলত ওপৰত উল্লেখ কৰা আদি গাওঁসমুহে প্ৰতিবছৰেই বানপানীৰ নিৰ্য্যাতন ভুগিছে। আৰু মানুহবোৰৰ আৰ্থিক অৱস্থা অতি শোচনীয়ত পৰিণত হৈছে। গতিকে অধ্যক্ষ মহোদয় মই আপোনাৰ যোগে মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰো যাতে মুখ্যমন্ত্ৰীয়ে চলিত বছৰতে মোৰ সমষ্টিৰ ওপৰত উল্লেখ কৰা নৈ সমুহৰ মথাউৰি নিৰ্মাণ কৰা কাম সম্পুৰ্ণ কৰিব লাগে।

(সময়ৰ সংকেত)

অধ্যক্ষ মহোদয় মই আপোনাৰ যোগে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰো যাতে মোৰ সমষ্টিৰ বান বিধস্ত লোক সকলক যাৱতীয় সাহায্য দিয়াৰ ব্যৱস্থা কৰে তাৰ বাবে দৃষ্টি আকৰ্ষণ কৰি সামৰণি মাৰিলো।

মাল চন্দ্ৰ পেগু : মাননীয় অধক্ষ্য মহোদয়, আজি বানপানী অসমৰ কাৰণে এটা সমস্যা হৈ পৰিছে। অসমক বানপানীয়ে দিনে দিনে জুৰুলা কৰি আহিছে। আমি সদায় বানপানীৰ মাজত ডাঙৰ হৈ অহাৰ কাৰণে আমি

* Speech not Corrected

বানপানী আহিলে বৰ আচৰিত নহ'ও। আমাৰ মাজুলীত বৰ্ত্তমান ৭টা দ্বীপ আছে। তাৰে ৪-টা এটা অংশত আৰু বাকী তিনিটা এটা খণ্ডত। যি তিনিটা দ্বীপত বানপানী হয় সেই কেইটাত ব্ৰহ্মপুত্ৰ কমিচনে যি মঠাউৰী দিছে সেইটো বৰ ভাল হৈছে। এই বিলাকত বাকী ৰখা নাই। আৰু আজিও চিগা নাই। কিন্তু পড়ুকাপ্তানি বিভাগৰ যি বেডি কাম এমবেংকমেণ্ট আছে সেই কেইটা যোৱা বছৰে চিগিছে আৰু এই বছৰো চিগিছে। এইটো চিগাৰ কাৰণ হল চেলামুখৰ পৰা জেংৰাইলৈ যিটো মঠাউৰী দিছিল সেইটো আজিও দিয়া হোৱা নাই। এইটো দিয়া হলে সেই দৰে চিগিবলৈ নাপালেহেতেন। যিটো ৰাস্তা চিগিছিল সেইটো মন্ত্ৰী মহোদয়েও দেখি আহিছে। তেখেতে কৈছিল ব্ৰহ্মপুত্ৰ কমিচনে যি দৰে মাজুলীত মঠাউৰী কৰিছিল সেই দৰে পি ডবলিও ডিৰ ৰাস্তা বিলাক কৰে তেনেহলে এই ৰাস্তা বিলাক বৰ। এই খিনিতে এটা কথা কব খুজিছো যে মঠাউৰী বিলাক নিচিগে বুলি কোনেও কব নোৱাৰে। এই বিলাক চিগাটো একো আচৰিত কথা নহয়। কাৰণ এই বিলাক প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। তাৰ কাৰণে ইঞ্জিনীয়াৰ বিলাকক বেয়া বুলি কব নোৱাৰি। কিন্তু এই মঠাউৰী বিলাক কৰোতে বিজ্ঞান সন্মত ভাবে নিৰ্মান কৰিব লাগিব। পি ডবলিউ ডিৰ মিস্ত্ৰিষ্টাৰেও এইটো কথা কৈছিল যে ব্ৰহ্মপুত্ৰ কমিচনে যি ভাবে কৰে সেইদৰে কৰিলে মঠাউৰী বিলাক বৈ যাব। এই খিনিতে মই আৰু এটা কথা কব খুজিছো যে যি বিলাক অঞ্চলত বছৰি বানপানী হয় সেই অঞ্চলৰ ৰাইজক চৰকাৰে নাও সাজিবৰ কাৰণে ষ্ট্ৰিক্ট চুপাৰ ভিচনৰ প্ৰয়োজনীয় গছৰ পাৰমিট ৰাইজক দিব লাগে। যদিও পঞ্চায়ত বা গাওঁ সভাৰ মাৰ্ফত পাৰমিট দিয়াৰ এনকুৱা ব্যৱস্থা আছে সেই ব্যৱস্থা কাৰ্য্যকৰী নহয়।

(সময়ৰ সংকেট)

গৰা খহনীয়া বিলাক বন্ধ কৰিবলৈ চেষ্টা চলাব লাগিব। খাবলি নৈ খনৰ বাওফালে মঠাউৰী নাই। তাত মঠাউৰী দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাৰ পিচত লুইত নৈ খন খাবুলিলৈ দাইভাৰ্ট কৰাৰ ব্যৱস্থা কৰিব লাগে। এই নৈ খন দাইভাৰ্ট ক'ৰলে প্ৰায় ৪০ লাখ বিঘা মাটি ওলাব। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীৰাজেন ফুকন : মাননীয় অধ্যক্ষ মহোদয়, এই বানপানী সম্পৰ্কে মই দুআষাৰ কব খুজিছো। বৈজ্ঞানিক পদ্ধতিত এই বান নিয়ন্ত্ৰণৰ ব্যৱস্থাটো

* Speech not Corrected

কৰিব লাগে। অকল বক্তৃতা দিলেই বান নিয়ন্ত্রন কৰা নাযায়। আমি প্ৰথমতে ইতিহাস চাব লাগিব। ১৯৫০ চনৰ ভূমিকম্পৰ পিচত প্ৰবল বানপানী হৈ মানুহ মৃত্যুৰ মুখত পৰিছিল। জৱাহৰলাল নেহৰুৱে কৈছিল-- যে हमारे देशमें इसको रोकना है, Flood को बन्द करना है तो ब्रहमपुत्र river को Control करना पड़ेगा। इसके लिये हमे उसके इतिहास को जानना पड़ेगा। जहाँ से ब्रहमपुत्र आँया है, जाँहा से वह निकला है वहाँतक हमें जाना पड़ेगा। हमें उसके पूरे इतिहास को, पूराने समयके, हजारो सालके पुराने राजा-महाराजो के समय के पुराने इतिहास को जानना पड़ेगा। यह हमारे देशके नजवानों वैग्यानिकों तथा Engineer लोगोका काम हैं।

अध्यक्ष महोदय, आप सुनिये चीन देश ने अपने यँहाकी नदियों को control किया है। च्यांग काई शेक के पस्त होने के बाद वँहा की नयी सरकार ने उन नदियोंको control कर लिया। इसलिये वहाँ agriculture, industry को development हुआ। वहाँ अर्थनैतिक प्रगति इतनी वड़ी हुई, इतनी वड़ गयी कि आज चीन तमाम दुनियाा का मुकाबला कर सकता है। বাননিয়ন্ত্রন কৰিবলৈ হলে নদীৰ উৎপত্তিস্থলতে নদী বিলাক নিয়ন্ত্রন কৰিব লাগিব। নগাৱৰ কপিলি নদীৰ প্ৰবল বানপানী ১৯৫২ চনতে হৈছিল। এতিয়া আকৌ সেই একে অৱস্থাই হৈছে শিমলু গছত মানুহ উঠি থাকিব লগা হৈছে। কিন্তু তাকো উটুৱাই লৈ গৈছে। গতিকে যি বিলাক নদী পাহাৰৰ পৰা ওলাই আহিছে সেই বিলাক নদীক গুৰিতে নিয়ন্ত্রণ কৰিব লাগিব। ঠিক সেই দৰে ব্ৰহ্মপুত্ৰখন নিয়ন্ত্রণ কৰিবলৈ হলে মানস সৰোবৰলৈ যাব লাগিব। ভট্টাচাৰ্য্য ডাঙৰীয়াই কৈছে যে সাপৰ নেজত কোবাই বিপদ মাতি লৈছে। এইটো সচা কথা। নদী সমুহ নিয়ন্ত্রণ কৰিবলৈ গৈ কোটি কোটি টকা খৰচ কৰিছো আনহাতে ৰাইজক সকাহ দিব পৰা নাই। এতিয়া ব্ৰহ্মপুত্ৰ কমিচন হল আৰু ই এণ্ড ডি বিভাগ হল। এই বিভাগ বিলাকে ব্ৰহ্মপুত্ৰক কেনেকৈ নিয়ন্ত্রন কৰিব পাৰি সেইটো চিন্তা কৰিব লাগে। কোন ঠাইত ভেটা দিব লাগে সেই বিষয়ে চিন্তা কৰিব লাগিব। আমি প্ৰস্তাব পাচ কৰিছো আৰু আচনি গ্ৰহন কৰিছো। কিন্তু এইদৰে জানো আমাৰ সমস্যা সমাধান হব? যত বান্ধ দিব লাগে তাত বান্ধ দিয়া নাই। গতিকে বৈজ্ঞানিক পদ্ধতিত নদী বিলাক নিয়ন্ত্রণ কৰিব লাগে যাতে চিৰ দিনৰ কাৰণে কৃষকক ৰক্ষা কৰিব পৰা যায় নহলে অযথা ধন খৰচ কৰিলে একো লাভ নহব। এইখিনিকে কৈ মোৰ বক্তব্য সামৰনি মাৰিলো।

* শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় আজিৰ আলোচ্য বিষয়টো আছিল বানপানী সম্পৰ্কে। এই আলোচনা কৰিবলৈ যাওঁতে মাননীয় সদস্যসকলে নানা ধৰণৰ বৈজ্ঞানিক পৰামৰ্শ আগবঢ়াইছে। ব্ৰহ্মপুত্ৰ আৰু নদী নিয়ন্ত্ৰণৰ কামটো যাতে নিয়মমতে হয় তাৰ কাৰণে চৰকাৰে নিশ্চয় চিন্তা কৰিব।

যিবিলাক দৃষ্টি-কোণৰ পৰা এই বিলাক কথা আলোচনা কৰা হৈছে, সেইবিলাক যাতে সংশোধন হ'ব পাৰে আৰু প্ৰকৃত কাৰ্য্যকৰী ব্যৱস্থাৰে বান-নিয়ন্ত্ৰণ হ'ব পাৰে তাৰ কাৰণে নিশ্চয় চৰকাৰে চিন্তা কৰিব আৰু উপযুক্ত ব্যৱস্থাৰে নিজৰ সামৰ্থ্য অনুযায়ী ল'ব।

আলোচনা সাপেক্ষে আলোচনাৰ বিষয় বস্তু লৈ মই আজি সদনত জনাবৰ কাৰণে কেইটামান লেখত ল'বলগীয়া পৰিস্থিতিৰ খা-খবৰ আনিছো, এই বিষয়ত যথেষ্ট সময় আলোচনা হৈ গৈছে আৰু আলোচনাৰ বিষয়বস্তু সাম্প্ৰতিক বানপানীৰ পৰা আঁতৰি গৈ উচ্চ খাপৰ আলোচনা হৈছে। বৰ্ত্তমান বানপানীৰ পৰিস্থিতিৰ সম্পৰ্কে দিনচেৰেক আগতে সদনৰ আগত বিবৃতি দি থৈছিল আৰু সদনৰ সদস্য সকলেও এই বিবৃতি শুনিছিল আৰু তাৰ প্ৰতিলিপিও নিশ্চয় পাইছে। সেইদিনাখনৰ পিচৰে পৰা ক্ষতিৰ পৰিমাণ যথেষ্ট বেছি হোৱা নাই আৰু বানপানী ক্ৰমে নদীত কমিব ধৰিছে। এটা কথা লক্ষ্য কৰিবৰ কাৰণে মই জনাওঁ যে এইবাৰৰ বানপানী ব্ৰহ্মপুত্ৰ নদীৰ নহয়, এই বানপানী হ'ল ব্ৰহ্মপুত্ৰৰ উপনদী সমূহৰ। উপনদী সমূহৰ পৰা যি বানপানীৰ সৃষ্টি হ'ল তাৰ ক্ষয়-ক্ষতি কম নহয়। মাননীয় সদস্য সকলে বানপানীৰ এই ভয়াবহতাৰ কথা আলোচনা কৰি গৈছে।

প্ৰতি মহকুমাতে বৰ্ত্তমান মোৰ হাতত যিখিনি খবৰ আছে মই মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে জনাই যাম।

| ধেমাজী- | উঃ লক্ষীমপুৰ- | ডিব্ৰুগড়- | যোৰহাট- | গোলাঘাট- | তেজপুৰ - | মঙ্গলদৈ- | নগাওঁ |
|---|---|---|---|---|---|---|---|
| প্ৰাণী হানীৰ | | | | | | | |
| সংখ্যা — | | | | | | | |
| ০ | ০ | ০ | ০ | ০ | ০ | ০ | ২১ |
| সমুদায় বিধস্ত | | | | | | | |
| অঞ্চল — | | | | | | | |

---

* Speech not Corrected

৮,৫৩০ একৰ, ২৯,০৪০এঃ ৩,৮৪০এঃ ৭৯,৩৬০এঃ ৬৭২০০এঃ ১৯,৯৯০এঃ ২৩,৬৮০এ

বিধস্ত গাৱঁৰ ১,১,০৯০৪এঃ

সংখ্যা

৯৬ ৭৯ ৭ ৭১ ১৯ ১০১ ১১৭ নট্ এভইলেবুল

বিধস্ত পৰিয়ালৰ

সংখ্যা

২৩৭১ ১৬১১ ৩৫০ ৪৯৬ ১২০০ ২৮৮৭ ২৬১৮ ৫০০০০

ক্ষতিগ্ৰস্ত লোকৰ

সংখ্যা—

১৩,১০৫ ১৪,১৭৪ ২০০০ ৩৪৫৫ ৩০,০০০ ১৫,৫০০ ১৩,১০০, ২,২০,০০০

শস্য নষ্ট

অঞ্চল—

৪৩৮০একৰ ২৯০২এঃ — ১১৭৪ এঃ ৩৩৪০এঃ ৯৭১৩এঃ ২৯৫০এ ৭৫,০০০ এঃ

নষ্ট শস্যৰ

মুল্য ৭ লাখ ৫'১১লাঃ— ৪'১২ লাখ ৬'৯০ লাঃ ৩২'৮৪লাঃ ১৩'১৮লাঃ ১কোটি

পশু হানী

সংখ্যা :

নট,এভইলেবুল নঃ এঃ নঃ এঃ নঃ এঃ নঃ এঃ নঃ এঃ নঃ এঃ ৫০০০

ধ্বংস ঘৰবাৰীৰ " " " '৫' (পাঁচ) " ৩১৪ ৫৮৭—

সংখ্যা

ধ্বংস ঘৰবাৰীৰ

মুল্য — — — — ১৫০০টকা — — ১৯,৫০০ টঃ ৬৩,১০০ টঃ ১৫ লাখ

মুঠ ক্ষতিৰ পৰিমান : — —

নট,এভইলেবুল ৪'১৩ লাখ — ৩৩'৩২ লাঃ ৩'৮২ লাঃ ১'১৫ কোটি

সাহাৰ্য্যৰ

পৰিমাণ

বিচৰা নাই বিঃ নাঃ ৫০০ টঃ বিঃ নাঃ ১৫,০০০ টঃ ৫০০০লাঃ ১লাখ ৫০ কে

মৰিগাৱঁত প্ৰাণহানী হোৱা নাই। অঞ্চলত আক্ৰান্ত হৈছে চাৰি হাজাৰ একৰ, গাওঁ হিচাবে আক্ৰান্ত হৈছে এশ চৌবিশ, পৰিয়াল হিচাবে তিনি হাজাৰ, জনসংখ্যা হিচাবে পচিশ হাজাৰ, খেতি নষ্ট হৈছে দহ হাজাৰ একৰ, নষ্ট

হোৱা শস্যৰ ক্ষয়-ক্ষতিৰ পৰিমাণ প্ৰায় তিনি লাখ, পশু আদি মৰা খবৰ আমালৈ এতিয়াও আহি পোৱা নাই, ঘৰ আদি ভঙা খবৰ আমালৈ আহি পোৱা নাই আৰু এক লাখ পঞ্চাশ হাজাৰ টকা সাহায্য কাৰণে দিয়া হৈছে। ধুবুৰী মহকুমাত প্ৰাণহানিৰ খবৰ পোৱা নাই, কিমান অঞ্চল বানপানীত আক্ৰান্ত হৈছে সেইটো হিচাব আমালৈ আহি পোৱা নাই, গাওঁ হিচাবে আক্ৰান্ত হৈছে ৬৫ খন, পৰিয়াল হিচাবে চাৰি হাজাৰ এশ, জনসংখ্যা হিচাবে কিমান আক্ৰান্ত হৈছে আমালৈ খবৰ আহি পোৱা নাই, খেতি নষ্ট হৈছে তিনি হাজাৰ তিৰিশ একৰ, নষ্ট হোৱা শস্যৰ ক্ষয়-ক্ষতিৰ পৰিমাণ কিমান হব আমালৈ আহিপোৱা নাই, কোনো সাহার্য্যৰ আচনি লোৱা নাই। গোৱালপাৰা মহকুমাত লক্ষীমপুৰ চাৰ্কোলত আশী খন গাওঁ পানীৰ কবলত পৰিছে, ক্ষয়-ক্ষতিৰ পৰিমাণ সম্পুৰ্ণ আমাৰ হাতলৈ আহি পোৱা নাই, সাহার্য্যৰ বাবে দহ হাজাৰ টকা আগবঢ়োৱা হৈছে। কৰিমগঞ্জ মহকুমাত প্ৰাণ হানিৰ বাতৰি অহা নাই, অঞ্চল হিচাবে আক্ৰান্ত হৈছে দুই হাজাৰ বিশ একৰ, গাওঁ হিচাব বাৰ খন, পৰিয়াল হিচাবে দুশপয়সত্তৰ, জনসংখ্যা হিচাবে চাৰি হাজাৰ, শস্যৰ পথাৰ নষ্ট হৈছে পাচ হাজাৰ একৰ, নষ্ট হোৱা শস্যৰ আনুমানিক মূল্য পঞ্চাশ হাজাৰ, পশু আদি মৰাৰ খবৰ অহা নাই, ঘৰ আদি ভঙা খবৰ অহা নাই, মুঠ ক্ষয়-ক্ষতিৰ পৰিমাণ পঞ্চাশ হাজাৰ, কোনো সাহায্যৰ আঁচনি লোৱা হোৱা নাই। গুৱাহাটি মহকুমাত প্ৰাণহানিৰ খবৰ আহি পোৱা নাই, অঞ্চল হিচাবে প্ৰায় বাৱন্ন হাজাৰ পাচশ ষাঠি একৰ, গাওঁ হিচাবে দুশ চল্লিশ, পৰিয়াল হিচাবে আঠ হাজাৰ পাচশ, জনসংখ্যা হিচাবে বিয়াল্লিশ হাজাৰ পাচশ, খেতিৰ অঞ্চল নষ্ট হোৱাৰ পৰিমাণ আমালৈ আহি পোৱা নাই, সাহায্য হিচাবে ত্ৰিশ হাজাৰ টকা আগবঢ়োৱা হৈছে। নলবাৰী মহকুমাত প্ৰাণহানিৰ খবৰ আহি পোৱা নাই, অঞ্চল হিচাবে আক্ৰান্ত হৈছে চৌষষ্টি হাজাৰ একৰ; গাওঁ হিচাবে এশ সাতানব্বৈ, পৰিয়াল হিচাবে ষাল্ল হাজাৰ এশ ছিয়াশি, জনসংখ্যা হিচাবে এক লাখ বিয়াল্লিশ হাজাৰ চাৰিশ পয়সত্তৰ, শস্য নষ্ট হৈছে উনত্ৰিশ হাজাৰ এশ তিনি একৰ, নষ্ট হোৱা শষ্যৰ আনুমানিক মূল্য উনাসব্বৈ দশমিক এক পাচ লাখ, ঘৰ ভাঙিছে সাতাত্ৰিশটা, ভঙা ঘৰৰ আনুমানিক মূল্য উনৈশ হাজাৰ পাচশ, ৰাজহুৱা অনুষ্ঠান নষ্ট হৈছে তিৰিশটা, পশু মৰা খবৰ আহি পোৱা নাই, মুঠতে নলবাৰী মহকুমাত উনাসব্বৈ লাখ পয়ত্ৰিশ হাজাৰ টকা, এক

লাখ পোন্ধৰ হাজাৰ টকা সাহায্যৰ বাবে আগবঢ়োৱা হৈছে । বৰপেটাৰ পৰা প্ৰাণ হানিৰ কোনো বাতৰি অহা নাই, অঞ্চল হিচাবে প্লাৱিত হৈছে এক লাখ তিৰাশি হাজাৰ আঠশ তেৰ একৰ, গাওঁ হিচাবে ছয়শ চৌষষ্টি, পৰিয়াল হিচাবে পয়ষষ্টি হাজাৰ পাচশ পঞ্চাশ, জনসংখ্যা হিচাবে তিনি লাখ সাতাইশ হাজাৰ দুশ বিৰাশি, খেতি পথাৰ নষ্ট হৈছে এক লাখ বাৱন্ন হাজাৰ তিনিশ পঞ্চাশ একৰ, নষ্ট হোৱা শস্যৰ আনুমানিক মূল্য হৈছে দুই কোটি বাৱন্ন লাখ, ঘৰ ভঙা খবৰ আহিছে এশ চৌশষ্টি, ভঙা ঘৰৰ আনুমানিক মূল্য ওঠৰ হাজাৰ ন শ, নষ্ট হোৱা ৰাজহুৱা, অনুস্থানৰ মূল্য হৈছে তিনিশ টকা, পশু আদি মৃত্যুৰ খবৰ আহি পোৱা নাই, ঘৰ উটুৱাই নিছে নব্বৈটা, উটুৱাই নিয়া ঘৰৰ আনুমানিক মূল্য হৈছে দহ হাজাৰ আঠশ টকা, মুঠ ক্ষয়-ক্ষতিৰ পৰিমাণ দুই কোটি তেৱান্ন লাখ, সাহায্যৰ কাৰণে এক লাখটকা আগবঢ়োৱা হৈছে । শিলচৰ মহকুমাৰ পৰা প্ৰাণহানিৰ খবৰ আহিছে তিনি, অঞ্চল প্লা-ৱিত হৈছে ছিয়ানব্বৈ হাজাৰ দুশ আঠাৱন্ন একৰ, গাওঁ হিচাবে চাৰিশ ছায়েত্ৰিশ, পৰিয়াল হিচাবে তেত্ৰিশ হাজাৰ এশ আঠাইশ, জনসংখ্যা হিচাবে এক লাখ অষ্টাশি হাজাৰ চাৰিশ চোয়াল্লিশ, খেতি নষ্ট হৈছে একৈশ হাজাৰ এশ একৰ, নষ্ট হোৱা খেতিৰ পৰিমাণ তেষষ্টি লাখ, ঘৰ ভাঙিছে চাৰি হাজাৰ ছয় শ উনচল্লিশ, নষ্ট হোৱা ঘৰ আনুমানিক মূল্য পাচ লাখ আঠষষ্টি হাজাৰ, ৰাজহুৱা ঘৰ নষ্ট হোৱাৰ বাতৰি অহা নাই, পশুৰ মৃত্যুৰ সংখ্যা উন্‌সত্তৰ, মৃত পশুৰ আনুমানিক মূল্য উনৈশ হাজাৰ তিনিশ, পঞ্চাশ. উটুৱাই নিয়া ঘৰৰ সংখ্যা হল উনত্ৰিশ, উটুৱাই নিয়া ঘৰৰ আনুমানিক মূল্য সাতষষ্টি হাজাৰ তিনিশ পয়সত্তৰ, মূঠ ক্ষয়-ক্ষতিৰ পৰিমাণ সত্তৰ লাখ বিশ হাজাৰ, সাহায্যৰ বাবে আগবঢ়োৱা হৈছে এক লাখ টকা, কৰিমগঞ্জত প্ৰাণহানিৰ সংখ্যা দুই, অঞ্চল কিমান অক্ৰান্ত হৈছে আমালৈ সঠিক হিচাবে আহি পোৱা নাই, গাওঁ হিচাবে তিনিশ পঞ্চাশ, পৰিয়াল হিচাবে আহি পোৱা নাই, জনসংখ্যা হিচাবে দুই লাখ পঞ্চাশ হাজাৰ, খেতিৰ অঞ্চল নষ্ট হৈছে বত্ৰিশ হাজাৰ পাচশ, নষ্ট হোৱা শস্যৰ আনুমানিক মূল্য চৌৰাশি লাখ, ঘৰ ভাঙিছে দুশ দহ, নষ্ট হোৱা ঘৰৰ আনুমানিক মূল্য পঞ্চাশ হাজাৰ, পশুৰ মৃত্যুৰ সংখ্যা পাচ, মৃত পশুৰ মূল্য জনা হোৱা নাই, মুঠ ক্ষয় ক্ষতিৰ পৰিমাণ পচাশি লাখ, সাহাযাৰ বাবে পঞ্চাশ হাজাৰ টকা আগবঢ়োৱা হৈছে। হাইলাকান্দি মহকুমাত প্ৰাণ হানিৰ সংখ্যা নাই, অঞ্চল প্লাৱিত হৈছে ত্ৰিশ

হাজাৰ সাতশ বিশ একৰ, গাওঁ হিচাবে সাতানব্বৈ, পৰিয়াল হিচাবে পাচ হাজাৰ আঠশ, জনসংখ্যা হিচাবে ত্ৰিশ হাজাৰ পাচশ, নষ্ট হোৱা খেতিৰ পৰিমাণ দুই হাজাৰ তিনিশ পঞ্চাশ একৰ, নষ্ট হোৱা শস্যৰ আনুমানিক মূল্য ন লাখ চল্লিশ হাজাৰ, ঘৰ ভগাৰ খবৰ আহি পোৱা নাই। পশুৰ মৃত্যুৰ খবৰ আহি পোৱা নাই, বিশ হাজাৰ টকা সাহায্যৰ বাবে আগবঢ়োৱা হৈছে।

আমাৰ হাতত দুপৰীয়া চাৰে এঘাৰ বজালৈকে অহা খবৰৰ পৰা মই এইটো হিচাব দাঙি ধৰিছো। এইটো চৰকাৰী ভাৱে পোৱা খবৰৰ ভিত্তিত জনাইছো।

শ্ৰীগিয়াচুদ্দিন আহমেদ : অধ্যক্ষ মহোদয়, মই এটা কথা নুবুজিলো, গোটেই অসমত বানপানী হ'ল বহুত ক্ষয়ক্ষতি হ'ল কিন্তু এই বানপানীবিলাক গ'ল কলৈ? ধুবুৰীৰ বিপৰীত ফালে গ'ল নেকি? পুব ফালে গ'ল নে পশ্চিমফালে গ'ল? ধুবুৰীত বানপানী হোৱা নাই এইটো যুক্তি সংগত কথা হ'ব পাৰে জানো? ব্ৰহ্মপুত্ৰৰ লগত ধুবুৰীৰ যোগাযোগ আছে, সদায় সেইফালেদি পানী যায় হঠাৎ এইবাৰ পানীবিলাক কলৈ গ'ল? মই কওঁ চৰকাৰৰ এই ৰিপোৰ্ট সঁচা নহয়।

শ্ৰীলক্ষ্য দলে : আমাৰ ধেমাজি মহকুমাতো বানপানী হৈছে আৰু ৰাইজৰ বহুতো ক্ষয়ক্ষতি হৈছে কিন্তু সাহায্য কিয় দিয়া হোৱা নাই?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : সাহায্যৰ প্ৰয়োজন বুলি দাবী উৎথাপন হোৱা নাই, সেইকাৰণে সাহায্য আগবঢ়োৱা হোৱা নাই।

শ্ৰীগৌৰী শংকৰ ভট্টাচাৰ্য্য : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যি হিচাব দাখিল কৰিলে সেই হিচাবৰ পৰা দেখা যায়, গোটেই অসমতে বানপানী কেৱল ব্যাপকেই নহয় বৰ তীব্ৰও হৈছে। কিন্তু তেখেতে লগে লগে এই কথাও কৈছে যে এইবাৰৰ যিটো বানপানী সেইটো ব্ৰহ্মপুত্ৰই কৰা বানপানী নহয়; ব্ৰহ্মপুত্ৰৰ ৰিবিলাক উপনদী যেনে বৰাক, সুৰমা আদি উপনদীয়ে বানপানীৰ সৃষ্টি কৰিছে। এই উপনৈ বিলাকৰ বানপানীয়ে ইমান প্ৰকোপ যে আকৌ ব্ৰহ্মপুত্ৰৰ পাৰ বাগৰিলে অসমৰ কি বিপৰ্যয় হ'লহেঁতেন ভাবিলেই আতঙ্কিত হবলগীয়া। এই উপনদীৰ বানপানীৰ ফলত আমাৰ কেৱল মন্ত্ৰী মহোদয়ৰ হিচাবতে দেখা যায় শস্য ক্ষতি হৈছে প্ৰায় ৭ কোটি টকাৰ তেখেতে হিচাবত দেখুৱাইছে ৬ কোটি ৯৬ লাখ ১ হাজাৰ টকা। ক্ষয়ক্ষতিৰ ভিতৰত ডিব্ৰুগড় মহকুমাত, ধুবুৰী মহকুমা, গোৱালপাৰা মহকুমা গুৱাহাটী মহকুমাৰ

হিচাব এই হিচাবত ধৰা নাই। গতিকে এইখিনি যদি ধৰা যায় কিজানি ৮ কোটিৰো বেছি হ'ব। অকল শস্যই ইমান নষ্ট হৈছে আৰু অন্যান্য সম্পদৰাজী আছেই। সেই কাৰণে আমি আশা কৰো এই সম্পৰ্কে কেন্দ্ৰীয় সাহায্য, অন্যান্য ৰাজ্য যিবিলাকে যেনেধৰণে পায় তেনেকৈ আমাৰ চৰকাৰেও জোৰদি ধৰিব লাগে। কিন্তু প্ৰতি বছৰে অসমত বানপানী হয় আৰু বিপৰ্যয় হয় বুলিয়ে যাতে এই কথাটো এৰাই নাযায় তাৰ বাবে মনোযোগ দিয়া উচিত।

অধ্যক্ষ মহোদয়, আজি এই বানপানী বিষয়ক আলোচনা প্ৰসংগত্তে স্বাভাবিকতে বহুত কথাই আলোচনা কৰা হৈছে আৰু বহুতে দীৰ্ঘম্যাদি স্থুহুৰ প্ৰসাৰীৰ কথাও কৈছে। ইয়াৰ ভিতৰতে আমাৰ মাননীয় সদস্য শ্ৰীওমৰুদ্দিনে কথাৰ অৱতাৰণা কৰিছে আৰু তাৰ পৰা অৱহিত হৈছে যে আমাৰ ১৯৫০ চনৰ যি ভূমিকম্প সেই ভূমিকম্পই গছ-গছনি উটুৱাই নিলে, ব্ৰহ্মপুত্ৰৰ তলি আগতকৈ বহুত ওপৰলৈ আহিল আৰু লগে লগে জলপৃষ্ঠও ওপৰলৈ আহিল এই কথা সঁচা। কিন্তু এইবাৰৰ বানপানী ব্ৰহ্মপুত্ৰৰ কাৰণে নহয়, ব্ৰহ্মপুত্ৰত ড্ৰেজিংৰ যে প্ৰয়োজন হ'ব তাত কোনো সন্দেহ নাই, আমাৰ এই দীৰ্ঘকালীন ব্যৱস্থাৰ কাৰণে একোৰেষ্টেচন কৰি পৰ্য্যপ্ত পৰিমানৰ গছ-গছনি ৰোৱাৰ নিতান্ত আৱশ্যক যে তাত সন্দেহ নাই। কিন্তু এইবিলাক দীৰ্ঘম্যাদি ব্যৱস্থাৰ কাৰণে যথেষ্ট সময় ল'ব। কিন্তু এই মুহুৰ্ত্তত আমাৰ বিভিন্ন মাননীয় সদস্যসকলে যিটো কথা কৈছে যে এই মুহুৰ্ত্তত এই সমস্যা সমাধানৰ কাৰণে 'ৰিলিফ'ৰ দৰ্কাৰ। দুৰ্দ্দশা গ্ৰস্ত লোকৰ আজি স্বাস্থ্য খোৱা পিন্ধাৰ সমস্যাই বৰ্তমানৰ ডাঙৰ সমস্যা। দুখীয়া খেতিয়কে যাতে পুনৰ খেতি আৰম্ভ কৰিব পাৰে তাৰ বাবে কঠিয়াৰ সাহায্য দিয়া দৰ্কাৰ। আমাৰ অৰ্থনীতি নিৰ্ভৰ কৰে কৃষিৰ ওপৰত। গতিকে তেওঁলোকে যাতে পুনৰ নতুন উৎসাহেৰে খেতিৰ কামত মনোনিৰেশ কৰিব পাৰে তাৰ বাবে 'ৰিলিফ' কঠিয়া বিধান আদি দিব লাগে। তেওঁলোকৰ আজি এনেকুৱা অৱস্থা হৈছে যে কোনো ৰকম প্ৰাণটোহে বাচি আছে, এই পৰিপ্ৰেক্ষিতত কঠিয়াৰ আদি কিনা তেওঁলোকৰ কাৰণে সম্ভৱপৰ নহয়। গতিকে জলনিস্কাষনৰ ক্ষত্ৰত তেখেতৰ ঠাইৰ কথাই নহয় এইটো সকলো ঠাইৰে কথা। মই নিজৰ ঠাইতে দেখিছো, ডাঙৰ সমস্যা হ'ল এই বান্ধবিলাক যে ভাঙি আছে, অৱশ্যে তাৰ কাৰণে মই দীৰ্ঘম্যাদি প্লেনৰ কথা ভবা নাই। এই মুহুৰ্ত্তত সকলো মাননীয় সদস্যই যিটো কথাত জোৰ দি আছে

সেইটো হৈছে এই বান্ধবিলাক সম্পৰ্কে। এই বান্ধবিলাক খ'ত খ'ত ভাঙিছে সকলো ঠাইতে ৰিপিয়াৰ কৰা দৰ্কাৰ, নহ'লে ভৱিষ্যতে আৰু বিপদ ঘটিব। আনহাতে ৰিলিফৰ ক্ষেত্ৰত বৈষম্য থকা উচিত নহয়। ধেমাজীৰ মাননীয় সদস্যই আৱশ্যকীয় প্ৰশ্নই তুলিছে। হয় এই অঞ্চলৰ আটাইবিলাক মানুহেই দুখীয়া আৰু জনজাতিৰ লোক আৰু তেখেতসকলৰ আৱাজ নাই কাৰণেই আমি নিৰৱে থকা উচিত নহয়। এই অঞ্চলবিলাক জনজাতিৰ আৰু পিচপৰা সম্প্ৰদায়ৰ লোক এওঁলোকৰো সমানে খেতিৰ অনিষ্ট হৈছে। তেখেতসকলৰ কাৰণে কোনো ভাবোতা নাই বুলি অফিচাৰে 'ৰিকুইজিচন' দিয়া নাই বুলি তেওঁলোকক অৱহেলা কৰা উচিত নহয়। সকলোকে সমান চকুৰে চোৱা উচিত। এই দুৰ্দশাগ্ৰস্ত লোকসকলৰ মাজত যাতে সস্তীয়া দামৰ দোকানৰ ব্যৱস্থা কৰে তাৰ বাবে মই চৰকাৰক অনুৰোধ কৰিলো।

আমি অতীততো দেখিবলৈ পাইছো যে, বানপানীৰ সময়ত সেই পিড়ীত মানুহ বিলাকৰ মাজত বজাৰত নচলা কিছুমান বেয়া আৰু অখাদ্য বস্তু বিলোৱা হয়। তেনেকুৱা ভেজাল আৰু অখাদ্য খাই সেই বানপানীত জুৰুলা হোৱা মানুহ বিলাকৰ নানা বেমাৰ আজাৰ আদি হৈ তেওঁলোকে নানান দুখ-দুৰ্দ্দশা আৰু শেষত কিছুমানে মৃত্যুকো বৰণ কৰিব লগীয়া হয়। সেই কাৰণেই মই আমাৰ সৰবৰাহ বিভাগ আৰু চৰকাৰকো বিশেষ ভাৱে অনুৰোধ জনাইছো যে তেখেত সকলে যেন এইবাৰ তেনেধৰণৰ কোনো ভেজাল আৰু অখাদ্য-বস্তুৰ যোগান নধৰি ভাত সস্তীয়া দৰত কিছুমান ভাল ভাল বস্তু দিয়াৰ ব্যৱস্থা কৰে যেন। এই খিনি কৈয়ে মই আমাৰ যিখিনি মাননীয় সদস্যই এই বানপানীৰ সংক্ৰান্তত হোৱা বিতৰ্কত অংশ গ্ৰহণ কৰিলে তেওঁলোকক মোৰ ধন্যবাদ জ্ঞাপন কৰাৰ উপৰিও আমাৰ মন্ত্ৰী মহোদয়কো তেখেতে এই বিষয়ে যথেষ্ট খিনি তথ্য-পাতি আমাক যোগান ধৰাৰ কাৰণে তেখেতকো মই বিশেষ ভাৱে মোৰ কৃতজ্ঞতা জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : The House stands adjourned till 9.A.M. tomorrow.

## ADJOURNMENT

The House then rose at 4, 42 P. M. and stood adjourned till 9.A. M. tomorrow, the 30 th June, 1972 .

U. Tahbildar
Secretary,
Assam Legislative Assembly.

Dated Shillong,
the 29 th June, 1972